www.asombarta.in

শুদ্ধ আৰু আপোচহীন বাৰ্তাৰ প্ৰতীক

# অসম বাৰ্তা

❐ PRGI REGD. NO. : ASASS/25/A2361

❐ সপ্তম বছৰ ❐ সংখ্যা - ৭ ❐ শুকুৰবাৰ ❐ ৯ জানুৱাৰী, ২০২৬ চন ❐ ২৪ পুহ, ১৯৪৭ শক ❐ VOL - 7 ❐ NO.- 7 ❐ Friday ❐ 9th January, 2026 ❐ মূল্য ঃ ১০.০০ টকা ❐ মুঠ পৃষ্ঠা ঃ ৮

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

কৰ্মশক্তিয়ে আমাক তিনিটা অতি ভয়ঙ্কৰ অনিষ্টকাৰী শক্তিৰ পৰা ৰক্ষা কৰিব পাৰে - আলস্য, বদ অভ্যাস আৰু অভাৱ। — ফৰাচী দাৰ্শনিক ভল্টেয়াৰ

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্ৰতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বাৰ্তা' কাকতৰ জৰিয়তে প্ৰচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বাৰ্তা' গোষ্ঠী -

❐ অসম জাতীয় পৰিষদত আনুষ্ঠানিকভাৱে চামিল হ'ব দলটো ❐

# আজি জাহাজত উঠিব 'জাতীয় দল অসম'



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জানুৱাৰী ঃ** ৰাজ্যসভাৰ সাংসদ অজিত কুমাৰ ভূঞাৰ নেতৃত্বাধীন "জাতীয় দল অসম" শুকুৰবাৰে আনুষ্ঠানিকভাৱে অসম জাতীয় পৰিষদত (অজাপ) বিলীন হ'ব। এই খবৰ নিশ্চিত কৰিছে সাংসদ ভূঞা আৰু অজাপৰ সাধাৰণ সম্পাদক জগদীশ ভূঞা উভয়ে। সাংসদ অজিত কুমাৰ ভূঞাই কয়, "শুকুৰবাৰে দিনৰ ১১ বজাত দিছপুৰস্থিত লোকনিৰ্মাণ বিভাগৰ প্ৰেক্ষাগৃহত অনুষ্ঠানিকভাৱে 'জাতীয় দল অসম' অসম জাতীয় পৰিষদত চামিল হ'ব।" অজাপৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই ▸▸ ৬ পৃষ্ঠাত

## বিচৰা আসন নাপালে মিত্ৰতা নকৰি ৪খন আসনত প্ৰতিদ্বন্দ্বিতা কৰিব ৰাইজৰ দলে

## ৩১ জানুৱাৰী অখিল গগৈৰ পুনৰ 'ডেডলাইন'



**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জানুৱাৰী ঃ** ৰাইজৰ দলৰ সভাপতি তথা শিৱসাগৰৰ বিধায়ক অখিল গগৈয়ে আগন্তুক বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত বিৰোধী মিত্ৰজোঁট গঠনৰ ক্ষেত্ৰত এটা স্পষ্ট 'ডেডলাইন' নিৰ্ধাৰণ কৰিছে। তেওঁ ঘোষণা ▸▸ ৭ পৃষ্ঠাত

## জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ দাবীত APWAৰ বিস্ফোৰক অভিযোগ

**ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৯ জানুৱাৰী ঃ** অসমৰ প্ৰিয় সংগীতজ্ঞ জুবিন গাৰ্গৰ ▸▸ ৭ পৃষ্ঠাত

❐ BTRত ১৫টা সমষ্টিত প্ৰতিদ্বন্দ্বিতা কৰিব UPPL দলে ❐

## বিহুৰ পিছতেই NDA ত্যাগৰ সম্ভাৱনা UPPLৰ



**নিউজ ডেস্ক, অসম বাৰ্তা, ৯ জানুৱাৰী ঃ** ইউনাইটেড পিপলছ পাৰ্টি লিবাৰেল (ইউপিপিএল)ৰ সভাপতি তথা প্ৰাক্তন বিটিচি মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে এনডিএ মিত্ৰজোঁট ত্যাগৰ ▸▸ ৭ পৃষ্ঠাত

উচ্ছেদ হ'লে খুব কান্দে লুৰীণজ্যোতি গগৈয়ে ঃ মুখ্যমন্ত্ৰী

## অৰুণোদয় আঁচনি বন্ধ কৰিলে অসমৰ মহিলাই কংগ্ৰেছকে বন্ধ কৰি দিব



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৯ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অসম জাতীয় পৰিষদৰ সভাপতি ▸▸ ৭ পৃষ্ঠাত



প্ৰদেশ কংগ্ৰেছৰ গুৰুতৰ অভিযোগ

## নিৰ্বাচন আয়োগৰ সৈতে মিলি বিজেপিয়ে ভোট চুৰিৰ ষড়যন্ত্ৰ ৰচিছে

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জানুৱাৰী ঃ** অসম প্ৰদেশ কংগ্ৰেছে বিজেপি আৰু নিৰ্বাচন আয়োগৰ বিৰুদ্ধে ▸▸ ৬ পৃষ্ঠাত

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ স্থানান্তৰৰ বিৰুদ্ধে অনশনত বহিল অধিবক্তা সমাজ

## ১১ জানুৱাৰীলৈ ৩ দিনীয়া ধৰ্মঘট কাৰ্যসূচী বাৰ সন্থাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, গুৱাহাটী, ৯ জানুৱাৰী ঃ** অসম চৰকাৰৰ গুৱাহাটী উচ্চ ন্যায়ালয়ক উত্তৰ গুৱাহাটীৰ ৰংমহললৈ স্থানান্তৰ কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ অব্যাহত ৰাখিছে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বাৰ এছ'চিয়েশ্যনে। অহা ১১ জানুৱাৰীত ৰংমহলত ▸▸ ৬ পৃষ্ঠাত

লখিমপুৰত মানৱ ডেকা, সৰুপথাৰত বিশ্বজিৎ ফুকন, নগাঁৱত ৰূপক শৰ্মা আৰু ঢকুৱাখনা নৱকুমাৰ দলেলৈ টিকট

## চাৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী ঘোষণা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৯ জানুৱাৰী ঃ** অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত লখিমপুৰ আৰু ঢকুৱাখনা সমষ্টিৰ বিজেপি প্ৰাৰ্থীৰ নাম ৰাজহুৱাভাৱে ▸▸ ৭ পৃষ্ঠাত

■ পঞ্চম প্ৰতিষ্ঠা দিৱসত ৰাজ্যবাসীলৈ ১৬টা গেৰাণ্টি ৰাইজৰ দলৰ ■

মূল কাৰ্যসূচীৰ পূৰ্বে জুবিন ক্ষেত্ৰত আশিস গ্ৰহণ কৰিলে ৰাইজৰ দলৰ নেতা-কৰ্মীয়ে

## সোণাপুৰৰ দিচাং ৰিজৰ্টত ৰাইজৰ দলৰ পঞ্চম প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



**ষ্টাফ ৰিপ'ৰ্টাৰ, অসম বাৰ্তা, ৯ জানুৱাৰী ঃ** অসমৰ অন্যতম আঞ্চলিক ৰাজনৈতিক দল ৰাইজৰ দলে বৃহস্পতিবাৰে নিজৰ পঞ্চম প্ৰতিষ্ঠা দিৱস অতি উৎসাহেৰে উদযাপন কৰিছে। এই উপলক্ষে দলৰ সভাপতি তথা চিপাঝাৰৰ বিধায়ক অখিল গগৈৰ নেতৃত্বত দলৰ কেইবাগৰাকীও নেতা-কৰ্মীয়ে সোণাপুৰৰ জুবিনক্ষেত্ৰত উপস্থিত হৈ সেৰা আগবঢ়ায় আৰু কেইবাটাও নতুন সংকল্প গ্ৰহণ কৰে। প্ৰতিষ্ঠা দিৱসৰ ▸▸ ৭ পৃষ্ঠাত

অসম বাৰ্তা

# সপ্তম প্ৰতিষ্ঠা দিৱসৰ শুভক্ষণত

## অন্তৰ ওপচা শুভেচ্ছা সন্দেশেৰে অনুভৱৰ আষাৰচেৰেক



মণ্টু শৰ্মা

### 'অসম বাৰ্তা' কাকতৰ সপ্তম সংখ্যক প্ৰতিষ্ঠা দিৱসলৈ শুভেচ্ছা

"অৰুণোদই" যুগৰ পৰা বৰ্তমান সময়লৈকে এটা দীঘলীয়া পৰিক্ৰমা পাৰ কৰি বাতৰি কাকত সমূহে ▸▸ ৬ পৃষ্ঠাত

শৰৎ চন্দ্ৰ চিৰিং ফুকন

'অসম বাৰ্তা' এটা বৰ ভাল লগা বতৰা। শুনিলেই কিবা এটা জাতীয় চৈতন্যময় ভাৱ জাগে, হিয়াৰ মাজত এক মাদকতাভৰা পুলক ওপজে। আজি ছয়টা বছৰৰ আগতে যি কেইগৰাকী অতি আগ্ৰহী, উদ্যমী, অত্যুৎসাহী আৰু দূৰদৃষ্টিসম্পন্ন কৰ্মোদ্যমী নবীন পুৰুষৰ মানসিকতাত সৃষ্টি চেতনাৰ উন্মেষ জাগৰিত হ'ল এয়া স্বৰূপাৰ্থতেই অসমীয়া ভাষা, কৃষ্টি-সংস্কৃতি ৰক্ষাৰ তথা স্বদেশ-স্বজাতিৰ মৰ্য্যাদা সৱলীকৰণৰ এটি অতি শলাগনীয়, আদৰণীয়, প্ৰশংসনীয় পদক্ষেপ।

অসমৰ এক অতি উল্লেখনীয় ধৰ্মীয় সংস্কৃতিৰ মহাপীঠস্থান হৈছে মাজুলী। মাজুলীৰ সত্ৰানুষ্ঠানৰ প্ৰভাৱপুষ্টৰে পৰিৱেষ্টিত কেন্দ্ৰস্থল এই পবিত্ৰ ক্ষেত্ৰৰ আকাশ, বায়ু, জল, স্থল আদি সৰ্বত্ৰতে হৰিনাম, কৃষ্ণনাম, নৃত্য, কলা-শিল্প নিৰ্দশনৰ মুখৰিত পৰিৱেশতেই জন্মলাভ কৰা 'অসম বাৰ্তা'ৰ মিঠা জাগৰণ। যি কেইজন দূৰদৰ্শী যুৱশক্তিৰ সক্ৰিয়তাত এই 'অসম বাৰ্তা'ই জন্মলাভ কৰি আজিৰ তাৰিখত ছটাকৈ বছৰ অতিক্ৰম কৰি সপ্তবৰ্ষৰ আৰম্ভণি সূচাইছে সেইসকল প্ৰতিষ্ঠাপকৰ শলাগ লৈ কাকতখনৰ স'তে প্ৰত্যক্ষ বা পৰোক্ষভাৱে



জড়িত আৰু নিয়োজিত হোৱা সবাউটিলৈকে আমি এফেৰি ধন্যবাদ তথা কৃতজ্ঞতাৰ সফুঁৰা নিবেদন কৰিছোঁহক। কাকতখনিয়ে যেন সৰ্বতোপ্ৰকাৰে সমৃদ্ধি লাভ কৰি অসমৰ চৌপাশৰ চুক-কোণ আদিত সম্প্ৰসাৰিত হৈ জনপ্ৰিয়তা লাভ কৰক, তাৰেই আশা-বাঞ্ছাৰে আমি প্ৰভুৰ শ্ৰীচৰণত অন্তঃকৰণেৰে এয়া প্ৰাৰ্থনা নিবেদন কৰিছোঁ, শুভেচ্ছা সন্দেশ আগবঢ়াইছোঁ।

*মুখ্য সম্পাদক*
*অসম বাৰ্তা*

বেণুৰাম ৰাভা

### 'অসম বাৰ্তা'লৈ অভিনন্দন

আজিৰ এই পৱিত্ৰ ক্ষণত 'অসম বাৰ্তা'ৰ সংবাদদাতা, লেগক লেখিকা, পঢ়ে, শুভাকাংক্ষী সকলোলৈকে আন্তৰিক অভিনন্দন জনাইছোঁ। অসম বাৰ্তা কাকতখনৰ নিয়মীয়া পঢ়ে হিচাপে মই কাকতখনৰ সৈতে জড়িত সকলো কৰ্মকৰ্তালৈ এই শুভক্ষণত ▸▸ ৬ পৃষ্ঠাত


### 'অসম বাৰ্তা' জাকত জিলিকা হওক



ৰবীন মৰাণ

৯ জানুৱাৰী, ২০২০ তাৰিখে সাপ্তাহিক ৰূপত আত্মপ্ৰকাশ কৰি ৩১ মাৰ্চ, ২০২৪ তাৰিখৰ পৰা দৈনিক কাকতলৈ ৰূপান্তৰ ঘটা 'অসম বাৰ্তা'ই আজি ষষ্ঠ বৰ্ষত ভৰি দিলে। সত্ৰনগৰী মাজুলীত জন্ম লাভ কৰা 'অসম বাৰ্তা' তথ্যভিত্তিক আৰু আপোচনহীন বাৰ্তাৰ প্ৰতীক ৰূপে ইতিমধ্যেই চিহ্নিত হৈছে। তাৎক্ষণিক ঘটনা-পৰিঘটনাৰ বা-বাতৰিৰ লগতে ▸▸ ৬ পৃষ্ঠাত

অতুল চন্দ্ৰ শৰ্মা



যোৱা এটা বছৰে 'অসম-বাৰ্তা' নামৰ অতি উচ্চমানৰ ই-বাতৰি কাকতখনৰ সৈতে এই অভাজন জড়িত হৈ আছোঁ এজন নিয়মীয়া পাঠক হিচাপে, কেতিয়াবা এজন সংবাদ-প্ৰেৰক হিচাপে আৰু শুভচিন্তক হিচাপে। মূলতঃ এজন বাতৰি কাকতকৈ এখন ছপা মাধ্যমৰ হাতৰ মুঠিতে পাব পৰা আৰু পঢ়িব পৰা এই ই-বাতৰি কাকতখন কোনো গুণেও কম নহয়। আমাৰ ▸▸ ৬ পৃষ্ঠাত

### লক্ষ্যত অবিচল 'অসম বাৰ্তা'লৈ অভিনন্দন



নলিনী ৰঞ্জন ভূঞা

অসমৰ সংবাদ জগতৰ ইতিহাসত ৯ জানুৱাৰী এক বিশেষ সফলতাৰ দিন। কাৰণ, ২০২০ চনৰ এই শুভ দিনটোতেই সত্ৰ নগৰী মাজুলীৰ পবিত্ৰ ভূমিত জন্ম ▸▸ ৬ পৃষ্ঠাত

### সংবাদ জগতত সততাৰ ধ্ৰুৱতৰা

নৱজ্যোতি ডেকা

সময়ৰ গতিত এটি এটিকৈ ছয়টি বসন্ত অতিক্ৰম কৰি অহা ৯ জানুৱাৰীত আমাৰ অতি মৰমৰ তথা জনপ্ৰিয় কাকত "অসম বাৰ্তা"ই সপ্তম বৰ্ষত ভৰি দিব। ▸▸ ৬ পৃষ্ঠাত

পদ্ম মৰাণ

### 'অসম বাৰ্তা'ৰো আছে সুকীয়া পৰিচয়



অসমত যিহেতু বহুখিনি অসমীয়া বাতৰি কাকত আছেই তাৰে ভিতৰত এখন গুৰুত্বপূৰ্ণ অসমীয়া বাতৰি কাকত হ'ল অসম বাৰ্তা, যিখন বাতৰি কাকত বৰ্তমান ▸▸ ৬ পৃষ্ঠাত

### 'অসম বাৰ্তা'ৰ সাফল্যৰ ষষ্ঠ বৰ্ষপূৰ্তি উপলক্ষে শুভেচ্ছা

বীৰ্কে বি. থাপা



২০২০ চনৰ ৯ জানুৱাৰী তাৰিখে ঐতিহ্যমণ্ডিত সত্ৰপীঠ তথা নদীদ্বীপ মাজুলীৰ পৰা প্ৰকাশ পোৱা ডিজিটেল সংবাদ-পত্ৰ 'অসম বাৰ্তা'ই এই বছৰৰ ৯ জানুৱাৰী তাৰিখে ▸▸ ৬ পৃষ্ঠাত

### এটি সফল যাত্ৰাৰ খতিয়ান আৰু সম্ভাৱনা

দেৱজিত ৰাজবংশী

গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে সংবাদ মাধ্যমে সমাজ এখনক দিশ-দৰ্শন কৰোৱাত সদায় গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। এই ▸▸ ৬ পৃষ্ঠাত


### সাম্প্ৰতিক সময়ৰ শক্তিশালী কণ্ঠ "অসম বাৰ্তা"




কমলেশ কাঞ্চন

সাম্প্ৰতিক সময়ত সমাজৰ সকলো স্তৰৰ পঢ়ুৱৈৰ মাজত জনপ্ৰিয় হ'বলৈ সক্ষম হৈছে "অসম বাৰ্তা।" জন্মলগ্নৰে পৰা সত্য আৰু নিৰপেক্ষ বাতৰি প্ৰকাশ কৰি "অসম বাৰ্তা"ই সংবাদ জগতত এক সুকীয়া স্থান দখল কৰিছে। ▸▸ ৬ পৃষ্ঠাত

মোহন মৰাণ



অসমৰ আগশাৰীৰ অনলাইন বাতৰি কাকত 'অসম বাৰ্তা'ই পঞ্চম বৰ্ষ অতিক্ৰম কৰি কাইলৈ ৯ জানুৱাৰী, ২০২৬ তাৰিখে ষষ্ঠ বৰ্ষত ভৰি দিব বুলি জানি নথৈ আনন্দিত হৈছোঁহক। বৰ্তমান ডিজিটেল যুগত ছপা বাতৰি কাকতকৈ ▸▸ ৬ পৃষ্ঠাত



### কণকণ শিশুসকলৰ গীত নৃত্যৰে মুখৰিত হ'ব ৰহা

# ১০ জানুৱাৰীত অকণিৰ কবিতা ঘৰ, অসম কেন্দ্ৰীয় সমিতিৰ ৩৩তম্ প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, ৰহা, ৮ জানুৱাৰী ঃ** বৰ্ষ ১৯৯৪ৰ ১ জানুৱাৰীত স্থাপিত ব্যক্তিক্ৰমধৰ্মী শিশু অনুষ্ঠান অকণিৰ কবিতা ঘৰ, অসম কেন্দ্ৰীয় সমিতি, ৰহাৰ ৩৩তম প্ৰতিষ্ঠা দিৱস আৰু সংগীত ২১ তম প্ৰতিষ্ঠা দিৱস এদিনীয়া বিস্তৃত কাৰ্য্যসূচীৰে ৰহা পুৰনা চাৰিআলী স্থিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকা সাংস্কৃতিক মঞ্চত আয়োজনৰ ব্যাপক প্ৰস্তুতি চলাই থকা হৈছে। প্ৰতিষ্ঠা দিৱস সূচাৰু পৰিচালনৰ বাবে অকণিৰ কবিতা ঘৰ, অসম কেন্দ্ৰীয় সমিতিৰ প্ৰধান পৰিচালক অৱনী কুমাৰ শইকীয়া, প্ৰধান সম্পাদক ৰণ্টু মুদৈ সহ মহেন্দ্ৰ কলিতাক সভাপতি, প্ৰবোধ কলিতাক কাৰ্য্যকৰী সভাপতি, শৰৎ ডেকা, মৃদুল হাজৰিকাক উপ সভাপতি হিচাপে লৈ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন সমিতি গঠন কৰা হৈছে। নিৰ্ধাৰিত কাৰ্য্যসূচী অনুসৰি ১০ জানুৱাৰীত পুৱা পতাকা উত্তোলন আৰু বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰাৰ লগতে ১০.৩০ বজাত গিৰিধৰ বৰা সোঁৱৰণী মুকলি চিত্ৰাংকন প্ৰতিযোগিতা, ১১ বজাত আমাৰ গাঁও আমিয়েই সুন্দৰ কৰো আহা শীৰ্ষক মুকলি আড্ডা অনুষ্ঠিত হব। ২ বজাত মোৰো মন যায় শীৰ্ষক কণকণ অকণিহঁতৰ মুকলি সাংস্কৃতিক আৰু কবিতা আবৃত্তিৰ অনুষ্ঠান, ৩ বজাত অকণিৰ কবিতা ঘৰ, সংগীত কাননৰ শিক্ষাৰ্থী সকলৰ মাজত সংগীত প্ৰতিযোগিতা আৰু বিয়লী ৫বজাত নিয়ৰ সনা গধূলি, সংস্কৃতিৰ সুগন্ধি, আমি পাতো ৰঙৰে মেলা শীৰ্ষক বৰ্নাট্য সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব। ৰহা বিধানসভা সমষ্টিৰ বিধায়ক শশীকান্ত দাসে উদ্বোধন কৰিব লগা সাংস্কৃতিক অনুষ্ঠানত মুখ্য অতিথি ৰূপে নগাঁও জিলা আয়ুক্ত দেৱাশিস শৰ্মা, বিশিষ্ট অতিথি ৰূপে ৰহা সমজিলা আয়ুক্ত ড° অংকিতা বৰা, সমজিলা সম আয়ুক্ত জেবিন গুলনাৰ, অনুৰণ মেধি, ৰহা ৰাজহ চক্ৰ ৰ চক্ৰ বিষয়া সুপ্ৰভা ৰয়, ৰহা পৌৰসভাৰ পৌৰপতি বন্তি হাজৰিকা, উপ পৌৰপতি অনিমা দাস, ৰহা সমজিলা আৰক্ষী অধীক্ষক সোণমনি শইকীয়া উপস্থিত থাকিব। উদ্‌যাপন সমিতিয়ে সমূহ ৰাইজৰ উপস্থিতি আৰু সহায় সহযোগিতাৰ কামনা কৰিছে।

# ছমৰীয়াত জৰুৰীকালীন ব্যৱস্থাপনাৰ অনুশীলন সম্পন্ন

**অসম বাৰ্তা, সোণতলী, ৮ জানুৱাৰী ঃ** কামৰূপ জিলাৰ ছমৰীয়াত ছমৰীয়া ৰাজহ চক্ৰ ভিত্তিত অনুষ্ঠিত জৰুৰীকালীন ব্যৱস্থাপনাৰ অনুশীলন ২০২৫-২৬ৰ সফল সামৰণী পৰে। ছমৰীয়া ৰাজহ চক্ৰৰ উদ্যোগত আৰু কামৰূপ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ আৰু অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত তিনিদিনীয়া সজাগতামূলক অনীশূলন কাৰ্যসূচী অনুষ্ঠিত হয়। ছমৰীয়া ৰাজহ চক্ৰৰ দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ ক্ষেত্ৰ বিষয়া ইনজামুল হকৰ তত্ত্বাৱধানত যোৱা ৫ জানুৱাৰীৰ পৰা ৭ জানুৱাৰীলৈ ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ত আয়োজিত জৰুৰীকালীন ব্যৱস্থাপনাৰ বিভিন্ন অনুশীলন কাৰ্যসূচীৰ বুধবাৰে সফল সামৰণি পৰে। সামৰণী উপলক্ষে ছমৰীয়া বজাৰ প্ৰাঙ্গণত গুৱাহাটীৰ প্ৰথম এন ডি আৰ এফ বাহিনীয়ে দিনজোৰাকৈ জৰুৰীকালীন ব্যৱস্থাপনা সন্দৰ্ভত এখন অনুশীলন অনুষ্ঠানৰ আয়োজন কৰে। উল্লেখ্য, ছমৰীয়া বজাৰ সংলগ্ন নদীত বানপানীৰ সময়ত পানীত পৰা ব্যক্তিক কিদৰে উদ্ধাৰ কৰি জীৱন ৰক্ষা কৰিব পাৰি- সেই দিশত বিভিন্ন ক্ৰিয়া-কলাপ ৰাইজৰ আগত প্ৰদৰ্শন কৰে। অনুষ্ঠানটোত কামৰূপ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ প্ৰকল্প বিষয়া ৰাজীৱ দত্ত চৌধুৰী আৰু ছমৰীয়া ৰাজহ চক্ৰৰ চক্ৰ বিষয়া নন্দন নীলোৎপল ভাগৱতীয়ে দূৰ্যোগ-ব্যৱস্থাপনাৰ ওপৰত বিস্তৃত বক্তব্য দাঙি ধৰে। ইয়াৰোপৰি এই অনুশীলন কাৰ্যসূচীত ৰাইজৰ সেৱাত জড়িত এচ ডি আৰ এফ, অগ্নিনিৰ্বাপক বাহিনী, এ পি ডি চি এল, জনস্বাস্থ্য কাৰিকৰী বিভাগ আদিকে ধৰি চৰকাৰৰ প্ৰায় ১৬টা বিভাগৰ বিষয়া-কৰ্মচাৰীসকলৰ লগতে ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ৰ এন এচ এচ গোট আৰু স্বেচ্ছাসেৱী বে-চৰকাৰী সংস্থাই অংশ লয়। ইফালে, ছমৰীয়া আঞ্চলিক মহাবিদ্যালয়ত আয়োজিত জৰুৰীকালীন ব্যৱস্থাপনা অনুশীলন কাৰ্যসূচীৰ অধীনত দুদিনীয়াকৈ বিভিন্ন দূৰ্যোগ বিষয়ৰ এক প্ৰশিক্ষণ কৰ্মশালাও অনুষ্ঠিত কৰে।

# চামগুৰিৰ ভগামুৰত ড্ৰাগছ ভৰ্তি কণ্টেনাৰসহ তিনিজনক আটক

**অসম বাৰ্তা, পুৰণিগুদাম, ৭ জানুৱাৰী ঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে চোৰাং গৰু আৰু ড্ৰাগছৰ বিৰুদ্ধে অভিযান অব্যাহত ৰখা পৰিলক্ষিত হৈছে। দুদিনপূৰ্বে চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে ড্ৰাগছসহ তিনিজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰাৰ পিছত যোৱা নিশা চামগুৰি আৰক্ষী থানাৰ আৰক্ষীয়ে ভগামুৰ অঞ্চলত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই ড্ৰাগছসহ তিনিজন লোকক আটক কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, এক গোপন খবৰৰ ভিত্তিত চামগুৰি আৰক্ষী থানাৰ এটা আৰক্ষীৰ দলে যোৱা নিশা ভগামুৰ অঞ্চলত ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলায়। চামগুৰি আৰক্ষী থানাৰ আৰক্ষীৰ দলটোৱে পৰৱৰ্তী সময়ত ভগামুৰ অঞ্চলৰ ইলিয়াছ আহমেদ নামৰ লোকজনৰ ঘৰত অভিযান চলাই ১৩টা ড্ৰাগছ ভৰ্তি কণ্টেনাৰ জব্দ কৰে। আৰক্ষীৰ দলটোৱে ইলিয়াছ আহমেদৰ লগতে গুলজাৰ হুছেইন (২৬) আৰু নুৰুল ইছলাম (৩০) নামৰ তিনিজন ড্ৰাগছ সৰবৰাহকাৰী আটক কৰে বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে। আৰক্ষীয়ে আটক কৰা ড্ৰাগছ সৰবৰাহকাৰী কেইজনে নিজে ড্ৰাগছ সেৱন কৰাৰ লগতে চামগুৰিৰ বিভিন্ন অঞ্চলত ড্ৰাগছৰ গোপন ব্যৱসায় চলাই আহিছিল বুলি আৰক্ষীৰ এক সূত্ৰই জানিবলৈ দিয়ে।

# অসম চাহ কৰ্মচাৰী সংঘৰ ডিব্ৰুগড় শাখাৰ ৬৩ সংখ্যক ত্ৰি-বাৰ্ষিক অধিৱেশন সম্পন্ন




**স্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৮ জানুৱাৰী ঃ** দেশৰ স্বাধীনতা লাভ কৰাৰ আগতেই চাহ শ্ৰমিক-কৰ্মচাৰী সকলৰ মাজত গঠিত হোৱা সৰ্বপ্ৰথম শ্ৰমিক সংগঠন' অসম চাহ-শ্ৰমিক কৰ্মচাৰী সংঘ' ডিব্ৰুগড় জিলা সমিতিৰ ৬৩ সংখ্যক ত্ৰিবাৰ্ষিক সাধাৰণ সভাখনি সফলতাৰে সম্পন্ন হয়। ডিব্ৰুগড় জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত অধিবেশনখনিৰ পুৱা পুৱা ৯ বজাত সংঘৰ পতাকা উত্তোলন কৰে শাখাৰ স্থায়ী সভাপতি নৱকুমাৰ বৰুৱাই। স্মৃতি তৰ্পণ অনুষ্ঠানৰ আৰম্ভণি কৰে অসম চাহ মজদুৰ সংঘৰ ডিব্ৰুগড় শাখাৰ সম্পাদক নবীন চন্দ্ৰ কেওটে। বিষয়ববীয়া সকলৰদ্বাৰা জুবিন গাৰ্গলৈ শ্ৰদ্ধা জ্ঞাপনৰ পাছতে অনুষ্ঠিত হয় মুকলি সভা। সম্পাদক ৰাতুল কাকতিয়ে আঁতধৰা তথা নৱ কুমাৰ বৰুৱাৰ সভাপতিত্বত অনুষ্ঠিত হোৱা মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বৃহত্তৰ ডিব্ৰুগড় প্ৰেছক্লাবৰ সম্পাদক তথা ডিব্ৰুগড় সাহিত্য সভাৰ সম্পাদক ৰাতুল বুঢ়াগোহাঁইয়ে কয় যে, বৃটিছে স্থাপন কৰি থৈ যোৱা চাহ উদ্যোগ পৰৱৰ্তী সময়ত সমগ্ৰ বিশ্বতে সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে যদিও শেহতীয়াকৈ চাহ উদ্যোগৰ বাবে অশনি সংকেত নামি অহা বিষয়টো উল্লেখ কৰি, ৰাজ্যৰ বিভিন্ন প্ৰান্তত মালিক পক্ষই ষড়যন্ত্ৰ মূলক ভাৱে বাগিচা সমূহক লোকচানৰ সন্মুখীন হোৱাৰ অজুহাত দেখুৱাই খণ্ড-খণ্ডকৈ বিক্ৰী কৰি বহু বাগিচা ধ্বংস কৰা বিষয়ত উদ্বেগ প্ৰকাশ কৰে। তদুপৰি যি সময়ত অসমৰ চাহৰ বিদেশৰ বজাৰত অধিক সমাদৰ আছে, সেই একেসময়তে একাংশ দুস্কৃতিকাৰীয়ে বিদেশৰ চাহৰ নিম্নমানৰ চাহপাতে অসমৰ চাহ উদ্যোগলৈ ভাবুকি কঢ়িয়াই অনা বিষয়ৰ ক্ষেত্ৰত চাহ কৰ্মচাৰী সকলক তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ আহ্বান জনায়। তেওঁ কয় যে, আন্তঃৰাষ্ট্ৰীয় বজাৰত অসমৰ চাহে ফেৰ মাৰিব পৰাকৈ প্ৰতিযোগিতামূলক ভাৱে গুণগত চাহ উৎপাদনত গুৰুত্বপূৰ্ণ ভূমিকা পালনেৰে ৰাজ্যৰ অৰ্থনৈতিক অৱস্থা অধিক শক্তিশালী কৰাৰ ক্ষেত্ৰত অসমৰ চাহ কৰ্মচাৰী সকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। চাহ বাগিচাৰ কৰ্মীসকলৰ অধিকাৰ, সুযোগ-সুবিধা আৰু সমস্যা সমাধানৰ বাবে চাহ উদ্যোগৰ কৰ্মচাৰী সকলক লৈ গঠিত হোৱা প্ৰধান শ্ৰমিক সংগঠন চাহ কৰ্মচাৰী সংঘই অসমৰ বাগিচাৰ সমূহ ৰক্ষণাবেক্ষণৰ ক্ষেত্ৰত সবল ভূমিকা গ্ৰহণ নকৰিলে ২০০ বছৰীয়া অসমৰ চাহৰ ইতিহাস এদিন ইতিহাস হোৱাৰ উপক্ৰম হ'ব বুলি আশংকা ব্যক্ত কৰে। ডিব্ৰুগড় সাহিত্য সভাৰ সভাপতি তথা ডিব্ৰু মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপিকা জ্যোতি বৰগোহাঁইয়ে অসমৰ তেল আৰু চাহ উদ্যোগৰ বিষয়ে উল্লেখ কৰি সাৰগৰ্ভ ভাষণ প্ৰদান কৰি অসমৰ চাহ কৰ্মচাৰী সকলে অসমৰ অৰ্থনীতিলৈ অৱদানেই নহয় অসমৰ ভাষা সাহিত্য, সংস্কৃতি ক্ষেত্ৰখনলৈয়ো বৰঙনি আগবঢ়াই গৈছে। কবি তথা সাংবাদিক ৰশ্মি ৰেখা সাউদ কলিতাই বিজয় চন্দ্ৰ ভাগৱতীয়ে প্ৰতিষ্ঠা কৰি যোৱা অসম চাহ কৰ্মচাৰী সংঘৰ ইতিহাস সন্দৰ্ভত বক্তব্য ৰাখে। মুকলি সভাতে অসম চাহ কৰ্মচাৰী সংঘৰ সম্পাদক হিতেন্দ্ৰ বৰুৱা আৰু অসম চাহ কৰ্মচাৰী সংঘৰ উপ-সভাপতি বিৰেণ অধ্যাপকে বক্তব্য আগবঢ়ায়। মুকলি সভাৰ আৰম্ভণিতে জুলি দত্তৰ নেতৃত্বত উদ্বোধনী গীত আৰু দৰিকা গগৈৰ দ্বাৰা সত্ৰীয়া নৃত্য পৰিৱেশন আৰু শিশু শিল্পী উদয় তেজ হাজৰিকাই এটি গীতেৰে অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে। মুকলি সভাৰ পাছতেই অনুষ্ঠিত হোৱা সাধাৰণ সভাত অসম চাহ কৰ্মচাৰী সংঘই চাহ শ্ৰমিকৰ মজুৰি, অধিকাৰ, ভৱিষ্যনিধি, আৰু অন্যান্য কল্যাণমূলক আঁচনিসমূহ আলোচনা কৰা আৰু চৰকাৰৰ ওচৰত বিভিন্ন দাবী উত্থাপন কৰাৰ বাবে গুৰুত্বপূৰ্ণ প্ৰস্তাৱ গ্ৰহণ কৰে। আনহাতে আগন্তুক তিনি বছৰ কাৰ্যকালৰ বাবে নৱকুমাৰ বৰুৱাক সভাপতি, খগেন দত্ত আৰু সুদেশ নন্দক উপ-সভাপতি, ৰাতুল কাকতিক সম্পাদক আৰু বাসুদেৱ ভট্টাচাৰ্যক কোষাধ্যক্ষ হিচাপে সৰ্বসন্মতিক্ৰমে নিৰ্বাচিত কৰা হয়।

### কুকুৰ সৰবৰাহৰ সৈতে জড়িত পিতৃ, পুত্ৰক আটক

# প্ৰাপ্তি ফাউণ্ডেশ্যনৰ অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ ড° প্ৰাপ্তি ঠাকুৰৰ তৎপৰ ভূমিকা

**স্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৭ জানুৱাৰী ঃ** গোলাঘাটৰ প্ৰাপ্তি ফাউণ্ডেশ্যনৰ অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ, সৰুপথাৰ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰৰ তৎপৰতাত কুকুৰ সৰবৰহৰ সৈতে জড়িত পিতৃ, পুত্ৰক আজি আৰক্ষীয়ে আটক কৰে। এই ঘটনা ঢেকীয়াল আৰক্ষী থানাৰ অন্তৰ্গত বেতিয়নী ডেকা গাঁৱত। উক্ত গাঁওখনৰ মৃদুল বৰা আৰু তেওঁৰ পুত্ৰ দীপজ্যোতি বৰাই কুকুৰ ধৰি বিক্ৰি কৰাৰ সন্দৰ্ভত বিশেষ সূত্ৰে জানিব পাৰি বোকাখাতৰ পশুপ্ৰেমী মুন গগৈয়ে প্ৰাপ্তি ফাউণ্ডেশ্যনৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰক অৱগত কৰে। লগে লগেই তৎপৰতাৰে ড° ঠাকুৰে এই সন্দৰ্ভত আৰক্ষীক অৱগত কৰে। আৰক্ষীয়ে বেতিয়নী ডেকা গাঁৱৰ মৃদুল বৰাৰ ঘৰৰ পৰা মুখ বান্ধি থোৱা অৱস্থাত দুটা কুকুৰ আজি উদ্ধাৰ কৰে। গাঁওখনৰ অমিয়া দুৱৰাই উক্ত কুকুৰ দুটা বান্ধি বিক্ৰি কৰিবলৈ দিয়া বুলি আৰক্ষীৰ আগত স্বীকাৰ কৰিছে। ঢেকীয়াল আৰক্ষীয়ে মৃদুল বৰা আৰু বিশেষভাৱে সক্ষম দীপজ্যোতি বৰাক ইতিমধ্যে আটক কৰিছে। উল্লেখ্য যে, তেওঁলোকে এনেদৰে বিভিন্ন ঠাইৰ পৰা কুকুৰ ধৰি নি সৰবৰাহ কৰা বুলি স্থানীয় ৰাইজে অভিযোগ উত্থাপন কৰে। স্মৰ্তব্য যে, প্ৰাপ্তি ফাউণ্ডেশ্যনৰ অধ্যক্ষ, বিশিষ্ট শিক্ষাবিদ ড° প্ৰাপ্তি ঠাকুৰৰ নেতৃত্বত অনুষ্ঠানটোৱে পদপথৰ কুকুৰকে ধৰি অনাদৃত জীৱ-জন্তুক আশ্ৰয় প্ৰদান কৰি মহানুভৱতা প্ৰদৰ্শন কৰাৰ লগতে বিনামূলীয়া চিকিৎসাৰ ব্যৱস্থা কৰি আহিছে। জীৱ-জন্তুৰ প্ৰতি যিকোনো ধৰণৰ নিৰ্যাতন নাইবা অবৈধ কাৰ্যকলাপৰ খবৰ পোৱাৰ লগে-লগেই তৎপৰ ভূমিকা গ্ৰহণ কৰি আহিছে ফাউণ্ডেশ্যনৰ অধ্যক্ষ ড° প্ৰাপ্তি ঠাকুৰে। প্ৰাপ্তি ফাউণ্ডেশ্যনৰ এনে ভূমিকাৰ ৰাইজে ভূয়সী প্ৰশংসা কৰে।

**LOST**

I have lost my daughter Mehataj Ahmed's original birth certificate bearing Registration no. 1454/2020 dated 20-03-2020 (Date of birth: 01-03-2020, Date of issue: 07-07-2020) under Haibargaon TOP are on 25-12-2025.

Mofidul Islam
Vill: Batamari
P.S.: Batadrava
Dist: Nagaon, Assam

AB-04/2026

# হাজোত কামৰূপ জিলা ৰেফাৰী ব'ৰ্ডৰ দ্বি-বাৰ্ষিক অধিৱেশন

**অসম বাৰ্তা, হাজো, ৭ জানুৱাৰী ঃ** কামৰূপ জিলা ক্ৰীড়া সন্থাৰ অন্তৰ্গত কামৰূপ জিলা ৰেফাৰী ব'ৰ্ডৰ দ্বি-বাৰ্ষিক অধিবেশনখন অহা ১১ জানুৱাৰী, ৰবিবাৰে হাজোত অনুষ্ঠিত কৰা হ'ব। নৱ নিৰ্মিত হাজো ষ্টেডিয়ামৰ সভাকক্ষত অনুষ্ঠিতব্য অধিবেশনৰ কাৰ্যসূচী অনুসৰি সেইদিনা পুৱা ৭ বজাত ৰেফাৰী সকলৰ কৰ্মশালা সমাপ্ত হোৱাৰ পিছতে পুৱা ৯ঃ০০ বজাত ব'ৰ্ডৰ পতাকা উত্তোলন, ৯ঃ২০ বজাত স্মৃতি তৰ্পণ অনুষ্ঠান অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে ৯ঃ৪৫ বজাত বিষয় বাছনি সভা আৰু দিনৰ ১১ঃ৩০ বজাত মুকলি অধিবেশন অনুষ্ঠিত কৰা হ'ব। মুকলি সভাত অসমৰ ভালে সংখ্যক প্ৰাক্তন ৰেফাৰী, ক্ৰীড়া সংগঠকৰ লগতে সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ ৰেফাৰী ইনষ্ট্ৰাকটৰ তথা উত্তৰ-পূৱ মণ্ডলৰ ৰেফাৰী উন্নয়ন বিষয়া মণিপুৰৰ জয়চন্দ্ৰ সিং আৰু মুখ্য অতিথি হিচাপে অসমৰ মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া তথা কামৰূপ জিলা ক্ৰীড়া সন্থাৰ সম্পাদক হেমন্ত চৌধুৰী উপস্থিত থাকিব বুলি জানিবলৈ দিছে কামৰূপ জিলা ৰেফাৰী ব'ৰ্ডৰ অধ্যক্ষ ডাঃ কাৰ্তিক চন্দ্ৰ মেধি আৰু সম্পাদক প্ৰভাত কলিতাই।

**AFFIDAVIT**

Vide an affidavit sworn before the Notary Public at Tinsukia on 13/12/2025, I hereby declare that in my Savings Account of Assam Gramin Vikash Bank, Talap Branch vide AC No. 7393010035510 my name has been recorded as Pelong Muchirai instead of Rosmila Kujur. Both Rosmila Kujur and Pelong Muchirai are the same person having single identity.

Rosmila Kujur
C/O - Muchirai Kujur
R/O - Samguri Gaon (Shirish Line)
P.O. - Talap, Pin - 786156
Dist.- Tinsukia (Assam)

AB-03/2026

# শদিয়া সমজিলাৰ বিভিন্ন শিক্ষানুষ্ঠানত "সুৰক্ষিত শৈশৱ সোণালী অসম" শীৰ্ষক শিশু সুৰক্ষা বিষয়ক ৯০ দিনীয়া সজাগতা অভিযান সম্পন্ন

**স্টাফ ৰিপৰ্টাৰ, তিনিচুকীয়া, ৭ জানুৱাৰী ঃ** শিশুৰ অধিকাৰৰ সুৰক্ষা নিশ্চিত কৰা আৰু তেওঁলোকক সচেতন, দায়িত্বশীল নাগৰিক হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে অসম চৰকাৰৰ মহিলা আৰু শিশু উন্নয়ন বিভাগে আৰম্ভ কৰা "সুৰক্ষিত শৈশৱ সোণালী অসম" শীৰ্ষক শিশুসুৰক্ষা বিষয়ক ৯০ দিনীয়া সজাগতা অভিযান শদিয়া সমজিলাৰ পাঁচখন বিদ্যালয়ত ২০২৫ চনৰ ২২ ডিচেম্বৰৰ পৰা ২০২৬ চনৰ ৫ জানুৱাৰীলৈ সফলতাৰে অনুষ্ঠিত কৰা হয়। এই অভিযান শদিয়া চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়, উজনি শদিয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়, চৈখোৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়, ডাঙৰী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কাকপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। এই কাৰ্যসূচীৰ মুখ্য উদ্দেশ্য আছিল বাল্যবিবাহৰ ক্ষতিকাৰক পৰিণতি আৰু ইয়াৰ আইনী প্ৰভাৱ সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলক সচেতন কৰা। এই কাৰ্যসূচীৰ অধীনত আন্তঃক্ৰিয়াশীল আলোচনা সভা, সচেতনতামূলক বক্তৃতা আৰু মুক্ত মত বিনিময়ৰ আয়োজন কৰা হয়, য'ত শিক্ষা, স্বাস্থ্য আৰু শিশুৰ আইনী অধিকাৰৰ গুৰুত্বৰ ওপৰত বিশেষভাৱে আলোকপাত কৰা হয়। অভিযানটোৰ জৰিয়তে বাল্যবিবাহ, শিশু সৰবৰাহ, নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰ, আদি শিশুৰ স্বাস্থ্য, সুৰক্ষা আৰু সামগ্ৰিক বিকাশৰ বাবে বিপজ্জনক বিষয়সমূহ প্ৰতিৰোধ কৰাৰ ক্ষেত্ৰত সমাজখনক শিক্ষিত, সংলগ্ন আৰু সবল কৰাৰ লক্ষ্য হিচাপে লোৱা হৈছিল। পকচো আইন, বাল্যবিবাহ নিষেধাজ্ঞা আইনসহ বিভিন্ন শিশুসুৰক্ষা আইন আৰু ব্যৱস্থা সম্পৰ্কে তিনিচুকীয়া জিলাৰ শিশু সুৰক্ষা বিষয়া, সংশ্লিষ্ট বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু অন্যান্য সমল ব্যক্তিসকলে বিশদভাৱে ব্যাখ্যা আগবঢ়ায়। শদিয়া সমজিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ বিষয়া-কৰ্মচাৰীৰ উপস্থিতিত অনুষ্ঠিত এই কাৰ্যসূচীয়ে শিশু সুৰক্ষাৰ ক্ষেত্ৰত শক্তিশালী আন্তঃবিভাগীয় অঙ্গীকাৰক প্ৰতিফলিত কৰে। ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্য কৰি শদিয়া সমজিলাৰ আয়ুক্তসহ অসামৰিক আৰু আৰক্ষী প্ৰশাসনৰ বিষয়াসকলে সজাগ, সচেতন আৰু সক্ৰিয় হ'বলৈ আহ্বান জনাই নিজ নিজ সমাজত বাল্যবিবাহ আৰু সংশ্লিষ্ট কু-প্ৰথাসমূহ প্ৰতিৰোধ আৰু ৰোধ কৰাৰ ক্ষেত্ৰত আগভাগ ল'বলৈ অনুপ্ৰাণিত কৰে। ছাত্ৰ-ছাত্ৰীসকলে উৎসাহেৰে অংশগ্ৰহণ কৰি বিভিন্ন প্ৰশ্ন উত্থাপন কৰাৰ লগতে নিজ মতামত ব্যক্ত কৰে আৰু সমল ব্যক্তিসকলৰ সৈতে এক অৰ্থপূৰ্ণ আলোচনাত মিলিত হয়। এই কাৰ্যসূচীয়ে যুৱ মনসমূহক সচেতন কৰা, জ্ঞান বৃদ্ধি কৰা আৰু শিক্ষা, সচেতনতা আৰু আইনী সাক্ষৰতাৰ জৰিয়তে বাল্যবিবাহ নিৰ্মূল কৰাৰ এক সমষ্টিগত সংকল্প দৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। এই উদ্যোগে শিশু আৰু আনৰ অধিকাৰৰ পক্ষে থিয় দিব পৰা এক সুৰক্ষিত, সচেতন আৰু সবল প্ৰজন্ম গঢ়ি তোলাৰ প্ৰতি প্ৰশাসনৰ দৃঢ় অঙ্গীকাৰক আৰু অধিক সুদৃঢ় কৰে।

### প্ৰস্তুতিৰ বুজ ল'লে কেন্দ্ৰীয় সমিতিয়ে

# গোলাঘাটত কলিতা জনগোষ্ঠী সন্মিলনৰ সপ্তদশ দ্বি-বাৰ্ষিক অধিৱেশন

**স্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৭ জানুৱাৰী ঃ** 'কলিতা জনগোষ্ঠী সন্মিলন, অসম'ৰ আগন্তুক জানুৱাৰী মাহৰ ২৩, ২৪ আৰু ২৫ জানুৱাৰীত ঐতিহ্যমণ্ডিত গোলাঘাটৰ হামদৈ পথাৰৰ 'ভগদত্ত ক্ষেত্ৰ'ত অনুষ্ঠিত হ'বলগীয়া সপ্তদশ দ্বি-বাৰ্ষিক কেন্দ্ৰীয় অধিবেশনখনিৰ প্ৰস্তুতিৰ আজি এক পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। ইয়াৰ লগত সংগতি ৰাখি 'কলিতা জনগোষ্ঠী সন্মিলন, অসম'ৰ কেন্দ্ৰীয় সভাপতি ড° সোণেশ্বৰ কলিতাই প্ৰস্তুতিৰ অগ্ৰগতিৰ বুজ ল'বলৈ অধিৱেশনস্থলীত উপস্থিত হয়। বৈঠকখনত গোলাঘাট জিলাৰ সভাপতি, সম্পাদক, উদ্‌যাপন সমিতিৰ সভাপতি আৰু সম্পাদককে ধৰি কেইবাজনো বিষয়ববীয়া উপস্থিত থাকে। সংবাদ মাধ্যমক সম্বোধন কৰি সন্মিলনৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ড° সোণেশ্বৰ কলিতাই অধিৱেশনৰ প্ৰস্তুতিৰ বিষয়ে সন্তুষ্টি প্ৰকাশ কৰে। তেখেতে কলিতাসকলৰ ন্যায্য প্ৰাপ্তিৰ দাবীত পুনৰাই দোহাৰে যে অসমৰ প্ৰাচীন জনগোষ্ঠী কলিতাসকলৰ মাটিৰ অধিকাৰ, ১৮ শতাংশ আসন সংৰক্ষণ, উন্নয়ন পৰিষদলৈ অধিক ধন আবণ্টন আৰু এখনি পূৰ্ণাংগ স্বায়ত্বশাসিত পৰিষদ গঠনৰ দাবীত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিবলৈ সদা প্ৰস্তুত আৰু ইয়াৰ বাবে শদিয়াৰ পৰা ধুবুৰীলৈকে সকলো কলিতা জনগোষ্ঠীৰ লোকক সাজু থাকিবলৈ আহ্বান জনায়। লগতে আগন্তুক অধিৱেশনখনি সাফল্যমণ্ডিত কৰিবলৈ অসমৰ সমূহ ৰাইজক বিনম্ৰতাৰে আহ্বান জনায়।

### ▪ পৰিদৰ্শককে সাক্ষ্য গ্ৰহণ কৰিলে অভিযোগকাৰীৰ ▪

# অভয়াপুৰীক শিক্ষকৰ অশালীন আচৰণৰ ভিডিঅ' ভাইৰেল

**স্টাফ ৰিপৰ্টাৰ, বঙাইগাঁও, ৭ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ বিদ্যালয় এখনৰ শিক্ষক এজনে অঞ্চলটোক লজ্জানত কৰাৰ পাছত বৃহত্তৰ অভয়াপুৰী যৌথ গণমঞ্চ নামৰ সংগঠন এটা জাঙুৰ খাই উঠে। জানিব পৰা মতে ঐতিহ্যমণ্ডিত অভয়েশ্বৰী উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ শিক্ষক আহমেদ আলীৰ এটি অশালীন ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হোৱাৰ বিষয়ে যৌথ গণ মঞ্চই জিলা বিদ্যালয় সমূহৰ পৰিদৰ্শকক লিখিত অভিযোগ দাখিল কৰিছিল। তাৰ পাছতে আজি পৰিদৰ্শকে বিদ্যালয়খনত উপস্থিত হয়। জানিব পৰা মতে শিক্ষক আহমেদ আলীৰ বিৰুদ্ধে বৃহত্তৰ অভয়াপুৰী যৌথ গণ মঞ্চই বঙাইগাঁও জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকক এখন অভিযোগ পত্ৰ দাখিল কৰিছিল। তাৰ পাছতে আজি বিদ্যালয়সমূহৰ পৰিদৰ্শকে বিদ্যালয়খনত উপস্থিত হৈ অভিযোগকাৰীৰ লগতে বিভিন্ন পক্ষৰ সাক্ষ্য গ্ৰহণ কৰে। অভিযোগ পত্ৰত উল্লেখ কৰা মতে শিক্ষক আহমেদ আলীয়ে বিদ্যালয়খনৰ অধ্যক্ষ হিচাৰে দায়িত্বভাৰ ল'বলৈ লোৱাৰ আগমুহূৰ্ততে আলীৰ এক লজ্জাজনক ভিডিঅ'ই অভয়াপুৰী অঞ্চলৰ শৈক্ষিক পৰিৱেশ বিনষ্ট কৰে। অভিযোগ অনুসৰি শিক্ষক আলীয়ে অধ্যক্ষ হিচাৰে দায়িত্ব লোৱাৰ পূৰ্বেই প্ৰতিৱেশীৰ সৈতে কাজিয়া লগাৰ সময়ত খঙত অগ্নিশৰ্মা হৈ পিন্ধি থকা কাপোৰ খুলি অশালীন আচৰণেৰে নিজৰ গোপন অংগ প্ৰদৰ্শনৰ ভিডিঅ' সামাজিক মাধ্যমত ভাইৰেল হৈ পৰে। এই লৈ ৰাইজৰ মাজত প্ৰশ্ন উদয় হয় যে এনে নিম্ন মানসিকতা আৰু অশালীন আচৰণৰ সৈতে জড়িত থকা ব্যক্তি এজনে কেনেকৈ ঐতিহ্যমণ্ডিত বিদ্যালয় এখনৰ মুৰব্বীৰ দায়িত্ব ল'ব পাৰে। তদুপৰি সচেতন নাগৰিক, অভিভাৱক তথা বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীয়ে এনে ব্যক্তিক অধ্যক্ষ হিচাপে নিযুক্তি দিয়া কাৰ্যক গৰিহনা দিয়াৰ লগতে অধ্যক্ষ নিযুক্তি দিয়া কাৰ্য লজ্জাজনক বুলিও পত্ৰত উল্লেখ কৰে। আনপিনে ঘৰুৱা শিক্ষকতা কাৰ্যতো জড়িত শিক্ষক গৰাকীৰ নিযুক্তি শিক্ষা বিভাগে হস্তক্ষেপেৰে বাতিল কৰাৰো দাবী জনায় সংগঠনটোৱে।

# গোলাঘাট জিলাত দুটা বিধানসভা সমষ্টিত আহোম সম্প্ৰদায়ৰ প্ৰাৰ্থী দিবলৈ দাবী টাই আহোম ছাত্ৰ সন্থাৰ

**স্টাফ ৰিপৰ্টাৰ, গোলাঘাট, ৭ জানুৱাৰী ঃ** ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগেই প্ৰতিটো ৰাজনৈতিক দলে তৎপৰতা বৃদ্ধি কৰা পৰিলক্ষিত হৈছে। গোলাঘাট জিলাখনৰ পাঁচটা বিধানসভা সমষ্টিৰ দুটা বিধানসভা সমষ্টিত আহোম সম্প্ৰদায়ৰ প্ৰাৰ্থী দিবলৈ দাবী জনাইছে টাই আহোম ছাত্ৰ সন্থাৰ গোলাঘাট জিলা সমিতিয়ে। গোলাঘাট জিলাৰ খুমটাই আৰু সৰুপথাৰ সমষ্টিত আহোম জনগোষ্ঠীয়ে নিৰ্ণায়ক ভূমিকা পালন কৰে যদিও কোনো এটা ৰাজনৈতিক দলে আহোম জনগোষ্ঠীৰ প্ৰাৰ্থীক প্ৰাৰ্থীত্ব প্ৰদান নকৰে। যাৰ বাবে ২০২৬ৰ বিধানসভা নিৰ্বাচনত গোলাঘাট জিলাৰ দুটা বিধানসভা সমষ্টিত যদি আহোম জনগোষ্ঠীৰ লোকক প্ৰাৰ্থীত্ব প্ৰদান নকৰে তেতিয়া নিৰ্বাচন প্ৰত্যুত্তৰ দিয়াৰ কথা উল্লেখ কৰে সদৌ তাই আহোম ছাত্ৰ সন্থা (আটাছু) কেন্দ্ৰীয় সমিতিৰ মুখ্য প্ৰচাৰ সম্পাদক কৃষ্ণ বৰুৱাই। আটাছু গোলাঘাট জিলা সমিতিৰ সভাপতি পংকজ গগৈয়ে কয় যে পৰিতাপৰ বিষয় সৰুপথাৰ সমষ্টিত আহোম ভোটাৰে নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰি অহাৰ পিছতো আজিলৈকে এজনো আহোম প্ৰাৰ্থী ৰাজনৈতিক দলসমূহে প্ৰক্ষেপ নকৰাটো দুৰ্ভাগ্যজনক। খুমটাই বিধানসভা সমষ্টিত যোৱা কেইবছৰৰ পৰা কোনো দলে আহোম প্ৰাৰ্থী প্ৰদান নকৰি আহোম প্ৰধান খুমটাই বিধানসভা সমষ্টিত আহোমক চৰম অপমান কৰিছে বুলি আমি ভাবিবলৈ বাধ্য হ'ম। আটাছু গোলাঘাট জিলা সমিতিৰ সভাপতি পংকজ গগৈ, যুটীয়া সম্পাদক অংকুৰ কোঁৱৰ আৰু ভাস্কৰজ্যোতি ফুকনৰ স্বাক্ষৰিত এক প্ৰেছ বিবৃতি সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰে।

### ৰঙা গোলাপ আৰু হেলমেটেৰে সম্বৰ্ধনা হেলমেট পৰিধান নকৰা বাইক আৰোহীক

# বিজনীত পথ সুৰক্ষা মাহ কাৰ্যসূচী

**অসম বাৰ্তা, বিজনী, ৭ জানুৱাৰী ঃ** চিৰাং জিলাৰ বিজনীৰ ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দহলাপাৰা টোল প্লাজাত বুধবাৰে ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহ উপলক্ষে এক সজাগতা সভাৰ আয়োজন কৰা হয়। ৰাষ্ট্ৰীয় ঘাইপথ ইনফ্ৰা ট্ৰাষ্টৰ ইষ্টাৰ্ণ প্ৰজেক্ট (প্ৰাইভেট) লিমিটেডৰ উদ্যোগত ১ জানুৱাৰীৰ পৰা ৩১ জানুৱাৰীলৈ মাহজুৰি অনুষ্ঠিত কৰিব লগীয়া ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহৰ "চড়ক সুৰক্ষা, জীৱন ৰক্ষা" মূলমন্ত্ৰ হিচাপে লৈ পথ দুৰ্ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে অনুষ্ঠানত পথ সুৰক্ষাৰ শপত পাঠ কৰোৱা হয়। কাৰ্যসূচীৰ অংশ হিচাবে বিজনী মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি দত্ত অতিথি হিচাপে অংশগ্ৰহণ কৰি পতাকা উত্তোলন কৰাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথত হলমেট বিহীনভাৱে মটৰ চাইকেল চলোৱা আৰোহীক সজাগতা মুলকভাৱে হেলমেট প্ৰদান কৰি ৰঙা গোলাপেৰে সম্বৰ্ধনা জনোৱা হয়। উক্ত কাৰ্যসূচীত বিজনী মহকুমা আৰক্ষী বিষয়া ৰূপজ্যোতি দত্ত, ৰাষ্ট্ৰীয় পথ সুৰক্ষা ইনফ্ৰা ট্ৰাষ্টৰ মুখ্য কাৰ্যালয় দিল্লীৰ মুখ্য অপাৰেশ্যন বিষয়া অৰ্পণ ঘোষ, উপ-প্ৰবন্ধক কণ্টিল গোঁসাই, অসমৰ প্ৰকল্প প্ৰবন্ধক বিবেক চৌধুৰীৰ লগতে কেবাজনো বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

### মহাজাতি গঠনৰ দৃষ্টিভংগী আছিল চুকাফাৰ ঃ ইন্দ্ৰজিৎ বেজবৰুৱা

# ৰণাংগন প্ৰকাশনৰ উদ্যোগত শিক্ষাবিদ শুকুৰাম দাস স্মাৰক বক্তৃতা



**অসম বাৰ্তা, নগাঁও, ৮ জানুৱাৰী ঃ** বিশিষ্ট শিক্ষাবিদ, আইনবিদ, কৰ্কট ৰোগৰ প্ৰাকৃতিক চিকিৎসক নগাঁৱৰ শুকুৰাম দাসৰ চতুৰ্থ চতুৰ্থ বাৰ্ষিক স্মৃতি দিৱস আজি উদ্‌যাপন কৰা হয়। এই উপলক্ষে নগাঁৱৰ ৰণাংগন প্ৰকাশনৰ উদ্যোগত নগাঁও জিলা সাহিত্য সভাৰ কমলাদেৱী টোডী ভৱনত এক স্মাৰক বক্তৃতা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। বিশিষ্ট কবি মদাৰ জ্যোতিয়ে আতধৰা অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত শিক্ষাবিদ শুকুৰাম দাসৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে, নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি ৰতিমোহন নাথে। স্মাৰক বক্তৃতা প্ৰদান অনুষ্ঠান উদ্বোধন কৰে নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নিত্যানন্দ বৰাই। "আঠশ বছৰীয়া অসমীয়া মহাজাতি গঠনত শংকৰদেৱ আৰু চুকাফাৰ অৱদান" শীৰ্ষক স্মাৰক বক্তৃতা প্ৰদান কৰি চামগুৰি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ইন্দ্ৰজিৎ বেজবৰুৱাই প্ৰয়াত শুকুৰাম দাসৰ বিষয়ে উল্লেখ কৰি কয় যে দাস আছিল একেৰাহে শিক্ষাবিদ, আইনবিদ আৰু প্ৰাকৃতিক চিকিৎসক। মানবীয় গুণ থাকিলেহে এজন লোকে এনে কাম কৰিব পাৰে। আঠশ বছৰীয়া অসমীয়া মহাজাতি গঠনৰ কথা উল্লেখ কৰি তেওঁ কয় যে অসমীয়া আমাৰ পৰিচয়। অসম বিভিন্ন জাতি জনগোষ্ঠীৰে পৰিপুৰ্ণ এখন বৈচিত্ৰ্যপূৰ্ণ স্থান। ড বেজবৰুৱাই অসমৰ বিভিন্ন জাতি জনগোষ্ঠীৰ কৃষ্টি-সংস্কৃতিৰ বিষয়ে এক মননশীল ভাষণ প্ৰদান কৰি কয় আহোম স্বৰ্গদেউ সকলে সকলো জাতি-জনগোষ্ঠীৰ বৈচিত্ৰ্যক সন্মান জনাইছিল। যাৰ বাবে বিপদৰ সময়ত এই জাতি-জনগোষ্ঠী সমূহৰ ৰজা সকলে আহোম স্বৰ্গদেউ সকলক সহযোগিতা আগবঢ়াই ছিল। আহোম স্বৰ্গদেউ সকলৰ এই উদাৰ দৃষ্টিভংগীৰ বাবে আহোম সেনাৰ নেতৃত্বত পৰাক্ৰমী মোগলৰ অসম আক্ৰমণ প্ৰতিহত কৰিবলৈ অসম সক্ষম হৈছিল। একেদৰে বৃটিছৰ ৰাজত্ব আৰু মানৰ আক্ৰমণৰ পিছতো অসম লীন যোৱা নাছিল বুলি উল্লেখ কৰি তেওঁ কয় আমি এইসকলৰ পৰা বহুতো শিকিছো। ১২২৮-২০২৮ ৰ সময়ক অসমীয়া মহাজাতি গঠনৰ আঠশ বছৰীয়া ইতিহাস বুলি উল্লেখ কৰি ড° বেজবৰুৱাই কয় যে অসমীয়া মহাজাতি গঠনৰ দৃষ্টিভংগী আছিল চাওলুং চুকাফাৰ। বিভিন্ন জনগোষ্ঠীক সামৰি বিশাল ৰূপলোৱা লুইত-পাটকাই সমাজ-সংস্কৃতি, সভ্যতাৰ পটভূমিত চাওলুং চুকাফাৰ অসম পদাৰ্পন আছিল এক ঐতিহাসিক ক্ৰান্তিলগ্ন। ১২২৮ চনৰ পৰা ধৰিলে চুকাফাৰ বৰ-অসমৰ ঐতিহ্যমণ্ডিত অসমীয়া জাতি গঠন প্ৰক্ৰিয়াই ২০২৮ চনত আঠশ বছৰত ভৰি দিব। লুইত-পাটকাই সভ্যতাত বিকশিত এই আঠশ বছৰীয়া পৰিক্ৰমা আমাৰ সমকালীন প্ৰজন্মৰ বাবে এক ঐতিহাসিক ক্ষণ। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কথা উল্লেখ কৰি ড° বেজবৰুৱাই কয় যে অসমৰ কথাটো আমি গুৰুজনাৰ পৰাই পাও। অসমীয়া মহাজাতিৰ আৰ্হি গুৰুজনাৰ চিন্তাত দেখিছো। আঠশ বছৰৰ পৰিক্ৰমাৰ মাজত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ নৱবৈষ্ণৱ আন্দোলন আৰু সত্ৰীয়া সংস্কৃতিৰ মাজেৰে অসমক সমৃদ্ধ কৰা নামঘৰলৈকে এক আহল-বহল ধ্ৰুপদী সংস্কৃতি সম্পৃক্ত হৈ আছে। এই ধ্ৰুপদী সংস্কৃতিয়ে অসমীয়া সমাজক এক অনন্য মাত্ৰা প্ৰদান কৰিছে বুলি মন্তব্য কৰি তেওঁ অসমৰ সত্ৰ; সভাসমূহৰ সংৰক্ষণ আৰু বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ৰণাংগনৰ সম্পাদক তথা প্ৰয়াত দাসৰ পুত্ৰ মিণ্টু দাসে আদৰণি জনোৱা অনুষ্ঠানত নগাঁও জিলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি থগিত মহন্ত, শিশু সাহিত্যিক ত্ৰৈলোক্য ভট্টাচাৰ্য, অসম সাহিত্য সভাৰ নগাঁও আঞ্চলিক কাৰ্যালয়ৰ সম্পাদক ৰেৱত কুমাৰ হাজৰিকা আৰু প্ৰহ্লাদ মচৰঙে প্ৰয়াত শুকুৰাম দাসৰ জীৱন-দৰ্শনৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক গুৰমাইল সিং, কনক হাজৰিকা, নগাঁও জিলা সাহিত্য সভাৰ সম্পাদক ৰাজীৱ কুমাৰ হাজৰিকা, কবি ত্ৰিদিপ লস্কৰ, বিচিত্ৰ নাৰায়ণ বৰা, প্ৰদীপ শইকীয়া, লক্ষ্মী প্ৰসাদ ডেকা, সাংবাদিক বৈদ্যনাথ সাহনি, ফাইজুৰ ৰহমানৰ লগতে ৰণাংগনৰ পৰিচালন সঞ্চালক সঞ্জীৱ বৰা, সম্পাদক তথা শুকুৰাম দাসৰ জ্যেষ্ঠ বোৱাৰী মানসী দাস আদিয়ে অংশগ্ৰহণ কৰে।

### চিংফৌ ইক'ল'জৰ স্বত্বাধিকাৰ মাঞ্জেলা চিংফৌলৈ গ্ৰাম্য পৰ্যটন বঁটা

# ১০, ১১ আৰু ১২ জানুৱাৰীত অষ্টম সংখ্যক 'ৰসবাৰী পৰ্যটন মেলা-২০২৬'

### জনপ্ৰিয় কণ্ঠশিল্পী মানস ৰবীনক প্ৰদান কৰিব গণশিল্পী ৰাজীৱ শদিয়া সোঁৱৰণী সাংস্কৃতিক বঁটা

**অসম বাৰ্তা বিশেষ, পেঙেৰী, ৮ জানুৱাৰী ঃ** অহা ১০, ১১ আৰু ১২ জানুৱাৰী, ২০২৬ তাৰিখে অনুষ্ঠিত হ'ব অষ্টম সংখ্যক 'ৰসবাৰী পৰ্যটন মেলা -২০২৬'। তিনিচুকীয়া জিলাৰ বৃহত্তৰ ফিল'বাৰী অঞ্চলৰ ইতিহাসে গৰকা দুৱাৰমৰা নৈৰ পাৰৰ তৰাণি সংৰক্ষিত বনাঞ্চলৰ কাষৰ ৰসবাৰী হাঁহখাটী গাঁৱত নতুন চিন্তা-চৰ্চাৰে আৰম্ভ কৰা ৰসবাৰী মেলাই এইবাৰ অষ্টম বৰ্ষত ভৰি দিছে। বাণিজ্য, প্ৰদৰ্শনী, সাংস্কৃতিক আৰু পৰ্যটন উৎসৱ 'ৰসবাৰী পৰ্যটন মেলা, ২০২৬' ত এই বাৰ প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়া সোঁৱৰণী সাংস্কৃতিক বঁটা প্ৰদান কৰিব জনপ্ৰিয় কণ্ঠশিল্পী তথা সাংস্কৃতিক কৰ্মী মানস ৰবীনক। কাৰ্যসূচী অনুসৰি, ১০ আৰু ১১ জানুৱাৰী তাৰিখে পৰ্যটন স্থলীত দিবাৰাত্ৰি অব্যাহত থাকিব বিভিন্ন প্ৰতিযোগিতা আৰু সাংস্কৃতিক কাৰ্যসূচী। উল্লেখ্য যে, ১১ জানুৱাৰীৰ সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক অনুষ্ঠানতেই জনপ্ৰিয় কণ্ঠশিল্পী মানস ৰবীনক প্ৰদান কৰা হ'ব ৰাজীৱ শদিয়া সোঁৱৰণী সাংস্কৃতিক বঁটা। ১২ জানুৱাৰীৰ পুৱা ৯-১৫ বজাত স্থানীয় চিকৰাজান জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ দ্বাৰা চাফাই অভিযানৰ পিছত দুপৰীয়া ১২-৩০ বজাত পৰিৱেশিত হ'ব 'ৰসবাৰী পৰ্যটন মেলা'ৰ থীম ছং। বিয়লি ২ বজাত অনুষ্ঠিত হ'ব 'গ্ৰাম্য পৰ্যটন বঁটা' প্ৰদান অনুষ্ঠান। অনুষ্ঠানটি উদ্বোধন কৰিব মৰাণ স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য অৰুণজ্যোতি মৰাণে। এইবাৰ 'গ্ৰাম্য পৰ্যটন বঁটা' লাভ কৰিছে বিশিষ্ট সমাজসেৱক, 'ফালাপ' নামৰ জৈৱিক চাহ প্ৰস্তুতকাৰী তথা চিংফৌ ইক' ল'জৰ স্বত্বাধিকাৰ মাঞ্জেলা চিংফৌয়ে। বিয়লি ৩ বজাত অনুষ্ঠিত হ'ব বিশেষ সম্বৰ্ধনা অনুষ্ঠান। অনুষ্ঠানত বিশেষভাৱে সম্বৰ্ধিত হ'ব নিৰ্বাচিত শিল্পী, সাহিত্যিক, সাংবাদিক, শিক্ষাবিদ, সমাজকৰ্মী তথা কৃষক বিশেষ। উদযাপন সমিতিৰ উপ-সভাপতি সুৰজিৎ বড়াই সঞ্চালনা কৰিবলগা সম্বৰ্ধনা অনুষ্ঠানটো উদ্বোধন কৰিব বৰডুবি চাহ বাগিছা আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষ বিদ্যুৎ বিকাশ শইকীয়াই। বিয়লি ৪ বজাত ৫০গৰাকী বিহুৱা-বিহুৱতীৰ দ্বাৰা প্ৰদৰ্শিত হ'ব মৰাণ বিহু। অনুষ্ঠানটো উদ্বোধন কৰিব তিনিচুকীয়া জিলা পৰিষদৰ অধ্যক্ষ ভাদেশ্বৰ মৰাণে। সন্ধিয়া ৫ বজাত সম্পন্ন হ'ব লগা সামূহিক বন্তি প্ৰজ্বলন অনুষ্ঠানটিৰ উদ্বোধন কৰিব বিশিষ্ট সমাজসেৱক মূলেন্দ্ৰ মৰাণে। সন্ধিয়া অনুষ্ঠিত হ'ব লগা বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানটিৰ মূল আকৰ্ষণ জনপ্ৰিয় কণ্ঠশিল্পী বিপিন চাউদাঙৰ সঙ্গীতানুষ্ঠান। অনুষ্ঠানটি উদ্বোধন কৰিব অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰে। পৰ্যটন মেলাৰ অনুষ্ঠানসমূহৰ আমন্ত্ৰিত অতিথিসকলৰ ভিতৰত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, পবিত্ৰ মাৰ্ঘেৰিটা, সাংসদ গৌৰৱ গগৈ, অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰূপেশ গোৱালা, ৰাজ্যসভাৰ সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক ডিগবৈৰ সুৰেন ফুকন, মাৰ্ঘেৰিটাৰ বিধায়ক ভাস্কৰ শৰ্মা, শদিয়াৰ বিধায়ক বলিন চেতিয়া, তিনিচুকীয়াৰ বিধায়ক সঞ্জয় কিষাণ, তিনিচুকীয়া জিলা আয়ুক্ত সুমিত ছাত্তাৱন, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক সুৰজিৎ মৰাণ, জাতীয় গণ মঞ্চৰ সভাপতি হিৰণ্য কুমাৰ দহোটীয়া, বিশিষ্ট সমাজকৰ্মী ড° দয়ানন্দ শ্বাহ, সদৌ মৰাণ ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক জয়কান্ত মৰাণ, 'আছু'ৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি প্ৰতীম নেওগ আৰু 'আছা'ৰ তিনিচুকীয়া জিলা সমিতিৰ সভাপতি আলবেট অৰিয়া অন্যতম। ১০ আৰু ১১ জানুৱাৰীত অনুষ্ঠিত হ'ব দিহানাম, মাৰাথন দৌৰ, সৃষ্টিশীল নৃত্য, প্ৰয়াত শিল্পী জুবিন গাৰ্গৰ সংগীত, প্ৰয়াত গণশিল্পী ৰাজীৱ শদিয়া সংগীত, শিশুসকলৰ মিউজিক চেয়াৰ আৰু মহিলা সকলৰ ৰচী টনা প্ৰতিযোগিতা। উল্লেখ্য যে, গণশিল্পী ৰাজীৱ শদিয়াৰ মৃত্যু তিথি উপলক্ষে ১৩ জানুৱাৰীত এক শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰো আয়োজন কৰা হৈছে বুলি 'ৰসবাৰী পৰ্যটন মেলা -২০২৬'ৰ সভাপতি লক্ষণ চাৰিঙীয়া ফুকন, কাৰ্যকৰী সভাপতি টংকেশ্বৰ মৰাণ আৰু সম্পাদক দেৱাশিস হাতীবৰুৱাই জানিবলৈ দিছে।

### স্মাৰক গ্ৰন্থ জ্যোতিষৰ সৌৰভ উন্মোচন

## মৰিগাঁৱত সমাজকৰ্মী প্ৰয়াত জ্যোতিষ ডেকাৰ স্মৃতিচাৰণ সভা

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৭ জানুৱাৰী ঃ** মৰিগাঁৱৰ বিশিষ্ট সমাজকৰ্মী প্ৰয়াত জ্যোতিষ ডেকাৰ এখন স্মৃতিচাৰণ সভা আজি মৰিগাঁৱৰ ন-ভেটিস্থিত তেওঁৰ বাসগৃহত অনুষ্ঠিত কৰা হয়। বিশিষ্ট কবি, সাহিত্যিক জ্যোতিষ বৰ্মনে আঁতধৰা সভাখনৰ আৰম্ভণিতে প্ৰয়াত ডেকাৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে তেওঁৰ পত্নী ভৱানী ডেকাই। এই স্মৃতিচাৰণ সভাতে প্ৰয়াত জ্যোতিষ ডেকাৰ জীৱন আৰু বহুমুখী কৰ্মৰাজিক প্ৰতিফলন কৰি জ্যোতিষ বৰ্মনৰ সম্পাদনাত প্ৰকাশিত জ্যোতিষৰ সৌৰভ শীৰ্ষক এখন স্মাৰক গ্ৰন্থ উন্মোচন কৰে চৰাইবাহী মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ ৰেখামণি বুঢ়াগোহাঁইয়ে। সভাত বিশিষ্ট সমাজকৰ্মী ভদ্ৰেশ্বৰ সেনাপতি, এধান বৰাকে প্ৰমুখ্য কৰি বহুকেইজনে লোকে প্ৰয়াত ডেকাৰ কৰ্মমুখী জীৱনৰ ওপৰত আলোকপাত কৰি স্মৃতিচাৰণ কৰে। উল্লেখ্য যে মৰিগাঁৱৰ বিশিষ্ট সমাজ সেৱক, ক্ৰীড়া সংগঠক জ্যোতিষ ডেকাৰ যোৱা ২৫ ডিচেম্বৰত গুৱাহাটীত চিকিৎসাধীন অৱস্থাত পৰলোক প্ৰাপ্তি ঘটিছিল।

### লোকনিৰ্মাণ গৃহ বিভাগৰ বিশেষ আযুক্ত সচিবৰ সত্ৰ পৰিদৰ্শন

## ন-ৰূপত পুনঃনিৰ্মাণ হ'ব ঐতিহাসিক খটৰা সত্ৰ

**অসম বাৰ্তা, পাথৰিঘাট, ৭ জানুৱাৰী ঃ** দৰঙৰ ঐতিহাসিক মাধৱ গুৰুজনাৰ প্ৰিয় শিষ্য লেচাকোনিয়া গোবিন্দ আতাই ১৫৬৮ খ্ৰীষ্টাব্দত প্ৰতিষ্ঠা কৰা ৪৫৮ বছৰীয়া খটৰা সত্ৰত অসমৰ লোকনিৰ্মাণ গৃহ বিভাগৰ বিশেষ আযুক্ত সচিব গৰাকী আজি উপস্থিত হয়। বিগত বৰ্ষত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পশ্চিম দৰঙ ঐতিহাসিক খটৰা সত্ৰ পৰিদৰ্শন কৰি সত্ৰখনৰ পুনৰ নিৰ্মাণৰ আশ্বাস প্ৰদান কৰিছিল। সেই আশ্বাসৰ আধাৰত আজি লোকনিৰ্মাণ গৃহ বিভাগৰ বিশেষ



আযুক্ত সচিব গৰাকীয়ে সত্ৰখন পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ সময়ত তেও স্থাপত্যবিদে প্ৰস্তুত কৰা সত্ৰৰ পুনৰ নিৰ্মাণৰ আৰ্হি প্ৰদৰ্শন কৰে। উল্লেখ্য যে সত্ৰ খনৰ পুনৰ নিৰ্মাণৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰায় ১১ কৌটি টকা আবণ্টন দিয়ে। আবণ্টিত ধনেৰে সত্ৰখনৰ মনিকুট আৰু কীৰ্তনঘৰৰ পুনৰ নিৰ্মাণ কৰিব। আযুক্ত সচিব গৰাকীৰ সত্ৰ পৰিদৰ্শনৰ সময়ত ছিপাঝাৰৰ বিধায়ক ড° পৰমানন্দ ৰাজবংশীয়ে সংগ দিয়াৰ লগতে সত্ৰ পৰিচলনা সমিতিৰ সম্পাদক গংগা বৈশ্য, কমলা কান্ত ডেকাৰ লগতে বিষয় ববীয়া সকলে সংগ দিয়ে। অসমৰ একমাত্ৰ সত্ৰাধীকাৰ বিহীন সত্ৰখন পৰিচালনা সমিতিৰ দ্বাৰা পৰিচালিত হয়। পৰিচালনা সমিতিখন গণতান্ত্ৰিক ভাবে ৰাইজৰ দ্বাৰা গঠন কৰা হয়। আন এক উল্লেখ যোগ্য কথা হল যে বিগ্ৰহ আৰু গুৰু আসন থকা সত্ৰখন শাক্ত, শৈৱ, বৈষ্ণৱ, লোকৰ মিলন তীৰ্থ খটৰা সত্ৰ।

### সৰিয়হৰ খেতিত ড্ৰোণৰ জৰিয়তে নেনো ইউৰিয়া সাৰ প্ৰয়োগৰ প্ৰদৰ্শনৰ ব্যৱস্থা

# পোতনী কমাৰ গাঁৱত কৃষক প্ৰশিক্ষণ শিবিৰ সম্পন্ন



**অসম বাৰ্তা, নগাঁও, ৮ জানুৱাৰী ঃ** নগাঁও জিলা কৃষি বিভাগৰ সৌজন্যত মধুবন দুগ্ধ উৎপাদক সমবায় সমিতি লিমিটেডৰ সহযোগত আজি পোতনি কমাৰ গাঁৱত এটি কৃষক প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় ভোজ্য তেল আৰু তৈল বীজ অভিযানৰ অধীনত ননৈ কৃষি চক্ৰ এলেকাৰ কমাৰ গাঁও, ঘোগৰ জলাহ, বিহৰী গাঁও, তেলীয়া গাঁৱৰ তিনি শতাধিক কৃষক উপস্থিত থকা এই প্ৰশিক্ষণ শিবিৰত সৰিয়হৰ লগতে মচুৰ মাহৰ আদি দিশত প্ৰশিক্ষণ প্ৰদান কৰে চিলঙনী মাণ্ডলিক গৱেষণা কেন্দ্ৰৰ কৃষি বিজ্ঞানী ড° বিনোদ কলিতা, ড° নৱজ্যোতি ভূএগ আৰু ড° হিৰণ্য দেৱনাথে। এই প্ৰশিক্ষণ শিবিৰত সংশ্লিষ্ট বিভাগৰ বিষয়া সকলে কৃষকসকলৰ লগত তেওঁলোকৰ সমস্যা আৰু ইয়াৰ সমাধানৰ সন্দৰ্ভত আলোচনা কৰে। উক্ত প্ৰশিক্ষণ শিবিৰত নগাঁও জিলা কৃষি বিষয়া নিখিল নাৰায়ন বৰুৱা, নগাঁও মহকুমা কৃষি বিষয়া ক্ৰমে অসীম পাঠক, মফিদুৰ ৰহমান(মৰাপাট), জ্যেষ্ঠ কৃষি উন্নয়ন বিষয়া কল্যাণ গোস্বামী, কৃষি উন্নয়ন বিষয়া মাধুৰ্য হাজৰিকা, কৃষি পৰিদৰ্শক দীপক শইকীয়া, কৃষি সম্প্ৰসাৰণ সহায়ক লাতু শৰ্মা, জ্যোতি হাজৰিকা, গৌৰী শংকৰ নাথ, জ্যেষ্ঠ নাগৰিক ধনীৰাম বৰা, শ্যাম বৰুৱা, শলিয়া শইকীয়া, মধুবন সমবায় সমিতিৰ সভাপতি নন্দেশ্বৰ শইকীয়া, সম্পাদক শৰৎ বৰা, সদস্য ক্ৰমে নগেন শইকীয়া, ভাৰত কাকতি, প্ৰাঞ্জল ভূএগ আদি উপস্থিত থাকে। উক্ত প্ৰশিক্ষণ শিবিৰৰ অন্তত এই আঁচনিৰ অধীনত বৃহত্তৰ অঞ্চলটোত ৰূপায়ণ কৰি থকা প্ৰায় ২০০০ বিঘা সৰিয়হৰ প্ৰদৰ্শনমূলক খেতিত ড্ৰোণৰ জৰিয়তে নেনো ইউৰিয়া সাৰ প্ৰয়োগৰ প্ৰদৰ্শনৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।

## পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৯৬ সংখ্যক জয়ন্তী আৰু শতবৰ্ষ উদ্‌যাপনৰ প্ৰস্তুতি

**অসম বাৰ্তা, পুৰণিগুদাম, ৮ জানুৱাৰী ঃ** নগাঁও জিলাৰ ঐতিহ্যমণ্ডিত পুৰণিগুদামৰ শিক্ষানুষ্ঠান পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৯৬ সংখ্যক জয়ন্তী আৰু শতবৰ্ষ উদযাপনৰ অনুষ্ঠানটি অহা ৯ আৰু ১০ জানুৱাৰীত দুদিনীয়া কাৰ্যসূচীৰে উদ্‌যাপন কৰাৰ প্ৰস্তুতি চলিছে। কাৰ্যসূচী অনুসৰি ৯ জানুৱাৰী পুৱা ১০ বজাত গছপুলি ৰোপণ আৰু চাফাই অভিযান। ১০ জানুৱাৰীৰ পুৱা ১০ বজাত মূল পতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি ফণীন্দ্ৰ নাথ গায়নে আৰু শিক্ষাৰ্থী সন্মিলনৰ পতাকা উত্তোলন কৰিব প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি বিপুল কুমাৰ মজিন্দাৰে। পুৱা ১০-৩০ বজাত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ আৰু সংগীত সূৰ্য জুবিন গাৰ্গৰ লগতে প্ৰয়াত প্ৰতিষ্ঠাপক সভাপতি, অধ্যক্ষ, শিক্ষক-কৰ্মচাৰী আৰু শিক্ষাৰ্থীসকলৰ প্ৰতি শ্ৰদ্ধাঞ্জলি অনুষ্ঠান। পুৱা এঘাৰ বজাত পুৰণিগুদাম পৰীক্ষা কেন্দ্ৰৰ অন্তৰ্গত বিদ্যালয় সমূহৰ ছাত্ৰ-ছাত্ৰীসকলৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। চিত্ৰাংকণ প্ৰতিযোগিতা "ক" শাখা পঞ্চমমান শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীমানলৈ, বিষয় "এখন আদৰ্শ বিদ্যালয়ৰ ছবি"। "খ" শাখা নৱম মানৰ পৰা দ্বাদশমানলৈ বিষয় "পানী প্ৰদূষণ"। প্ৰতিযোগীসকলে ৰং, পেঞ্চিল, ৰবৰ, ব্ৰাছ আদি নিজে আনিব লাগিব। আৰ্ট পেপাৰ সমূহ সমিতিয়ে যোগান ধৰিব। ছাত্ৰ-ছাত্ৰীসকলৰ নাম, বিদ্যালয়ৰ নাম, শ্ৰেণীৰ তালিকা বিদ্যালয়ৰ প্ৰধানৰ দ্বাৰা স্বাক্ষৰিত হ'ব লাগিব। প্ৰতিটো শাখাত বিজয়ীসকলৰ বাবে তিনিটাকৈ পুৰস্কাৰ থাকিব। পুৱা ১১-৩০ বজাত প্ৰাক্তন শিক্ষক আৰু শিক্ষাৰ্থীসকলৰ "অন্তৰংগ আলাপ অনুষ্ঠান" অনুষ্ঠিত হ'ব। উক্ত অনুষ্ঠানটো পৰিচালনা কৰিব প্ৰাক্তন শিক্ষাৰ্থী, সমাজসেৱক তথা প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱাই। পুৰণিগুদাম ৰাধাকান্ত বৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৯৬ সংখ্যক জয়ন্তী আৰু শতবৰ্ষ উদযাপনৰ সকলো কাৰ্যসূচীত ৰাইজৰ সহযোগিতা প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সভাপতি বিপুল কুমাৰ মজিন্দাৰ আৰু সম্পাদক জ্যোতিৰ্ময় গোস্বামীয়ে কামনা কৰিছে।

### বিদ্যুতৰ খুঁটা পৰি এজনৰ মৃত্যু; লগতে এজনৰ অৱস্থা সংকটজনক

# তিনিচুকীয়া বাহাদুৰ চাৰিআলিত অঘটন

**অসম বাৰ্তা, মাকুম, ৮ জানুৱাৰী ঃ** তিনিচুকীয়া জিলাৰ বাহাদুৰ চাৰিআলিত এক ভয়ংকৰ দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাৰ ফলত ঠিকাভিত্তিক হিচাপে বিদ্যুতৰ কাম কৰা শ্ৰমিক এজনৰ মৃত্যু হোৱাৰ লগতে এজনৰ অৱস্থা অতি সংকটজনক। জানিবলৈ পোৱা তথ্য অনুসৰি অসম শক্তি বিতৰণ কোম্পানী লিমিটেড (APDCL)ৰ চাবুৱাৰ ৰূপম বৰুৱা নামৰ ঠিকাদাৰ এজনে চাবুৱাৰ বালিজানৰ পৰা বিদ্যুতৰ কাম কৰিবলৈ কেইবাগৰাকী শ্ৰমিকক তিনিচুকীয়া বাহাদুৰ চাৰি আলিলৈ আনিছিল। ইয়াৰে ভিতৰত দুজন শ্ৰমিকে সন্ধ্যা প্ৰায় ৫ঃ৩০ মান বজাত বিদ্যুতৰ খুঁটা এটা পুতি থাকোঁতে খুঁটাটো শ্ৰমিক দুজনৰ গাত বাগৰি পৰাৰ ফলত দুৰ্ঘটনাটো সংঘটিত হয়। গুৰুতৰ ভাৱে আঘাতপ্ৰাপ্ত হোৱা দুয়োকে কাছমাৰী গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য হৰেন কুৰ্মীৰ লগতে আন শ্ৰমিক সকলৰ সহযোগত মাকুমস্থিত তিনিচুকীয়া চিকিৎসা মহাবিদ্যালয়লৈ বুলি লৈ যোৱা হয় যদিও এজনৰ বাটতে মৃত্যু হয়। আন জনৰ অৱস্থাত সংকটজনক হোৱাৰ হেতুকে ডিব্ৰুগড় অসম চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰা হয়। মৃত্যু হোৱা শ্ৰমিক জনৰ নাম মহেশ বাক্তি(২৭) আৰু চিকিৎসাধীন হৈ থকা শ্ৰমিক জনৰ নাম সুৰেন ভূমিজ(৪৭)। উক্ত ঘটনাটো ঠিকাদাৰ জনৰ চৰম গাফিলিটিৰ বাবে সংঘটিত হোৱা বুলি অভিযোগ তোলাৰ লগতে শ্ৰমিক আইন উলঙ্ঘন কৰি নিৰ্ধাৰিত সময়তকৈ অধিক সময় ধৰি শ্ৰমিক সকলক কামত নিয়োজিত ৰখাৰ বাবে অনুজ্ঞা পত্ৰ বাতিল কৰাৰ লগতে আইনী ব্যৱস্থা গ্ৰহণ কৰি মৃতকৰ পৰিয়াল বৰ্গক ক্ষতি পূৰণ প্ৰদান কৰা আৰু চিকিৎসাধীন হৈ থকা শ্ৰমিক জনক সম্পূৰ্ণ চিকিৎসাৰ খৰচ বহন কৰিবলৈ সংবাদ মাধ্যমৰ যোগেদি জিলা প্ৰশাসনলৈ আহ্বান জনায় দল সংগঠনৰ লগতে আন শ্ৰমিক সকলে।

### নতুন সমিতি গঠন; শ্ৰীমন্ত মণ্ডলক সভাপতি আৰু মহানন্দ ৰায়(গান্ধী)ক সাধাৰণ সম্পাদকৰ দায়িত্ব

# কমতাপুৰ কোঁচ ৰাজবংশী শিল্পী সমাজৰ অষ্টম প্ৰতিষ্ঠা দিৱস প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

**অসম বাৰ্তা, বিশেষ, দোতমা, ৭ জানুৱাৰী ঃ** কমতাপুৰ কোঁচ ৰাজবংশী শিল্পী সমাজৰ প্ৰতিষ্ঠা দিৱসৰ দিনাই পুনৰ শ্ৰীমন্ত মণ্ডলক সভাপতি আৰু মহানন্দ ৰায়(গান্ধী)ক সম্পাদক হিচাপে লৈ নতুন সমিতি গঠন কৰি নতুনত্বৰ চিন্তাধাৰা আৰু সু-শৃংখলভাৱে আগুৱাই যোৱাৰ পণ লয়। উল্লেখযোগ্য যে ২০১৮ চনৰ ৬ জানুৱাৰীত কোকৰাঝাৰ জিলাৰ ঢোলমাৰা অঞ্চলৰ চকচকা বিলৰ কাষত প্ৰতিষ্ঠা লাভ কৰে কামতাপুৰ কোঁচ ৰাজবংশী শিল্পী সমাজ। তেতিয়াৰে পৰাই ঠায়ে-ঠায়ে বিভিন্ন কাৰ্যসূচীৰ উপৰি বিশেষকৈ কোঁচ ৰাজবংশী সমাজলৈ আগবঢ়োৱা অৱদানৰ বাবে জ্যেষ্ঠ শিল্পী সকলক সম্বৰ্ধনা জনাই অহাৰ লগতে কনিষ্ঠ তথা উঠি অহা শিল্পী সকলোকো উৎসাহ-উদ্দীপনা জগাই আহিছে কমতাপুৰ কোঁচ ৰাজবংশী শিল্পী সমাজে। ইয়াৰ উপৰিও কেইবাদিনীয়া কাৰ্যসূচী লৈ বৰ্তমান চতুৰ্থ কামতা মিউজিক ফেষ্টিভেল পাতি কোচ ৰাজবংশী সংস্কৃতিৰক আগুৱাই লোৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে। যোৱা ৬ জানুৱাৰী তাৰিখে উক্ত শিল্পী সমাজৰ অষ্টম প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি আজি পুৰণি সমিতিখন ভঙ্গ কৰি নতুন সমিতিখন গঠন কৰে। বিটিচিৰ সদৰ কোকৰাঝাৰ চহৰৰ নিকটবৰ্তী দিয়াঝিজিৰি গাঁৱৰ তাৰাং নৈৰ পাৰত অনুষ্ঠিত হৈ থকা চতুৰ্থ কামতা মিউজিক ফেষ্টিভেল প্ৰাংগণত অনুষ্ঠিত সভাত শ্ৰীমন্ত মণ্ডলক সভাপতি, ডিজেন্ড কোঁচ, জয়মতী ৰায়, ধনজিত বৰ্মনক উপ সভাপতি, মহানন্দ ৰায়(গান্ধী)ক সাধাৰণ সম্পাদক, ৰিয়ান ৰায় আৰু অমূল্য বৰ্মনক সহকাৰী সম্পাদক, সঞ্জয় ৰায়ক প্ৰচাৰ, শিৱ শেখৰ সিংহ সাংস্কৃতিক, তাপস কোঁচক বিত্ত হিচাপে লৈ ৩১ জনীয়া নতুন সমিতিখন গঠন কৰে। নতুন সমিতিখনে নতুন চিন্তাধাৰাৰে প্ৰতি মাহে-মাহে গুগল মিট, তিনিমাহৰ মূৰত সভা অনুষ্ঠিত কৰাৰ লগতে শিল্পী সমাজৰ ৰেজিষ্ট্ৰেচন, বেংক একাউণ্ট খুলি প্ৰণালীবদ্ধ আৰু গতিশীল কৰি



তোলাৰ লগতে নতুন ৰূপেৰে আগবাঢ়ি যাব বুলি নতুন সমিতিখনৰ সভাপতি শ্ৰীমন্ত মণ্ডলে জানিবলৈ দিয়ে আৰু সকলোৰে সহায়-সহযোগ একান্তভাৱে কামনা কৰে।

## ৰূপহীহাটৰ কোঁচগাঁৱত পথ দুৰ্ঘটনাত চাৰি বছৰীয়া শিশুৰ মৃত্যু

**অসম বাৰ্তা, ৰূপহীহাট, ৮ জানুৱাৰী ঃ** ৰূপহীহাটৰ কোঁচগাঁৱত আজি দুপৰীয়া এক শোকাবহ পথ দুৰ্ঘটনা সংঘটিত হয়। এএছ-৩১-ইআৰ-৩০৪৫ নম্বৰৰ ই-ৰিস্কা আৰু এএছ-০২-এইউ-৬৬৬৪ নম্বৰৰ বাইকৰ মাজত মুখামুখি সংঘৰ্ষৰ ফলত সংঘটিত হয় পথ দুৰ্ঘটনাটি। উক্ত পথ দুৰ্ঘটনাত বাইকত পিতৃৰ সৈতে আগত বহি অহা চাৰিবছৰীয়া মোজাহিদুল ইছলাম নামৰ শিশুটি দূৰত গৈ ছিটিকি পৰি গুৰুতৰভাৱে আহত হয়। আহত শিশুটিক অতি সংকটজনক বাবে চিকিৎসালয়ত ভৰ্তি কৰোৱা হয় যদিও চিকিৎসালয়তে শিশুটিৰ মৃত্যু হয়। ই-ৰিস্কা চালকজনে ভুল দিশৰ পৰা অহাৰ বাবেই আজি এটি দেৱশিশুৰ প্ৰাণ গল। স্থানীয় ৰাইজে ই-ৰিস্কা চালকৰ অতপালিৰ বিৰুদ্ধে ক্ষোভ উজাৰিছে। ঘটনাস্থলীত ৰূপহীহাট আৰক্ষী হৈ তদন্ত আৰম্ভ কৰিছে।

### জব্দ দুখন বাহনৰ লগতে তিনিটা মোবাইল ফোন

# ৰূপহীহাটত বুজন পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ তিনি

**অসম বাৰ্তা, ৰূপহীহাট, ৮ জানুৱাৰী ঃ** ৰূপহীহাটত ড্ৰাগছৰ বিৰুদ্ধে আৰক্ষীৰ মাৰাথন অভিয়ান অব্যাহত আছে। ৰূপহীহাট আৰক্ষী থানাৰ বিষয়া সুৰুজ দত্তই ড্ৰাগছৰ বিৰুদ্ধে য়োৱানিশা আৰু আজি দুপৰীয়া পৃথকে পৃথকে দুটাকৈ অভিয়ান চলায়। আৰক্ষীয়ে প্ৰথমে য়োৱানিশা এক গোপন সূত্ৰৰ পম খেদি ড্ৰাগছৰ বিৰুদ্ধে শিঙিমাৰীত চলায় অভিযান। আৰক্ষীৰ অভিযানত এএছ-০২-কে-১২০২ নম্বৰৰ এখন চাৰিচকীয়া বাহনৰ সৈতে গ্ৰেপ্তাৰ কৰে এজন ড্ৰাগছ সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰীজন হ'ল তেজপুৰ পাঁচমাইলৰ ছাহজাহান আলী। আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰী জনৰ পৰা ২২ টাকৈ ড্ৰাগছভৰ্তি কণ্টেইনাৰ জব্দ কৰে। জব্দকৃত ড্ৰাগছ খিনিৰ ওজন ৩.১০ গ্ৰাম। ড্ৰাগছ সৰবৰাহকাৰীজনে তেজপুৰৰ পৰা ৰূপহী লৈ ড্ৰাগছ বিক্ৰী কৰিবলৈ আহি থাকোঁতেই শিঙিমাৰীত আৰক্ষীৰ জালত পৰে। ৰূপহীহাট আৰক্ষীয়ে ধৃত সৰবৰাহকাৰীজনে ব্যৱহাৰ কৰা এটা চাৰিচকীয়া বাহনৰ লগতে এটা মোবাইল ফোন জব্দ কৰি জেৰা অব্যাহত ৰাখিছে। আনপিনে আজি দুপৰীয়া ৰূপহীহাট আৰক্ষীৰ আন এক অভিযানত বুজন পৰিমাণৰ ড্ৰাগছসহ গ্ৰেপ্তাৰ কৰে দুজন সৰবৰাহকাৰীক। ধৃত সৰবৰাহকাৰী দুজন হল শোণিতপুৰ কছাৰীপামৰ দিলদাৰ হুছেইন আৰু ভোজখোৱা চাপৰিৰ ইমদাদুল হক। এএছ-১২-ডবলিও-৮২৭৯ নম্বৰৰ এখন পালচাৰ বাইকেৰে তেজপুৰৰ পৰা ৰূপহীলৈ ড্ৰাগছ বিক্ৰী কৰিবলৈ আহি থাকোঁতেই শিঙিমাৰীত ৰূপহীহাট আৰক্ষীৰ জালত পৰে। আৰক্ষীয়ে ধৃত সৰবৰাহকাৰী দুজনৰ পৰা ২৪ টাকৈ ড্ৰাগছভৰ্তি কণ্টেইনাৰ জব্দ কৰে। আৰক্ষীয়ে জব্দ কৰা ড্ৰাগছখিনিৰ ওজন ১১.৯৯ গ্ৰাম। ৰূপহীহাট আৰক্ষীয়ে ড্ৰাগছ সৰবৰাহকাৰী দুজনৰ পৰা এটা পালচাৰ বাইক আৰু দুটা মোবাইল ফোন জব্দ কৰি জেৰা অব্যাহত ৰাখিছে।

# মাজুলীৰ ঐতিহ্যমণ্ডিত এলেঙি নৰসিংহ সত্ৰৰ সত্ৰাধিকাৰ, বিশিষ্ট মুখাশিল্পী, সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সাধক কমল চন্দ্ৰ মহন্তৰ পৰলোক

## মাজুলীত শোকৰ ছাঁ

**অসম বাৰ্তা, উজনী মাজুলী, ৮ জানুৱাৰী ঃ** মাজুলীৰ ঐতিহাসিক এলেঙি নৰসিংহ সত্ৰৰ সত্ৰাধিকাৰ, বিশিষ্ট মুখা শিল্পী, সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সাধক কমল চন্দ্ৰ মহন্ত আৰু নাই। কেইবাটাও দশক মাজুলীৰ সমাজ জীৱন তথা জাতীয় জীৱন সমৃদ্ধ কৰি ৰখা কমল চন্দ্ৰ মহন্তই আজি ডিব্ৰুগড়স্থিত অসম চিকিৎসা মহাবিদ্যালয় হস্পিটেলত চিকিৎসাধীন অৱস্থাতে আজি পুৱা ৬ঃ৫০ বজাতউ পৰলোকপ্ৰাপ্তি ঘটে। সনাতনী বৈষ্ণৱ ধৰ্মৰ প্ৰসাৰৰ জৰিয়তে সমাজ সংগঠন কৰা সত্ৰাধিকাৰ গৰাকীয়ে প্ৰায় ৬ মাহ আগত হৃদযন্ত্ৰ বন্ধ হৈ পৰাত মাজুলী আৰু ডিব্ৰুগড়ত চিকিৎসা কৰাই আছিল। কিন্তু কালি সন্ধিয়া পৰাই সত্ৰাধিকাৰ গৰাকীৰ স্বাস্থ্য অধিক অৱনতি ঘটাত পৰিয়ালৰ লোকে মাজুলীৰ পীতাম্বৰ দেৱ গোস্বামী অসামৰিক জিলা চিকিৎসালয়ত উৰ্ত্তি কৰাইছিল যদিও উন্নত চিকিৎসাৰ বাবে অসম চিকিৎসা মহাবিদ্যালয় হস্পিটেললৈ নিবলৈ চিকিৎসকে পৰামৰ্শ দিয়ে। ততাতৈয়াকৈ পৰিয়ালৰ লোকে সত্ৰাধিকাৰ গৰাকীক ডিব্ৰুগড়লৈ নি অসম চিকিৎসা মহাবিদ্যালয়ৰ আই.চি.ইউত ভৰ্তি কৰাই চিকিৎসা প্ৰদান কৰিছিল যদিও আজি পুৱাৰ ভাগত সত্ৰাধিকাৰ গৰাকীৰ চিকিৎসাধীন অৱস্থাতে পৰলোকপ্ৰাপ্তি ঘটে। সত্ৰীয়া সংস্কৃতিৰ একনিষ্ঠ সাধক কমল চন্দ্ৰ মহন্তই মাজুলীৰ বিভিন্ন সামাজিক সমস্যাৰ সমাধানৰ বাবে সজোৰে মাত মাতি অহা এগৰাকী ব্যক্তি আছিল। ১৯৩৮ চনত মাজুলীৰ এলেঙি নৰসিংহ সত্ৰত জন্মগ্ৰহণ কৰি সমাজ সংস্কৃতিলৈ অনবদ্য অৱদান আগবঢ়োৱা কমল চন্দ্ৰ মহন্তই ২০২৫ চনত মাজুলী এলেঙি নৰসিংহ সত্ৰৰ সত্ৰাধিকাৰৰ দায়িত্ব গ্ৰহণ কৰি সত্ৰখন সুচাৰুৰূপে পৰিচালনা কৰিছোল। সত্ৰাধিকাৰ গৰাকীয়ে মুখা শিল্পৰ জৰিয়তে মুখাক জগত সভাত জিলিকাই তোলাৰ লগতে তেখেতে নিৰ্মাণ কৰা গুৰু আসন অসমৰ বিভিন্ন জিলাৰ নামঘৰ সমূহত প্ৰতিষ্ঠা হৈ আছে। সত্ৰাধিকাৰ কমল চন্দ্ৰ মহন্ত মাজুলীৰ বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠানৰে জড়িত হৈ সমাজ জীৱনৰ লগত সংপৃক্ত হৈ পৰিছিল। তাৎপৰ্যপূৰ্ণভাৱে মাজুলীৰ মিচিং জনগোষ্ঠীৰ লোকসকলক দীক্ষা প্ৰদান কৰি বৈষ্ণৱীকৰণ কৰাৰ লগতে মিচিং অধ্যোশিত গাঁও সমূহত অংকীয়া ভাওনা আৰু বৰগীতৰ প্ৰশিক্ষণ প্ৰদান কৰিছিল। পৰিতাপৰ বিষয় যে আজীৱন সত্ৰীয়া সংস্কৃতিৰ লগত জড়িত হৈ কৃষ্টি সংস্কৃতিক জিলিকাই তুলিবলৈ সক্ষম হোৱা সত্ৰাধিকাৰ গৰাকীয়ে লাভ নকৰিলে অসম চৰকাৰ শিল্পী পেঞ্চন। ইফালে অসম চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হোৱা সত্ৰাধিকাৰ গৰাকীৰ নশ্বৰদেহ ডিব্ৰুগড়ৰ পৰা নিজ গৃহলৈ অনাৰ পিছতে মহন্তৰ অগণন গুণমুগ্ধ, শিষ্য-প্ৰশিষ্যই আহি বাসগৃহত শেষ শ্ৰদ্ধা জনায়। ইয়াৰ পিছতেই সত্ৰীয়া পৰম্পৰাৰে সত্ৰাধিকাৰ গৰাকীৰ অন্তিম সংস্কাৰ সম্পন্ন কৰে। ইফালে সত্ৰাধিকাৰ গৰাকী মৃত্যুত মাজুলীত গভীৰ শোকৰ ছাঁ পৰা পৰিলক্ষিত হৈছে। সত্ৰাধিকাৰ গৰাকীৰ মৃত্যুত ক্ৰমে মাজুলীৰ বিধায়ক ভুবন গাম, যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ, সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা, মাজুলী জিলা বিজেপি, মাজুলী জিলা অসম গণ পৰিষদ, ৰাইজৰ দল মাজুলী জিলা, অসম জাতীয় পৰিষদ মাজুলী জিলা, ভাৰতীয় জনতা পাৰ্টী ৰাজ্যিক সম্পাদক বিতোপন দলে, মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া, মাজুলী জিলা সত্ৰ মহাসভা, অভয়পুৰ নৰসিংহ সত্ৰ ভাস্কৰজ্যোতি ক্লাৱ, অভয়পুৰ, নৰসিংহ সত্ৰ গাঁও উন্নয়ন সমিতি, অভয়পুৰ নৰসিংহ সত্ৰ ভাস্কৰজ্যোতি মহিলা সমিতি, মাজুলী জিলা আপকু, মাজুলী জিলা সাংবাদিক সন্থা, সদৌ মাজুলী জিলা ছাত্ৰ সন্থা, মাজুলী জিলা যুৱ ছাত্ৰ পৰিষদ, ভাৰতীয় জনতা পাৰ্টীৰ মাজুলী জিলা সমিতিৰ সভাপতি দীপক গোস্বামী, , মাজুলী জিলা ছাত্ৰ মুক্তি সংগ্ৰাম সমিতি, মাজুলী জিলা কোঁচ ৰাজবংশী ছাত্ৰ সন্থা, মাজুলী জিলা চুতীয়া ছাত্ৰ সন্থা, ১১২ নং নৰসিংহ সত্ৰ প্ৰাথমিক বিদ্যালয়, ভকতি দুৱাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, পদ্মশ্ৰী মধ্য ইংৰাজী বিদ্যালয়, লগতে বিভিন্ন অনুষ্ঠান প্ৰতিষ্ঠান, ব্যক্তিয়ে গভীৰ শোক প্ৰকাশ কৰিছে। ৮৭ বছৰ বয়সত ইহলীলা সম্বৰণ কৰা সত্ৰাধিকাৰ কমল চন্দ্ৰ মহন্তই মৃত্যুৰ সময়ত পত্নী, এগৰাকী বিবাহিতা জীয়ৰী, জোৱাই, ভাতৃ, ভতিজা, নাতি-নাতিনী সহ এটা বৃহৎ পৰিয়ালক এৰি যায়।

কিশোৰীক যৌন আতিশয্য ৬০ বছৰীয়া বৃদ্ধৰ; অভিযুক্ত আলেব ভূঞাৰ বাসগৃহত অগ্নিসংযোগ উত্তেজিত জনতাৰ

# বৰপেটাৰ বাটগাঁৱৰ নয়াপাৰাত কিশোৰীক যৌন আতিশয্যৰ ঘটনা

**অসম বাৰ্তা, চেঙা , ৮ জানুৱাৰী ঃ** বৰপেটা জিলাৰ তাৰাবাৰী থানাৰ অন্তৰ্গত বাটগাঁৱৰ নয়াপাৰাত সংঘটিত হৈছে মানৱ সমাজক লজ্জানত কৰা এক জঘন্য ঘটনা। হিন্দু সম্প্ৰদায়ৰ ১৩ বছৰীয়া এগৰাকী কিশোৰীক ৬০ বছৰীয়া এগৰাকী মুছলমান সম্প্ৰদায়ৰ বৃদ্ধই বলপূৰ্বকভাৱে যৌন আতিশয্য চলোৱাৰ ঘটনা সংঘটিত হৈছে। ঘটনাৰ বিৱৰণী মতে, ভুক্তভোগী কিশোৰীগৰাকীৰ ঘৰত কোনো নথকাৰ সুযোগ গ্ৰহণ কৰি কালি আবেলি প্ৰায় ৪ মান বজাত কিশোৰীগৰাকীৰ বাসগৃহলৈ গৈ কিশোৰীগৰাকীৰ মুখত সোপা দি অভিযুক্ত আলেব ভূঞাই যৌন আতিশয্য চলোৱাৰ অভিযোগ উত্থাপন হৈছে। জঘন্য ঘটনাটো পোহৰলৈ অহাৰ পাছতেই সন্ধিয়া উক্ত ঘটনাক কেন্দ্ৰ কৰি এক উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। উত্তেজিত জনতাই অভিযুক্ত আলেব ভূঞাৰ এটা ঘৰত অগ্নিসংযোগ কৰে। ঘটনাৰ খবৰ লাভ কৰাৰ লগে লগেই তাৰাবাৰী আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সঞ্জয় কুমাৰ ৰয়ৰ নেতৃত্বত আৰক্ষীৰ এটি দল আৰু বৰপেটা জিলাৰ সদৰ উপ আৰক্ষী অধীক্ষক জিতেশ বৰ্মন ঘটনাস্থলীত উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে যদিও অঞ্চলটোত এতিয়াও চেপা উত্তেজনাই বিৰাজ কৰি আছে। অগ্নিনিৰ্বাপক বাহিনী ঘটনাস্থলীত উপস্থিত হৈ আৰক্ষীৰ সহযোগত জুই নিৰ্বাপণ কৰিবলৈ সক্ষম হয়। জঘন্য কাণ্ড সংঘটিত কৰা অভিযুক্ত আলেব ভূঞাক আৰক্ষীয়ে নিশা প্ৰায় ১২মান বজাত আটক কৰি বৰপেটা সদৰ থানালৈ লৈ গৈ জেৰা অব্যাহত ৰাখে। অভিযুক্ত আলেব ভূঞাই ঘৰৰ ওচৰতে লুকাই থকা অৱস্থাত তাৰাবাৰী আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। উক্ত বিষয়টোৰ ওপৰত সম্পূৰ্ণৰূপে তদাৰক কৰে বৰপেটা জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুশান্ত বিশ্ব শৰ্মাই। অভিযুক্ত আলেব ভূঞাৰ ঘৰ মটাবড়ীত বুলি জানিব পৰা গৈছে। প্ৰায় এবছৰ পূৰ্বৰ পৰাই লম্পট আলেব ভূঞাই কিশোৰীগৰাকীক অশ্লীল ইংগিত দি আহিছিল বুলিও অভিযোগ উত্থাপন হৈছে। ভুক্তভোগী কিশোৰীগৰাকীৰ ওচৰতেই ঘৰ অভিযুক্ত আলেব ভূঞাৰ। ভুক্তভোগী কিশোৰীগৰাকীৰ পৰিয়ালৰ লোকে অভিযুক্ত আলেব ভূঞাৰ বিৰুদ্ধে তাৰাবাৰী আৰক্ষী থানাত গোচৰ দাখিল কৰিছে। অভিযুক্ত আলেব ভূঞাৰ বিৰুদ্ধে তাৰাবাৰী থানাত ৪/২০২৬ নম্বৰত গোচৰ আৰু বিএনএচ আইনৰ ৬৫(১)/৭৮ ধাৰাৰ অধীনত আৰু পোকচো আইনৰ পোকচো-৪ ধাৰাত গোচৰ ৰুজু কৰা হৈছে বুলি জানিব পৰা গৈছে। অভিযুক্ত আলেব ভূঞাক আজি মহামান্য আদালতত হাজিৰ কৰোৱা হয় বুলি জানিবলৈ দিয়ে তদন্তকাৰী বিষয়া মহিলা উপ পৰিদৰ্শক ময়ূৰী শৰ্মাই। লম্পট আলেব ভূঞাক ফাঁচী দিবলৈ আৰক্ষী প্ৰশাসনৰ ওচৰত দাবী উত্থাপন কৰে স্থানীয় ৰাইজে। উল্লেখ্য যে আজিও অঞ্চলটোত এক চেপা উত্তেজনাই বিৰাজ কৰি আছে যদিও আৰক্ষী প্ৰশাসনৰ তৰফৰ পৰা বৰপেটা জিলাৰ সদৰ উপ আৰক্ষী অধীক্ষক জিতেশ বৰ্মনে সকলো পক্ষকে শান্তি শৃংখলা বজাই ৰাখি তদন্ত প্ৰক্ৰিয়াত আৰক্ষীক সহযোগ কৰিবলৈ আহ্বান জনায়।

# নলবাৰী জিলা কাৰাগাৰত আইন সজাগতা সভা সম্পন্ন

**ষ্টাফ ৰিপৰ্টাৰ, অসম বাৰ্তা, ৮ জানুৱাৰী ঃ** নলবাৰী জিলা কাৰাগাৰত নলবাৰী জিলা আইন প্ৰাধিকাৰীৰ উদ্যোগত আৰু চেণ্ট্ৰেল বেংক অফ ইণ্ডিয়াৰ সহযোগত বৃহস্পতিবাৰে নলবাৰী জিলা কাৰাগাৰৰ মহিলা চেলত এখন আইন সজাগতা আৰু কম্বল বিতৰন সভা অনুষ্ঠিত হৈ যায়। উক্ত সভাত সভাপতিত্ব কৰে নলবাৰী জিলাৰ জিলা ও সত্ৰ ন্যায়াধীশ তথা নলবাৰী জলা আইন সেৱা প্ৰাধিকাৰীৰ অধ্যক্ষ মল্লিকা দত্তই। উক্ত সজাগতামূলক অনুষ্ঠানটোত উপস্থিত থাকে নলবাৰী জিলা আইন সেৱা প্ৰাধিকৰনৰ সচিব জুৰি দত্ত, চেণ্ট্ৰেল বেংকৰ আঞ্চলিক প্ৰবন্ধক সুদিপ কুমাৰ, নলবাৰী শাখাৰ শাখা প্ৰবন্ধক প্ৰিয়ঙ্কা সিং, জিলা আইন সেৱাৰ পেনেল অধিবক্তা চন্দন মালাকৰ আৰু সহকাৰী কাৰাগাৰ বিষয়া দিগন্ত দাস। নলবাৰী জিলা আইন সেৱা প্ৰাধিকৰনৰ সচিব জুৰি দত্তই আঁতধৰা অনুষ্ঠানটোত নলবাৰী জিলা আৰু সত্ৰ ন্যায়াধীশ মল্লিকা দত্তই কয় যে মানুহে তেওঁৰ জীৱন কালত কৰা বেয়া কামৰ বাবে শাস্তি ভোগ কৰিব লগা হয়। আমি মানুহে কৰা বেয়া কামকহে ঘিণ কৰিব লাগে মানুহজনক নহয়। ইয়াৰ লগতে কয়দী সকলক কাৰাগাৰৰ ভিতৰত সদায় ৰাতিপুৱা গধূলী নিজৰ নিজৰ উপাসনা ইশ্বৰক আৰাধনা কৰি ভৱিষ্যতে একো একোজন সুনাগৰিক হব পাৰে তাৰ চেষ্টা কৰাৰ উপদেশ আগবঢ়ায়। চেণ্ট্ৰেল বেংক অফ ইণ্ডিয়াই অকল বিত্তীয় লেনদেনতে নিজকে সীমাবদ্ধ নাৰাখি বৰ্তমান প্ৰচণ্ড শীতৰ প্ৰকোপৰ পৰা ৰক্ষা পোৱাৰ উদ্দেশ্য নলবাৰী জিলা কাৰাগাৰৰ মহিলা কয়দী সকলৰ মাজত একোখনকৈ কম্বল বিতৰন কৰে আৰু সমাজৰ প্ৰতি থকা তেওঁলোকৰ দায়বদ্ধতাৰ প্ৰমাণ দিয়ে। সভাত চেণ্ট্ৰেল বেংক অফ ইণ্ডিয়াৰহৈ ভাষণ ৰাখে সুদিপ কুমাৰ আৰু প্ৰিয়ঙ্কা সিংয়ে। ইয়াৰ লগতে ভৱিষ্যতেও বেংকৰ ফালৰ পৰা ৰাইজক সহায় সহযোগ কৰিব বুলি প্ৰতিশ্ৰুতি আগবঢ়ায়। সভাৰ শেষত শলাগৰ শৰাই আগবঢাই নলবাৰী জিলা আইন সেৱা প্ৰাধিকৰনৰ সচিব জুৰি দত্তই। সভাত জিলা আৰু সত্ৰ ন্যায়াধীশে চেণ্ট্ৰেল বেংকৰ এনেকুৱা জনহিতকৰ কৰ্মৰ বাবে শলাগ লয়।

বিশ্বদৰবাৰলৈ বাগুৰুম্বা নৃত্য

# নগাঁৱত বাগুৰুম্বা নৃত্যৰ অনুশীলন

**অসম বাৰ্তা, নগাঁও, ৮ জানুৱাৰী ঃ** অহা ১৭ জানুৱাৰীত গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত আয়োজিত বিশেষ এক অনুষ্ঠানত অসমৰ বাগুৰুম্বা নৃত্য প্ৰদৰ্শন কৰি বিশ্ব অভিলেখ গঢ়াৰ বাবে সমগ্ৰ ৰাজ্যতে এক উৎসৱমুখৰ পৰিৱেশৰ সৃষ্টি হৈছে। য'ত উপস্থিত থাকিব ভাৰতবৰ্ষৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। ইতিমধ্যে এই বাগুৰুম্বা নৃত্য প্ৰদৰ্শনৰ বাবে ৰাজ্যৰ প্ৰান্তে-প্ৰান্তে ইয়াৰ বাবে প্ৰস্তুতি চলাই আছে। ইয়াৰ অংশস্বৰূপে আজিৰে পৰা তিনিদিনীয়াকৈ নগাঁও চহৰৰ আৰক্ষী ছাউনীৰ খেলপথাৰত জিলাখনৰ ৩২৮গৰাকী নৃত্য শিল্পী আৰু ১৪ গৰাকী বাদ্য বাদক লৈ বাগুৰুম্বা নৃত্যৰ অনুশীলন কৰা পৰিলক্ষিত হৈছে। জিলাখনৰ ৰূপহীহাট, ৰহা, চামগুৰি, কঠীয়াতলিৰ লগতে হোজাই জিলা আৰু হামৰেণৰ শিল্পী সকলে অংশগ্ৰহণ কৰে। আজি দুপৰীয়া ভাগত এই অনুশীলনস্থলীত নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা আৰু জিলা আয়ুক্ত দেৱাশিস শৰ্মা উপস্থিত হৈ শিল্পী সকলক উৎসাহিত কৰে।

ছয় জনগোষ্ঠীৰ জনজাতিকৰণ নহ'লে দিছপুৰ যাত্ৰা সম্ভৱ নহ'ব বিজেপিৰ

# থৰকাচুটি হেৰুৱাই বিভিন্ন আঁচনি প্ৰৱৰ্তনৰ ধুমধাম লগাইছে শাসকীয় বিজেপি দলে

**ষ্টাফ ৰিপ'টাৰ, বঙাইগাঁও, ৮ জানুৱাৰী ঃ** ২০২৬ চনৰ সমাগত বিধানসভা নিৰ্বাচনৰ পূৰ্বেই যেন শংকিত হৈ পৰিছে শাসকীয় দল ভাৰতীয় জনতা পাৰ্টী। এনে পৰিপ্ৰেক্ষিততেই বিজেপিয়ে থৰকাচুটি হেৰুৱাই বিভিন্ন আঁচনিৰ প্ৰৱৰ্তনৰ ধূম-ধাম লগাইছে-এই মন্তব্য আন্তঃৰাষ্ট্ৰীয় কোচ-ৰাজবংশী সংস্থাৰ সভাপতি ভদ্ৰেশ্বৰ বৰ্মনৰ। বৰ্মনে এক প্ৰেছ বিবৃতিত উল্লেখ কৰে যে, বিজেপি দলে বুজি উঠিছে যে, ড° জুবিন গাৰ্গৰ হত্যাৰ ন্যায়, ছয় জনগোষ্ঠীৰ জনজাতিকৰণ, খিলঞ্জীয়াৰ ভূমি পট্টাকে ধৰি কেবাটাও কাৰণত বিজেপি দলৰ ভেটি থৰক-বৰক হৈছে। যাৰ বাবে শংকিত দলটোৱে আগতীয়াভাৱে আৰম্ভ কৰিছে নিৰ্বাচনী প্ৰচাৰ অভিযান। শংকিত হোৱাৰ বাবে দলটোৱে ইতিমধ্যেই বাজহুৱা স্থানত দেৱালসমূহ নিৰ্বাচনী শ্লোগান লিখি ভৰাই তুলিছে। যাতে আন দলৰ প্ৰচাৰ অভিযান স্তিমিত কৰিব পাৰে। বৰ্মনে আকৌ উল্লেখ কৰে যে, ৰাজহুৱা দেৱালসমূহ কোনো ৰাজনৈতিক দলৰ স্বাৰ্থত ব্যৱহাৰ কৰিব নোৱাৰে যদিও ক্ষমতাৰ অপব্যৱহাৰ কৰি দেৱাল লিখন কাৰ্য্যসূচী চলাই গৈছে কিন্তু এনে কাৰ্য গ্ৰহণযোগ্য নহয়। তদুপৰি প্ৰশ্ন উত্থাপন কৰি বৰ্মনে কয় যে, বিজেপি দল যদি নিৰ্বাচনী যুঁজৰ বাবে আত্মবিশ্বাসী তেনেহ'লে এনেধৰণৰ পন্থা গ্ৰহণ কৰাটো গ্ৰহণযোগ্য নে? মন কৰিবলগীয়া যে, অসমীয়া জাতি স্বাভিমানী, আত্মসন্মানৰ অধিকাৰী, পৰাপক্ষত আনৰ ওচৰত হাত পাতি পৰনিৰ্ভৰশীল নহয়। তদুপৰি বৰ্মনে কয় যে, অসমীয়া মহিলাসকলো উদ্যমী, সাহসী, বয়ন শিল্পকে ধৰি বিভিন্ন ক্ষেত্ৰত আত্মনিয়োজিত হৈ আহিছে অতীজৰে পৰা। অসমীয়া মহিলাসকলৰ মাজৰ পৰাই জন্ম পাইছে সতী জয়মতী, কনকলতা, মূলাগাভৰুৰ দৰে বীৰাঙ্গনা। তেনে ক্ষেত্ৰত বিজেপি চৰকাৰে পৰোক্ষভাৱে ভোট ক্ৰয়ৰ স্বাৰ্থতে সামান্য ধন দি ৰাজ্যৰ মহিলাসকলৰ প্ৰতি কেনে ধাৰণা দিব বিচাৰিছে বুলিও প্ৰশ্ন উত্থাপন কৰে। বিবৃতিত বৰ্মনে আকৌ উল্লেখ কৰে যে, অসমবাসীৰ হাৰ্টথ্ৰব জুবিন গাৰ্গক কেতিয়া ন্যায় দিব এই লৈও চৰকাৰলৈ হাজাৰ প্ৰশ্ন অসমবাসীৰ। আনপিনে ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বাবে অসমৰ ইমূৰৰ পৰা সিমূৰলৈ আন্দোলন কৰি আছে ছয় জনগোষ্ঠীৰ লোক, ভোটাৰ তালিকাৰ বিশেষ সংশোধনী চমুকৈ এছআইআৰ বিষয়টোও বিসংগতি ঘটা কাৰ্যক লৈ থৰকাচুটি হেৰুৱাইছে শাসনাধিষ্ঠিত বিজেপি চৰকাৰখনে। ছয় জনগোষ্ঠীৰ প্ৰতিনিধিসকলক বিভিন্ন আশ্বাস, প্ৰতিশ্ৰুতি দিছে যদিও নিৰ্বাচনৰ পূৰ্বে, ছয় জনজাতিকৰণ নহ'লে চৰকাৰখনে নিস্তাৰ নাপাব এই কথা বুজি উঠিছে। এনে অৱস্থাত দলটোৱে ক্ষমতালৈ অহাৰ স্বাৰ্থত বক্ৰপথ গ্ৰহণ কৰিব পাৰে বুলি সম্ভাৱনা ব্যক্ত কৰে বৰ্মনে।

# বিশ্ব দৰবাৰত বড়োসকলৰ বাগৰুম্বা নৃত্য প্ৰতিষ্ঠাৰ লক্ষ্যৰে ঢেকীয়াজুলিত প্ৰশিক্ষণ শিবিৰৰ শুভাৰম্ভ

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৮ জানুৱাৰী ঃ** বিশ্ব দৰবাৰত বড়ো জনগোষ্ঠীৰ ঐতিহ্যমণ্ডিত বাগৰুম্বা নৃত্যক প্ৰতিষ্ঠা কৰাৰ মহান উদ্দেশ্যৰে ঢেকীয়াজুলিত আজিৰ পৰা আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হৈছে এক বিশেষ প্ৰশিক্ষণ শিবিৰ। উল্লেখযোগ্য যে অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আগন্তুক ১৭ জানুৱাৰী ২০২৬ তাৰিখে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত এক বৃহৎ মেগা বাগৰুম্বা নৃত্য অনুষ্ঠান অনুষ্ঠিত হ'ব। উক্ত ঐতিহাসিক অনুষ্ঠানৰ সফল ৰূপায়ণৰ বাবে ৰাজ্যজুৰি চলা প্ৰস্তুতিৰ অংশস্বৰূপেই ঢেকীয়াজুলিত এই প্ৰশিক্ষণ শিবিৰৰ আয়োজন কৰা হৈছে। আজি অনুষ্ঠিত হোৱা প্ৰশিক্ষণ শিবিৰৰ শুভাৰম্ভ অনুষ্ঠানত উপস্থিত থাকে ঢেকীয়াজুলি সম-জিলাৰ সহকাৰী আয়ুক্ত সৃষ্টি কলিতা, ঠেলামৰা সম-জিলাৰ সহকাৰী আয়ুক্তৰ জানে আলম, শোণিতপুৰ জিলাৰ ক্ৰীড়া বিষয়া প্ৰাঞ্জল দিহিঙীয়া। তদুপৰি হাৰিমৌ আফাদৰ শোণিতপুৰ জিলাৰ সভাপতি গনক বড়ো, হাৰিমৌ আফাদৰ কেন্দ্ৰীয় সম্পাদক জনস্মিক নাৰ্জাৰী, বাগৰুম্বা নৃত্যৰ অভিজ্ঞ মাষ্টৰ ট্ৰেইনাৰসকলৰ লগতে বহু সংখ্যক বিশিষ্ট ব্যক্তি অনুষ্ঠানত উপস্থিত থাকে। অনুষ্ঠানত বক্তাসকলে কয় যে বাগৰুম্বা নৃত্য কেৱল এটি নৃত্য নহয়, ই বড়ো জনগোষ্ঠীৰ সংস্কৃতি, পৰিচয় আৰু ঐতিহ্যৰ এক জীৱন্ত প্ৰতীক। এই মেগা অনুষ্ঠানৰ জৰিয়তে বাগৰুম্বা নৃত্যই আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো নতুন পৰিচিতি লাভ কৰিব বুলি তেওঁলোকে আশা প্ৰকাশ কৰে। প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰা নৃত্যশিল্পীসকলক সুসংগঠিত আৰু মানসম্পন্ন প্ৰশিক্ষণ দিয়াৰ লক্ষ্যৰে এই শিবিৰ চলোৱা হ'ব বুলি আয়োজকসকলে জনায়। উল্লেখযোগ্য যে আগন্তুক দিনসমূহত ঢেকীয়াজুলিৰ লগতে জিলাৰ বিভিন্ন স্থানতো অনুৰূপ প্ৰশিক্ষণ শিবিৰ আয়োজন কৰি মেগা বাগৰুম্বা নৃত্য অনুষ্ঠানৰ বাবে বৃহৎ সংখ্যক শিল্পীক সাজু কৰি তোলাৰ পৰিকল্পনা লোৱা হৈছে।

# চাৰিঙৰ ৮৯৫ নং ন-আলি প্ৰাথমিক বিদ্যালয়ৰ হীৰক জয়ন্তীৰ লাইখুঁটা স্থাপন

**অসম বাৰ্তা, জাঁজী, ৮ জানুৱাৰী ঃ** ১৯৬১ চনতেই প্ৰতিষ্ঠা লাভ কৰা শিৱসাগৰ জিলাৰ আমগুৰি শিক্ষাখণ্ডৰ অধীনৰ চাৰিং ৮৯৫ নং ন-আলি প্ৰাথমিক বিদ্যালয়ৰ হীৰক জয়ন্তীৰ সামৰণি অনুষ্ঠান অহা ২৪ জানুৱাৰীত অনুষ্ঠিত হ'ব। ইতিমধ্যে যোৱা ৮ জানুৱাৰীত এক মাংগলীক পৰিবেশৰ মাজেৰে হীৰক জয়ন্তীৰ সামৰণি অনুষ্ঠানৰ লাইখুঁটা স্থাপন কৰা হয়। লাইখুঁটা স্থাপন কৰে গাঁৱৰ এগৰাকী জ্যেষ্ঠ নাগৰিক প্ৰমোদ ভূঞাই। উদ্‌যাপন সমিতিৰ সভাপতি মানস প্ৰতিম বৰুৱাই আঁত ধৰা অনুষ্ঠানত মোমাই তামোলী মণ্ডল সমন্বয়ক ৰঞ্জিত বৰা, বিদ্যালয়ৰ প্ৰধান শিক্ষয়ত্ৰী অলকা কাকতি, সাংবাদিক তথা কবি, সাহিত্যিক সৌৰভ জ্যোতি দুৱৰাই হীৰক জয়ন্তীৰ কায্যসূচী সম্পৰ্কত বক্তব্য আগবঢ়াই অনুষ্ঠানৰ কেউটা দফাটে ৰাইজৰ উপস্থিতি কামনা কৰে। লাইখুটা স্থাপনত উপস্থিত থাকে প্ৰাক্তন সভাপতি বিবেকা দুৱৰা, জ্যেষ্ঠ তথা ধৰ্মপ্ৰাণ মহিলা বিভা দুৱৰা, বিশিষ্ট ব্যৱসায়ী, সমাজকৰ্মী প্ৰতুল দুৱৰা, প্ৰাক্তন শিক্ষয়ত্ৰি মিনা দুৱৰা, বায়ন পাৰ্থ প্ৰতিম নাথ, পংকজ দুৱৰা, পংকজ দত্ত, বিকাশ ভূঞা, দিলীপ দুৱৰা, মাতৃ গোট, অভিভাৱক অভিভাৱিকাৰ উপৰিও স্থানীয় ৰাইজ উপস্থিত থাকে।

ষ্টাইকাৰ ক্ৰিকেট ক্লাৱৰ জয়লাভ; শ্ৰৱণ কুমাৰৰ ছটা উইকেট

# বঢ়মপুৰ ক্লাৱ ক্ৰিকেট

**অসম বাৰ্তা, পুৰণিগুদাম, ৮ জানুৱাৰী ঃ** নগাঁও জিলাৰ বঢ়মপুৰৰ ঠগী সূত ক্ৰীড়া প্ৰকল্পৰ ক্ৰিকেট খেলপথাৰত বঢ়মপুৰ ক্ৰীড়া সন্থাৰ উদ্যোগত চলি থকা ক্লাৱ লীগ ক্ৰিকেটৰ পঞ্চমখন খেলত ষ্টাইকাৰ ক্লাৱে জয়লাভ কৰে। আজি অনুষ্ঠিত হোৱা খেলখনত প্ৰথমতে বেটিং কৰি ছানৰাইজাৰ্ছ ক্লাৱ পুৰণিগুদামে নিৰ্ধাৰিত ৩০ অ'ভাৰৰ পৰিবৰ্তে ২১-২ অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১০৫ ৰাণ কৰাৰ বিপৰীতে ষ্টাইকাৰ ক্লাৱে ১০-১ অভাৰত ২ উইকেটৰ বিনিময়ত ১১১ ৰাণ কৰি জয়ৰ লক্ষ্যত উপনীত হয়। খেলখনত ষ্ট্ৰাইকাৰ ক্লাৱৰ শ্ৰৱণ কুমাৰে এক অভাৰত তিনিটা উইকেট দখল কৰি হেট্ৰিক ল'বলৈ সক্ষম হোৱাৰ লগতে মুঠ ৬টা উইকেট দখল কৰে। খেলখনত শ্ৰেষ্ঠ খেলুৱৈ, শ্ৰেষ্ঠ বেটছমেন আৰু শ্ৰেষ্ঠ বলাৰৰ সন্মান শ্ৰৱণ কুমাৰে লাভ কৰিবলৈ সক্ষম হয়। অহা কালিলৈ ষষ্ঠখন লীগ খেল জোনাকী সাংস্কৃতিক গোষ্ঠী আৰু অকণৱালা বৰা ক্ৰিকেট ক্লাৱৰ মাজত অনুষ্ঠিত হ'ব।

# মৰিগাঁৱৰ শুকদল সৰুবড়ি শ'লগুৰি সত্ৰৰ সত্ৰাধিকাৰ প্ৰয়াত হৰকান্ত মহন্তৰ স্মৃতিচাৰণ সভা

## স্মাৰক গ্ৰন্থ স্থিতপ্ৰজ্ঞ উন্মোচনী

**ষ্টাফ ৰিপৰ্টাৰ, মৰিগাঁও, ৮ জানুৱাৰী ঃ** মৰিগাঁও জিলাৰ শুকদল সৰুবড়িৰ ঐতিহ্যমণ্ডিত শ'লগুৰি সত্ৰৰ ত্ৰয়োদশ গৰাকী সত্ৰাধিকাৰ প্ৰয়াত হৰকান্ত মহন্তৰ এখন স্মৃতিচাৰণ সভা আজি সত্ৰ প্ৰাংগনত অনুষ্ঠিত কৰা হয়। মৰিগাঁও জিলা সত্ৰ মহাসভাৰ সহযোগত অনুষ্ঠিত স্মৃতিচাৰণ সভাখনত সভাপতিত্ব কৰে দলৈচুবাৰ কালশিলা সত্ৰৰ সত্ৰাধিকাৰ লোহিত চন্দ্ৰ মহন্তই। এই সভাতে শ'লগুৰি সত্ৰৰ ডেকা সত্ৰীয়া বিতোপন মহন্ত আৰু হৰকান্ত মহন্তৰ জেষ্ঠ কন্যা বিভা মহন্তই সম্পাদনা কৰা 'স্থিতপ্ৰজ্ঞ' শীৰ্ষক এখন স্মাৰক গ্ৰন্থ উন্মোচন কৰে মৰিগাঁও জিলা সত্ৰ মহাসভাৰ সভাপতি তথা শ্ৰীশ্ৰী নৰোৱা কুজি সত্ৰৰ সত্ৰাধিকাৰ নিত্যানন্দ দেৱ গোস্বামীয়ে। স্মৃতিচাৰণ সভাখনত কলিয়াবৰৰ শ্ৰীশ্ৰী পোৱাভেটি কাৰৈমাৰী সত্ৰৰ ডেকা সত্ৰীয়া মুক্তি নাথ গোস্বামী, প্ৰয়াত হৰকান্ত মহন্তই প্ৰতিষ্ঠা কৰা শুকদল মাধ্যমিক বিদ্যালয়ৰ শিক্ষক দেহিৰাম বৰা, স্মাৰক গ্ৰন্থ সম্পাদনা সমিতিৰ সভাপতি পোনাদেৱী মহন্ত আৰু মৰিগাঁও জিলা সত্ৰ মহাসভাৰ সম্পাদক বিমল চন্দ্ৰ বৰকাকতিয়ে প্ৰয়াত সত্ৰাধিকাৰ হৰকান্ত মহন্তৰ জীৱন আৰু বৰ্ণাঢ্য কৰ্মজীৱনৰ ওপৰত আলোকপাতেৰে স্মৃতিচাৰণ কৰে। সভাত মৰিগাঁও জিলা সত্ৰ মহাসভাৰ কাৰ্যকৰী সভাপতি ঘনকান্ত বৰা, সমন্বিত যুৱ তীৰ্থৰ সভাপতি জানমনি মহন্ত, দলৈচুবা কালশিলা সত্ৰৰ ডেকা সত্ৰীয়া দিবাকৰ মহন্ত, ঘনকান্ত মহন্তৰ লগতে শ'লগুৰি সত্ৰৰ শিষ্য প্ৰশিষ্য বৰ্গ উপস্থিত থাকে।

বিদ্যালয়ৰ মুখপত্ৰ 'জাগৰণ' উন্মোচন

# উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস

**অসম বাৰ্তা, নিমাতীঘাট, ৮ জানুৱাৰী ঃ** উত্তৰ যোৰহাটৰ বাহনা তিনিআলিস্থিত উত্তৰ যোৰহাট জাতীয় বিদ্যালয়ৰ অষ্টম বাৰ্ষিক প্ৰতিষ্ঠা দিৱস ৭ জানুৱাৰীত দিনযোৰা কাৰ্যসূচীৰে পালন কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ শৈক্ষিক সভাপতি প্ৰদীপ চন্দ্ৰ শইকীয়াৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত বাহনা মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ ড° চেনিৰাম দত্তই বিদ্যালয়ৰ বাৰ্ষিক মুখপত্ৰ - জাগৰণৰ প্ৰথম বছৰৰ প্ৰথম সংখ্যাটো আনুষ্ঠানিক ভাৱে শুভ উন্মোচন কৰে। উন্মোচনী ভাষণ প্ৰসঙ্গত তেখেতে ছাত্ৰ-ছাত্ৰী সকলক সৰুৰে পৰাই সাহিত্য-সংস্কৃতিৰ লগত একাত্মতাৰে জড়িত হ'বলৈ আহ্বান জনোৱাৰ লগতে বিদ্যালয়খনিৰ এই প্ৰচেষ্টাক শলাগ লয়। বিদ্যালয়ৰ শৈক্ষিক সঞ্চালক শ্ৰীমন্ত মাধৱ বৰুৱাই আদৰণি ভাষণ আগবঢ়োৱা সভাত যোৰহাট জিলা পৰিষদৰ উপাধ্যক্ষ নৱজ্যোতি দাস, দৈনিক অগ্ৰদূত কাকতৰ ডেস্ক ইনচাৰ্জ যোগেশ ওজা, অৱসৰ প্ৰাপ্ত বিজ্ঞান শিক্ষক তথা বেচৰকাৰী স্বেচ্ছাসেৱী অনুষ্ঠান সেৱাৰ সভাপতি হেমেন কুমাৰ শইকীয়া, টীয়ক জাতীয় বিদ্যালয়ৰ উপাধ্যক্ষ মনোজ বৰা, বিদ্যালয়ৰ অধ্যক্ষ সৰ্বেশ্বৰ বৰা, সাংবাদিক ৰমেন শইকীয়া প্ৰমুখ্যে বহুকেইগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত থাকে। মুকলি সভাত বিদ্যালয়ৰ শিক্ষয়িত্ৰী সকলে সমবেত সংগীত পৰিবেশন কৰে। পুৱা বিদ্যালয়ৰ পতাকা উত্তোলন কৰে অধ্যক্ষ সৰ্বেশ্বৰ বৰাই আৰু স্মৃতি তৰ্পন কৰে সমাজকৰ্মী জগন্নাথ অগ্নিবৰাই। ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন সাংস্কৃতিক কাৰ্যসূচীৰে জীপাল কৰি তোলা প্ৰতিষ্ঠাদিৱসৰ কাৰ্যসূচীত উত্তৰ-পশ্চিম যোৰহাট শিক্ষাখণ্ডৰ খণ্ড সমল ব্যক্তি বিদ্যুত দত্ত উপস্থিত থাকি উত্তৰ যোলহাট জাতীয় বিদ্যালয় প্ৰতিটো চৰকাৰী নিয়ম অনুসৰি পৰিচালিত হৈ থকা এখনি সুন্দৰ বিদ্যালয় বুলি অভিহিত কৰে। বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী সকলৰ তত্ত্বাবধানত আয়োজিত প্ৰতিষ্ঠা দিৱসৰ শলাগৰ শৰাই আগবঢ়াই শিক্ষয়িত্ৰী নিমিষা কলিতাই।

# শিৱসাগৰ জিলাৰ হাইস্কুল শিক্ষক সন্থাৰ ৫১ সংখ্যক দ্বি-বাৰ্ষিক পূৰ্ণকালীন অধিৱেশন

**অসম বাৰ্তা, গেলেকী, ৮ জানুৱাৰী ঃ** দুদিনীয়া কাৰ্যসূচীৰে অহা কালিৰ পৰা গেলেকী বদ্ৰীদাস মুদি উচ্চ-মাধ্যমিক বালিকা বিদ্যালয়ত অনুষ্ঠিত হব শিৱসাগৰ জিলাৰ হাইস্কুল শিক্ষক সন্থাৰ ৫১ সংখ্যক দ্বি-বাৰ্ষিক পূৰ্ণকালীন অধিৱেশন। ইতিমধ্যে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে অধিৱেশনৰ। কাৰ্যসূচীৰ প্ৰথম দিনা পুৱা ৮ বজাত পাতাকা উত্তোলন কৰিব উদযাপন সমিতিৰ সভাপতি আব্দুল হেলিমে। ৮ঃ৩০ মিনিটত স্মৃতি তৰ্পণ অনুষ্ঠান অনুষ্ঠিত হব। তৰ্পক হিচাপে উপস্থিত থাকিব উদযাপন সমিতিৰ যুটীয়া সম্পাদক প্ৰশান্ত ৰাজকোঁৱৰ আৰু তৰুণ চেতিয়া। পুৱা ৯ বজাত জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অনুষ্ঠিত হব। পুৱা ১০ বজাত বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰা অনুষ্ঠিত হব। সাংস্কৃতিক শোভাযাত্ৰাৰ উদ্বোধন কৰিব বিশিষ্ট কবি তথা তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ বিষয়া ভবানন্দ বড়াই। পুৱা ১১ বজাৰ পৰা আৰম্ভ হব ছাত্ৰ-ছাত্ৰীৰ মাজত বিভিন্ন শিক্ষামূলক প্ৰতিযোগিতা আৰু প্ৰদৰ্শনীৰ। দিনৰ ১২ বজাত অবিভক্ত শিৱসাগৰ জিলা সমিতিৰ ন-পুৰণি বিষয়ববীয়াৰ অন্তৰংগ আলাপৰ অনুষ্ঠান। এই অনুষ্ঠানৰ আঁত ধৰিব শিৱসাগৰ জিলাৰ হাইস্কুল শিক্ষক সন্থাৰ প্ৰাক্তন সভাপতি বীৰেণ বৰাই। অনুষ্ঠানটি সফল হোৱাৰ ক্ষেত্ৰত স্থানীয় দল সংগঠনে যথেষ্ট সহযোগিতা আগবঢ়াইছে।

গোৱালপাৰা, কামৰূপ জিলা সমিতিৰ লগতে মেঘালয় ৰাজ্যিক কমিটিৰ যৌথ সংবাদমেল

# নিখিল ৰাভা সাহিত্য সভাৰ প্ৰধান সম্পাদকৰ বিৰুদ্ধে ব্যাপক বিত্তীয় খেলি-মেলি আৰু একনায়কত্ববাদ চলোৱাৰ অভিযোগ

**ষ্টাফ ৰিপ'ৰ্টাৰ, দুধনৈ, ৮ জানুৱাৰী ঃ** ৰাভা ভাষা সাহিত্যৰ অগ্ৰনী অনুষ্ঠান বেবাক ৰাভা ত্ৰৌৰাং ৰুঞ্চুম অৰ্থাৎ নিখিল ৰাভা সাহিত্য সভাৰ প্ৰধান সম্পাদক ৰাজকুমাৰ ৰাভাৰ কাম-কাজত তীব্ৰ প্ৰতিক্ৰিয়া তথা অসন্তুষ্টি প্ৰকাশ কৰিছে সভাৰ অন্তৰ্গত গোৱালপাৰা আৰু কামৰূপ জিলা কমিটিৰ লগতে মেঘালয় ৰাজ্যিক সমিতিয়ে। দুধনৈস্থিত লোকনিৰ্মাণ বিভাগৰ পৰিদৰ্শন ভৱনৰ সভাকক্ষত ৰাজকুমাৰ ৰাভাৰ সংবিধান উলংঘন আৰু দুৰ্নীতি অনিয়মৰ কথা সদৰি কৰি অনুষ্ঠিত কৰা সংবাদ মেলৰ আঁত ধৰে গোৱালপাৰা জিলা ৰাভা সাহিত্য সভাৰ সভাপতি তাৰক ৰাভা বাৰ্চুঙে। ইয়াৰ পিছতে বেবাক সাহিত্য সভাৰ সহকাৰী সম্পাদক অমল ৰাভাই লিখিত প্ৰেছ বিবৃত্তি পাঠ কৰি কয় যে নিখিল ৰাভা সাহিত্য সভাৰ সম্পাদক প্ৰধান ৰাজকুমাৰ ৰাভাই ৰাভা ভাষাক মান্যভাষা হিচাবে কাৰ্যকৰী কৰাৰ বাবে ১৯৮৭ চনত গ্ৰহণ কৰা প্ৰস্তাৱক অৱমাননা কৰি শেহতীয়া ভাবে ৰাজ্য চৰকাৰে নতুন শিক্ষানীতিৰ আধাৰত প্ৰৱৰ্তন কৰা ৰাভা ভাষাৰ যি শিক্ষাদানৰ প্ৰক্ৰিয়া প্ৰৱৰ্তন কৰিছে তাৰ বাবে পাঠ্যপুথিত প্ৰস্তুতিৰ বাবে এককভাৱেই সিদ্ধান্ত গ্ৰহণ কৰা বুলি ব্যক্ত কৰে যিটো সম্পূৰ্ণভাবে ৰাভা সাহিত্য সভাৰ সংবিধানৰ পৰিপন্থী। আনহাতে ২০২৩ বৰ্ষত কামৰূপ জিলাৰ লোহাৰঘাট অধিবেশনত গ্ৰন্থ প্ৰকাশৰ বাবে অসম চৰকাৰে আগবঢ়োৱা ৫০ লাখ টকা ব্যয়ৰ তথ্য কাৰ্যকৰী কমিটিত দাখিল নকৰাকৈ ব্যাপক অনিয়ম সংঘটিত কৰাৰ উপৰিও কাৰ্যকৰী কমিটিৰ অনুমোদন অবিহনে নিজৰ খেয়াল খুচিমতে ব্যৱহাৰ কৰা, অসম চৰকাৰ আগবঢ়োৱা দুই কৌটি টকাৰ কৰ্পাছ ফাণ্ডৰ সুতৰ বাবদ পোৱা ধন কাৰ্যকৰী কমিটিৰ অনুমোদন অবিহনে ব্যৱহাৰ কৰা, গৃহ নিৰ্মাণৰ বাবে পোৱা ধন ব্যয়ৰ বাবে কাৰ্যকৰী কমিটিৰ আহ্বান নকৰাকৈ নিজৰ নিজকে নিৰ্মাণ কমিটিৰ মুৰব্বী হিচাবে দেখুৱা আদি গুৰুতৰ অভিযোগ উত্থাপন কৰে। আনহাতে ৰাভা ভাষাৰ বিষয় শিক্ষক হিচাবে নিয়োগ কৰাৰ প্ৰলোভন দেখুৱাই বহু যুৱক-যুৱতীৰ পৰা ২০১৬ চনত দহ হেজাৰকৈ ধন অবৈধভাৱে সংগ্ৰহ কৰাৰ লগতে ভাৰতীয় ৰেল বিভাগত চাকৰি দিয়াৰ নামতো বহুসংখ্যক নিৰনুৱা যুৱকৰ পৰা লক্ষাধিক ধন সংগ্ৰহৰ প্ৰামাণিক তথ্য থকাৰ লগতে উক্ত বিষয়টো সাহিত্য সভাৰ আলোচনা সভাত সেই দুয়োটা অভিযোগ ৰাজকুমাৰ ৰাভাই স্বীকাৰো কৰাৰ লগতে কিছুসংখ্যক যুৱক যুৱতীক ইতিমধ্যে লোৱা ধন ওভতাই দিয়া বুলিও প্ৰকাশ কৰে। তদুপৰি ৰাভা সাহিত্য সভাৰ ন্যাস গঠন কৰাৰ বাবে আজীৱন সদস্য ভুক্তিৰ বৰঙনিও বিগত কেইবাবছৰো পূৰ্বে সংগ্ৰহ কৰিছে যদিও আজীৱন সদস্যসকলক এতিয়ালৈকে কোনো প্ৰমাণ পত্ৰ নিদিয়াৰ লগতে ন্যাস পুঁজিও গঠন নকৰি সংগৃহীত ধন আত্মসাৎ কৰাৰো গুৰুতৰ অভিযোগ উত্থাপন কৰে। তদুপৰি সেই দুৰ্নীতি অনিয়মৰ বিষয়সমূহ সাহিত্য সভাৰ মজিয়াত উত্থাপন কৰাৰ বাবে সাহিত্য সভাৰ একাংশ বিষয় ববীয়াৰ বিৰুদ্ধে আক্ৰোশমূলক ব্যৱস্থা গ্ৰহণ কৰা বুলি ব্যক্ত কৰে গোৱালপাৰা জিলা, কামৰূপ জিলা কমিটিৰ লগতে মেঘালয় ৰাজ্যিক কমিটিৰ নেতৃত্ববৃন্দই। উৎল্লেখ যে সংবিধান অনুসৰি তিনিটাকৈ কাৰ্যকাল উকলি যোৱাৰ পিছতো ধন আত্মসাৎ আৰু লুণ্ঠনৰ স্বাৰ্থত একাংশ বিষয়ববীয়াক মেনেজ কৰি বাৰম্বাৰ অধিবেশন পতাৰ নামত বিলম্বিত কৰি সাহিত্য সভাত একক একনায়কত্ববাদ চলাই অহাৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ প্ৰকাশ কৰে। সেয়ে সাহিত্য সভাক ধ্বংসমুখী বাতাবৰণৰ লগতে বিভাজনৰ ষড়যন্ত্ৰৰ পৰা প্ৰধান সম্পাদক ৰাজকুমাৰ ৰাভাক আঁতৰি থাকিবলৈ সকিয়াই দিয়ে আজিৰ সংবাদমেলত উপস্থিত থকা নেতৃবৃন্দই। আজিৰ সংবাদ মেলত গোৱালপাৰা জিলা কমিটিৰ সভাপতি-সম্পাদক ক্ৰমে তাৰক ৰাভা বাৰ্চুঙ আৰু শৰৎ চন্দ্ৰ ৰাভা, কামৰূপ জিলা কমিটিৰ সম্পাদকৰ লগতে ৰাভা সাহিত্য সভাৰ মেঘালয় ৰাজ্যিক কমিটিৰ সভাপতি সন্দেস বাকছাকা আৰু সম্পাদক বিপিন চুৰ্চুঙৰ লগতে ৰাভা সাহিত্য সভাৰ কেন্দ্ৰীয় কমিটিৰ বহুকেইজন বিষয়ববীয়া উপস্থিত থাকে। উৎল্লেখ যে ৰাজকুমাৰ ৰাভাক ইতিমধ্যে গোৱালপাৰা জিলা ৰাভা সাহিত্য সভাই যোৱা দুই নৱেম্বৰ'২০২৫ ইং তাৰিখে অনুষ্ঠিত হোৱা কাৰ্যকৰী সভাত জিলা কমিটিৰ প্ৰাথমিক সদস্যৰ পৰা বাধ্যতামূলক অব্যাহতি প্ৰদান কৰিছে।

গীতে-নৃত্য, কথা-কবিতাৰে অনুষ্ঠান সম্পন্ন যোৰহাটৰ গন্ধিয়া গাঁৱত

# ড° ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষৰ পঞ্চম কাৰ্যসূচী পালন

**অসম বাৰ্তা, পশ্চিম যোৰহাট, ৮ জানুৱাৰী ঃ** ড° ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষ পশ্চিম যোৰহাট আঞ্চলিক ভিত্তিত গঠন কৰা সমিতিখনে অঞ্চলটোত ভ্ৰাম্যমাণ ভিত্তিত প্ৰতিমাহৰ ৮ তাৰিখত অনুষ্ঠিত কৰি আহিছে। পঞ্চম কাৰ্যসূচী গীত-নৃত্য, কথা-কবিতাৰে পশ্চিম যোৰহাটৰ পুলিবৰ গন্ধিয়া গাঁৱৰ বাপুৰাম বৰা প্ৰাথমিক বিদ্যালয়ত ৮ জানুৱাৰীত পালন কৰা হয়। আৰম্ভণিতে শিল্পীগৰাকীৰ প্ৰতিচ্ছবি প্ৰতিষ্ঠা কৰি সমিতিৰ সভাপতি সেবিন চন্দ্ৰ বৰা, বিদ্যালয়খনৰ প্ৰধান ৰিংকি বৰা, সহকাৰী ৰাস্না দেৱী, সমীক্ষা নেওগে মাল্য অৰ্পণ কৰে। উপস্থিতসকলে প্ৰাৰ্থনাৰ লগতে 'মানুহে মানুহৰ বাবে...' গীত পৰিৱেশন কৰে। সম্পাদক প্ৰভাত দত্তই আঁতধৰি বিগত বৰ্ষৰ ৮ আগষ্টত গঠন কৰা সমিতিখনে ৮ ছেপ্টেম্বৰৰ পৰা প্ৰতি মাহৰে ৮ তাৰিখত শিল্পীজনাৰ জন্ম-শতবৰ্ষৰ কাৰ্যসূচী ৰূপায়ণ কৰি অহাৰ লগতে শিল্পীজনৰ বহুমুখী প্ৰতিভা আৰু কৰ্মময় জীৱনৰ সম্পৰ্কত ব্যাখ্যা কৰে। সমিতিৰে জড়িত শিল্পীসকলে শিল্পীজনাৰ গীত পৰিৱেশন কৰাৰ পাছতে বিদ্যালয়খনত অধ্যয়নৰত শিক্ষাৰ্থীসকলে শিল্পীজনাৰ গীত, গীতৰ আধাৰত নৃত্য প্ৰদৰ্শন কৰাৰ লগতে অভিভাৱক নিকুমণি বৰা, প্ৰাক্তন ছাত্ৰ মানস বৰাই ও একোটাকৈ গীত পৰিৱেশন কৰে। সৰুচৰাই মহিলা সমিতিৰ পুতুমণি কাকতি বৰা, পূৰ্ণিমা বৰঠাকুৰ, লিলি নেওগ, ৰিণা বৰা, বুলু নেওগ, নিকুমণি বৰা, স্বৰ্ণালীশিখা ভট্টাচাৰ্য, পমিলা ৰজক, কবিতা ৰাজপুতে শিল্পীজনাৰ গীত পৰিৱেশন কৰা অনুষ্ঠানত আদৰণী ভাষণ আগবঢ়ায় স্থানীয় যুৱক দুৰ্লভ বৰাই। সমিতিৰ উপ-সভাপতি প্ৰবীণ কলিতা, কাৰ্যকৰী সম্পাদক অৰুন গোস্বামী, প্ৰচাৰ আৰু তথ্য সংৰক্ষক ৰমেন শইকীয়া, সদস্য অৰুণ শৰ্মা, নৰেন বৰাৰ লগতে গাঁওখনৰ সমাজকৰ্মী প্ৰদীপ বৰা, তোযেশ্বৰ বৰা, বুবুল গন্ধিয়া, অনিল চাৰিঙীয়া, প্ৰণতি বৰা, মাজনি গন্ধিয়া, মনোজ গন্ধিয়া, নিকুমণি গগৈ বৰা, হেমাকান্তি চাৰিঙীয়াৰ বিশেষ সহযোগত অনুষ্ঠিত অনুষ্ঠানত



বিনীতা শৰ্মাই ভূপেন হাজৰিকাই লেখা কবিতা আবৃত্তি কৰাৰ লগতে ভূপেন্দ্ৰ সংগীত পৰিৱেশন কৰে পদ্মা দত্ত, পূৰ্ণিমা বৰঠাকুৰ, প্ৰভাত তামোলী, ধীৰেন্দ্ৰনাথ নেওগে। অৰুন গোস্বামীয়ে শলাগ জ্ঞাপন কৰা অনুষ্ঠানত শিল্পীজনাৰ বৰ্ষজোৰা শতবাৰ্ষিকীৰ ইতিমধ্যে ৰূপায়ণ কৰা কাৰ্যসমূহৰ লগতে আগন্তুক কেইমাহত অনুষ্ঠিত কৰিবলগীয়া কাৰ্যসূচী আৰু সামৰণিত প্ৰকাশ কৰিবলগীয়া গ্ৰন্থখনৰ সন্দৰ্ভত ৰমেন শইকীয়াই বক্তব্যত উল্লেখ কৰা সভাখনত শিক্ষয়িত্ৰী প্ৰধান ৰিংকি বৰাই বৰ্ষজোৰা কাৰ্যসূচীৰে শিল্পীজনাই লেখা গীত, কবিতা, গীতৰ আধাৰত নৃত্য আৰু তেওঁৰ কৰ্মময় জীৱন আৰু সমাজলৈ আগবঢ়াই থৈ যোৱা অৱদানৰ বিষয়ে জন্ম-শতবাৰ্ষিকীত প্ৰতিমাহৰ ৮ তাৰিখত প্ৰচাৰ-প্ৰসাৰ কৰি থকাৰ বাবে সমিতিৰ সৈতে জড়িতসকলৰ শলাগ লয়। মাৰ্চ মাহৰ ৮ তাৰিখৰ অনুষ্ঠান চিৰতীয়া গাঁৱত অনুষ্ঠিত কৰিবৰ বাবে নৰেন বৰা আৰু অৰুণ শৰ্মাই অনুষ্ঠানতে নিমন্ত্ৰণ জনায়।

# ছয়গাঁৱত ২০ জানুৱাৰীৰ পৰা ধাৰাবাহিকভাৱে হিন্দু সন্মিলনৰ প্ৰস্তুতি

**অসম বাৰ্তা, ছয়গাঁও, ৮ জানুৱাৰী ঃ** সনাতন ধৰ্মালম্বীৰ বিভিন্ন পন্থাৰ মাজত সমন্বয় স্থাপনৰ লক্ষ্যৰে কামৰূপ জিলাৰ বৃহত্তৰ ছয়গাঁও অঞ্চলৰ কেইবাঠাইতো হিন্দু সন্মিলন অনুষ্ঠিত কৰাৰ প্ৰস্তুতি আৰম্ভ হৈছে। সংবাদ মাধ্যমলৈ পঠিওৱা খবৰ অনুসৰি অহা ২০ জানুৱাৰীত পানীখাইতিত ২৭ জানুৱাৰীত ছয়গাঁও শ্ৰীশ্ৰী হৰি মন্দিৰ প্ৰাংগণত, ৩১ জানুৱাৰীত গোবৰ্দ্ধন আঞ্চলিক যুৱক সংঘৰ প্ৰাংগণত, ১ ফেব্ৰুৱাৰীত সাততালুক গাঁও পঞ্চায়তৰ অধীনত ৰাইজৰ উদ্যোগত জামুগুৰি আঞ্চলিক গোপাল মন্দিৰ প্ৰাংগণত হিন্দু সন্মিলন অনুষ্ঠিত হ'ব। দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব লগীয়া উক্ত সন্মিলনৰ স'তে সংগতি ৰাখি বিভিন্ন কাৰ্য্যসূচীৰ লগতে বিদ্যালয় পৰ্যায়ৰ ছাত্ৰ ছাত্ৰীৰ মাজত চিত্ৰাংকণ প্ৰতিযোগিতাৰো আয়োজন কৰা হৈছে। নিৰ্দিষ্ট বিষয় সন্দৰ্ভত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাৰ বিষয়বস্তু হৈছে - ৰাষ্ট্ৰৰ প্ৰতি নাগৰিকৰ কৰ্তব্য, সামাজিক সজাগতা, পৰিৱেশ সুৰক্ষা, প্ৰাকৃতিক সম্পদ সংৰক্ষণ, স্বদেশী সামগ্ৰী গ্ৰহণ, বিভিন্ন জনগোষ্ঠীৰ মাজত আত্মীয়তা বৃদ্ধি আদি। প্ৰথম শ্ৰেণীৰ পৰা পঞ্চম শ্ৰেণীলৈকে 'ক' শাখা আৰু ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ 'খ' শাখাত প্ৰতিযোগিতাসমূহ অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব বিচৰা ছাত্ৰ ছাত্ৰীসকলক খণ্ড সংযোজক চিন্ময় কিশোৰ স'তে ৮৬৩৮০-৫৬৯৩২ নম্বৰত আগতীয়াকৈ যোগাযোগ কৰিব পাৰে। বৃহত্তৰ ছয়গাঁও অঞ্চলত হিন্দু সন্মিলন সুচাৰুৰূপে পৰিচালনাৰ অৰ্থে সকলো স্তৰৰ ৰাইজৰ সহায়-সহযোগিতা আয়োজক সমিতিয়ে কামনা কৰিছে।

উপস্থিত থাকিব সদৌ অসম কৰ্মচাৰী পৰিষদৰ কেইবাজনো বিষয়ববীয়া

# কাইলৈ পৰা বামুণীত নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ ৩৮ সংখ্যক বাৰ্ষিক অধিৱেশন

**অসম বাৰ্তা, পুৰণিগুদাম, ৮ জানুৱাৰী ঃ** নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ ৩৮ সংখ্যক বাৰ্ষিক অধিৱেশন অহা কালিলৈ পৰা দুদিনীয়া কাৰ্যসূচীৰে বড়মপুৰ সমষ্টিৰ অধীনৰ বামুণী পাৰুলবালা গোস্বামী উচ্চ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হ'ব। নগাঁও জিলা কৰ্মচাৰীসকলৰ একত্ৰিত সংগঠন কৰ্মচাৰী পৰিষদৰ এই বাৰ্ষিক অধিৱেশনখন সফল কৰিবলৈ ইতিমধ্যে ব্যাপক প্ৰস্তুতি চলিছে। কৰ্মচাৰী পৰিষদৰ সভাপতি যগেশ্বৰ ৰাজখোৱা আৰু সাধাৰণ সম্পাদক শ্যামন্ত দাসে জানিবলৈ দিয়া অনুসৰি কাৰ্যসূচীৰ অহা কাইলৈ পুৱা ১১ বজাত গছপুলি ৰোপণ, দুপৰীয়া ১১-৩০ বজাত নগাঁও জিলা কৰ্মচাৰী পৰিষদৰ অন্তিমখন কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হোৱাৰ লগতে সন্ধ্যা ৫ বজাত বন্তি প্ৰজ্বলন কাৰ্যসূচী ৰূপায়ণ হ'ব। ১০ জানুৱাৰী পুৱা ৯ বজাত পতাকা উত্তোলন কৰিব পৰিষদৰ সভাপতি যগেশ্বৰ ৰাজখুৱাই। পুৱা ৯-১৫ বজাত শ্বহীদ তৰ্পণ কৰিব সাধাৰণ সম্পাদক শ্যামন্ত দাসে। পুৱা ৯-৩০ বজাত শ্ৰদ্ধাঞ্জলি অনুষ্ঠান আৰু দহ বজাত অনুষ্ঠিত হ'ব প্ৰতিনিধি আৰু বিষয় বাছনি সভা। দুপৰীয়া দুই বজাৰ পৰা যগেশ্বৰ ৰাজখোৱাৰ সভাপতিত্বত অনুষ্ঠিত হ'ব মুকলি সভা। মুকলি সভাত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব সদৌ অসম কৰ্মচাৰী পৰিষদৰ সভাপতি দ্বীপেন শৰ্মা। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকিব সদৌ অসম কৰ্মচাৰী পৰিষদৰ সম্পাদক প্ৰধান পংকজ বৰ্মন আৰু আমন্ত্ৰিত অতিথি হিচাপে পৰিষদৰ সাংগঠনিক সম্পাদক আজিজুৰ ৰহমান উপস্থিত থাকিব। সভাত বিশিষ্ট অতিথি হিচাপে বড়মপুৰৰ বিধায়ক জিতু গোস্বামীৰ উপৰিও বিধায়ক ৰূপক শৰ্মা আৰু দিপ্লুৰঞ্জন শৰ্মা উপস্থিত থাকিব বুলি জানিব পৰা গৈছে। দুদিনীয়াকৈ অনুষ্ঠিত হ'ব লগা কাৰ্যসূচী সফল ৰূপায়ণৰ বাবে পাৰুল গায়নক সভানেত্ৰী, কুকিল বৈৰাগীক কাৰ্যকৰী সভাপতি আৰু কুলপ্ৰদীপ দাসক সম্পাদক হিচাপে লৈ এখন অভ্যৰ্থনা সমিতি গঠন কৰিছে পৰিষদৰ জিলা সমিতিখনে। চৰকাৰী কৰ্মচাৰীসকলৰ সৰ্বাংগীণ বিকাশ আৰু উন্নয়নৰ স্বাৰ্থত মাত মাতি অহা কৰ্মচাৰী পৰিষদৰ সমূহ কাৰ্যসূচীত জিলাখনৰ সকলো কৰ্মচাৰীৰ উপস্থিতি উদ্যোক্তাসকলে কামনা কৰিছে।

# গোলাঘাটত ড্ৰাগছ আৰু উচ্ছৃংখল নৱ-প্ৰজন্মৰ বিৰুদ্ধে নাগৰিক সভা

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৮ জানুৱাৰী ঃ** গোলাঘাট নগৰৰ বিভিন্ন অনুষ্ঠানৰ প্ৰতিনিধিত্বমূলক এখন নাগৰিক সভা কালি ৭ জানুৱাৰী তাৰিখে স্থানীয় এমেচাৰ থিয়েটাৰ চ'ছাইটিৰ প্ৰেক্ষাগৃহত শতাধিক নাগৰিকৰ উপস্থিতিত অনুষ্ঠিত হয়। সভাত সভাপতিত্ব কৰে বিশিষ্ট নিবন্ধকাৰ, প্ৰাক্তন পৌৰপতি ডাঃ অজিত বৰুৱাই। সভাৰ আৰম্ভণিতে যোৱা ৩০ ডিচেম্বৰত একাংশ উদণ্ড যুৱকৰ হাতত মৃত্যুবৰণ কৰা মৃণ্ময় হাজৰিকা আৰু লগতে সভাখনৰ অন্যতম আহ্বায়ক অৰূপ কুমাৰ শৰ্মাৰ যোৱা ৬ জানুৱাৰীত আকস্মিকভাৱে হোৱা মৃত্যুত মৌন প্ৰাৰ্থনাৰে শোক প্ৰকাশ কৰা হয়। নাগৰিক সভাখনৰ উদ্দেশ্য ব্যাখ্যা কৰি সভাৰ অন্যতম আহ্বায়ক পিকুমনি দত্তই গোলাঘাট নগৰৰ অলিয়ে-গলিয়ে গঢ় লোৱা ড্ৰাগছৰ ঘাটি, আৰক্ষীৰ নিষ্ক্ৰিয়তা আৰু নাগৰিকসকলৰ দায়িত্ব তথা কৰ্তব্যৰ বিষয়ে নাগৰিক সমাজৰ মাজত এক জাগৰণ আৰু প্ৰয়োজনীয়তা সম্পৰ্কে ব্যাখ্যা আগবঢ়ায়। সভাত ৩০ ডিচেম্বৰৰ ঘটনাত আক্ৰান্ত জ্যেষ্ঠ অধিবক্তা দুৰ্গাপ্ৰসাদ জয়ছোৱালে নিজস্ব অভিজ্ঞতা ব্যক্ত কৰাৰ লগতে চৰকাৰৰ বহু গোচৰ থানা পৰ্যায়ত নাইকিয়া কৰাৰ বিষয়ক আইনী ব্যাখ্যা ডাঙি ধৰি ই- কেনেকৈ অপৰাধীক সহায় কৰে তাৰ বিস্তৃত বিৱৰণ ডাঙি ধৰে। সভাত কিশোৰ কুমাৰ দত্ত, সঞ্জীৱ সন্দিকৈ, অমৃত কুমাৰ হাজৰিকা, তিলেশ্বৰ তামোলী, দীপ কলিতা, ৰেকিব শ্বাহ, বিদ্যাধৰ শইকীয়া, ড° লুকুমণি গোস্বামী, প্ৰদ্যুম্ন দত্ত আদি বক্তাসকলে গোলাঘাট নগৰৰ ভয়াবহ পৰিস্থিতিৰ সন্দৰ্ভত নিজ নিজ ব্যাখ্যা আগবঢ়ায়। সভাই বিস্তৃত আলোচনাৰ অন্তত এই বিষয়ৰ সন্দৰ্ভত স্থানীয় বিধায়িকা তথা মন্ত্ৰী অজন্তা নেওগ, জিলা প্ৰশাসন আৰু আৰক্ষী প্ৰশাসনৰ লগত তৎকালীনভাৱে যোগাযোগ কৰি কাৰ্যব্যৱস্থা আগবঢ়াই নিবলৈ গোলাঘাট সচেতন নাগৰিক সমাজৰ হৈ কিশোৰ কুমাৰ দত্ত, সঞ্জীৱ সন্দিকৈ, পিকুমনি দত্ত, ৰোহিত গগৈ আৰু দীপমণি খাটনিয়াৰক লৈ এখন পাঁচজনীয়া আহ্বায়ক সমিতি গঠন কৰে। এই সমিতিয়ে নগৰৰ বিভিন্ন অঞ্চলৰ সচেতন নাগৰিকসকলৰ লগত যোগাযোগ ৰক্ষা কৰি ড্ৰাগছ, সুৰাত আসক্ত লোকক চিনাক্তকৰণ কৰাৰ কাম আৰম্ভ কৰিব। এই আহ্বায়ক সমিতিখনে প্ৰয়োজন সাপেক্ষে নাগৰিক সভা অনুষ্ঠিত কৰিবলৈকো সভাই দায়িত্ব প্ৰদান কৰে। সভাত বিভিন্ন বক্তাই আৰক্ষীৰ নিষ্ক্ৰিয় মনোভাৱ আৰু অদ্যপৰিমিত ৩০ ডিচেম্বৰৰ ঘটনাৰ মূল অভিযুক্তজনক গ্ৰেপ্তাৰ কৰিব নোৱৰা কাৰ্যতো উদ্বেগ প্ৰকাশ কৰে। এতিয়াৰ পৰা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ যোগসূত্ৰধাৰী অনুষ্ঠান 'গোলাঘাট সচেতন নাগৰিক সমাজ'-এ গোলাঘাট নগৰৰ এনেধৰণৰ সমস্যাৰ ক্ষেত্ৰত তৎকালীন ব্যৱস্থা ল'বলৈ আহ্বায়ক মণ্ডলীক দায়িত্ব প্ৰদান কৰে।

১০ জানুৱাৰীত অনুষ্ঠিত হ'ব প্ৰাক ভোগালী বিহু আৰু বাণিজ্য মেলা

# ৰহা এ.জে. পাব্লিক স্কুলত তিনিদিনীয়া বাৰ্ষিক ক্ৰীড়া সমাৰোহ শুভাৰম্ভ

**অসম বাৰ্তা, ৰহা, ৮ জানুৱাৰী ঃ** ৰহা দীঘলিআটি স্থিত ইংৰাজী মাধ্যমৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয় এজে পাব্লিক স্কুলত আজিৰ তিনিদিনীয়া বাৰ্ষিক ক্ৰীড়া সমাৰোহ শুভাৰম্ভ হয়। এই উপলক্ষে পুৱা এ জে পাব্লিক স্কুল খেল পথাৰত বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি বিশ্বজিত ভূঞাৰ দ্বাৰা পতাকা উত্তোলন আৰু ৰহা মীন মহাবিদ্যালয়ৰ প্ৰাক্তন ডীন ড° কৃষ্ণ কান্ত তামোলীৰ দ্বাৰা প্ৰানৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তিপ্ৰজ্বলন আৰু শ্ৰদ্ধাঞ্জলি অৰ্পন কৰি শুভাৰম্ভ কৰাৰ লগতে স্কুলৰ সহ শিক্ষয়ত্ৰী ফেমিনা মোমিনে আঁত ধৰা ক্ৰীড়া সমাৰোহ শুভাৰম্ভ অনুষ্ঠানত ৰহা সমজিলা আৰক্ষী অধীক্ষক সোণমনি শইকীয়াই তিনিদিনীয়া বাৰ্ষিক ক্ৰীড়া সমাৰোহ উদ্বোধন কৰি কয় যে শিক্ষাৰ লগতে শিশু সকল শাৰীৰিক, মানসিকভাৱে সুস্থ, সবল থাকিবলৈ খেলৰ বহু প্ৰয়োজন লগতে অধীক্ষক শইকীয়াই শিশু সকলক মোবাইলৰ পৰা দূৰ ৰাখিবলৈ অভিভাৱক সকলক আহ্বান জনায়। অনুষ্ঠানত ৰহা মীন মহাবিদ্যালয়ৰ প্ৰাক্তন ডীন ড° কে কে তামোলী, এ জে পাব্লিক স্কুল পৰিচালনা সমিতিৰ মুখ্য উপদেষ্টা উমেশ চন্দ্ৰ দাস, সভাপতি বিশ্বজিত ভূঞা, ৰহা মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষা দ্বিপ্তী দেৱী শৰ্মা, ৰহা আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি সঞ্জয় কুমাৰ কাকতিয়ে কন কন শিশু সকলক সম্বোধন কৰি উৎসাহ বৰ্দ্ধন কৰে। এজে পাব্লিক স্কুলৰ প্ৰধান শিক্ষক প্ৰাঞ্জিত বৰাই জানিব দিয়ে যে অহা ১০ জানুৱাৰীত তিনিদিনীয়া বাৰ্ষিক ক্ৰীড়া সমাৰোহৰ সমাপন হোৱাৰ লগতে প্ৰাক ভোগালী বিহু আৰু বাণিজ্য মেলা অনুষ্ঠিত হ'ব। এই উপলক্ষে ৰহা মহাবিদ্যালয়ৰ অধ্যাপক পৰাগ কুমাৰ দাস, এজে পাব্লিক স্কুলৰ চেয়াৰমেন জহীৰুল ইছলাম, বিদ্যালয় পৰিচালনা সমিতিৰ সদস্য মহম্মদ আলী হুছেইন, বিদ্যালয়ৰ প্ৰধান শিক্ষক প্ৰাঞ্জিত বৰা সহ শিক্ষক শিক্ষয়ত্ৰী, অভিভাৱক, অভিভাৱিকা, ছাত্ৰ-ছাত্ৰী আৰু গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

গুৰুত্বৰভাৱে আহত চালক আৰু হেণ্ডিমেন; লণ্ডভণ্ড ব্যৱসায়ী প্ৰতিষ্ঠান

# গোলাঘাটত নিশা কয়লা ভৰ্তি বাহন দুৰ্ঘটনাগ্ৰস্ত

**ষ্টাফ ৰিপ'ৰ্টাৰ, গোলাঘাট, ৮ জানুৱাৰী ঃ** যোৱা নিশা গোলাঘাটৰ পদুমণিত সংঘটিত হয় এক ভয়ংকৰ পথ দুৰ্ঘটনা। তিনিচুকীয়া দিশৰ পৰা খটখটি অভিমুখী এন এল-০৭ এ এ-৪৬৬৮ নম্বৰৰ এখন ১৬ চকীয়া কয়লাভৰ্তি বাহনে নিয়ন্ত্ৰণ হেৰুৱাই পথৰ কাষৰ ডিভাইডাৰত খুন্দিয়াই বাগৰি পৰে। যাৰ ফলত বাহনখনৰ চালক আৰু হেণ্ডিমেন গুৰুতৰভাৱে আহত হোৱাৰ লগতে এটা জিৰণি চ'ৰা আৰু দুখন ব্যৱসায়িক প্ৰতিষ্ঠানৰ ব্যাপক ক্ষতিসাধন হয়। দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছত স্থানীয় ৰাইজে ততাতৈয়াকৈ ঘটনাস্থলীত উপস্থিত হৈ চালক আৰু হেণ্ডিমেনক উদ্ধাৰ কৰি গোলাঘাটৰ শ্বহীদ কুশল কোঁৱৰ অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে যদিও আঘাত গুৰুতৰ হোৱাত চিকিৎসকে উন্নত চিকিৎসাৰ বাবে যোৰহাট চিকিৎসা মহাবিদ্যালয়লৈ প্ৰেৰণ কৰে। আনহাতে ঘটনাস্থলীত পুৱাৰ ভাগত গোলাঘাট যান বাহন আৰক্ষীৰ এটা দল উপস্থিত হৈ বাহনখন উদ্ধাৰ কাৰ্য আৰম্ভ কৰে। গুৰুত্বপূৰ্ণ কথা যে কয়লা সৰবৰাহৰ ক্ষেত্ৰত চৰকাৰে নিষেধাজ্ঞা জাৰী কৰি থৈছে যদিও কেনেকৈ এনেদৰে নিশাৰ ভাগত ট্ৰাকেট্ৰাকে কয়লা সৰবৰাহ হৈ আছে সেইয়া ৰহস্যৰ বিষয়। ইফালে দুৰ্ঘটনাগ্ৰস্ত কয়লাখিনি বৈধ্য নে অবৈধ সেইয়া আৰক্ষীৰ প্ৰকৃত তদন্তৰ পাছতহে পোহৰলৈ আহিব।



# নাৰাৱভিটা মানাহ নৈৰ ওপৰত থকা জৰাজীৰ্ণ ফুট ব্ৰীজে জ্বলাকলা খুৱাইছে নাৰাৱভিটা বাসী ৰাইজক

**অসম বাৰ্তা, লেংটিছিঙা, ৮ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰী উত্তৰ সমষ্টিৰ ৰাঙাপানী পঞ্চায়তৰ অন্তৰ্গত নাৰাৱ ভিটাত মানাহ নৈৰ ওপৰত থকা এখন জৰাজীৰ্ণ বাঁহৰ দলঙে জলাকলা খুৱাইছে অঞ্চলবাসী ৰাইজক। প্ৰায় ২০/২৫খন গাঁৱৰ ৰাইজে যাতায়ত কৰা মানাহ নদীৰ নাৰাৱভিটা পাৰ ঘাটৰ উক্ত বাঁহৰ দলং খনৰ ঠাইত এখন পকী দলং নিৰ্মাণৰ বাবে স্থানীয় ৰাইজে বিধায়ক আব্দুল বাতিন খন্দকাৰক বাৰে বাৰে অনুৰোধ জনাই আহিছিল। বিধায়ক আব্দুল বাতিন খন্দকাৰে উক্ত ঠাইত এখন পকী দলং নিৰ্মাণৰ বাবে স্থানীয় ৰাইজক আশ্বাস দিয়াৰ পিছততো সময়ত একো নকৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় ৰাইজে। বাৰিষাৰ দিনত উক্ত নাৰাৱভিটা মানাহ নদীৰ পাৰ ঘাটত অঞ্চলটোৰ স্কুল - কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ উপৰিও হেজাৰ হেজাৰ ৰাইজ যাতায়ত কৰে টুলুঙা নাৱেৰে আৰু খৰালি কালত যাতায়ত কৰে লেচিয়ে নিৰ্মাণ কৰা বাঁহৰ সাঁকোৰে। অঞ্চলটোৰ স্কুল কলেজীয়া ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী আৰু কৃষি জীৱি ৰাইজে প্ৰতি দিনে ধনৰ বিনিময়ত উক্ত পাৰঘাটেৰে অহা-যোৱা কৰাত আৰ্থিক ভাৱে জৰুলা হৈ পৰিছে। বিধায়ক আব্দুল বাতিন খন্দকাৰৰ পাঁচ বছৰীয়া কাৰ্যকালত সমষ্টি উন্নয়নৰ ফোঁপোলা স্বৰূপে উদঙাই দিছে চৰম ব্যৰ্থতা।

# উত্তৰ শালমাৰাত চোৰে লুটিলে ৬০ টাৰো অধিক মোবাইল ফোনৰ হেণ্ডছেট

**ষ্টাফ ৰিপ'ৰ্টাৰ, বঙাইগাঁও, ৮ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ তিনিজন শিক্ষিত যুৱকে চাকৰিৰ আশা বাদ দি মোবাইল ফোনৰ মেৰামতিৰ দোকান এখন খোলে যদিও যোৱা নিশা চোৰে তহিলং কৰাত মূৰত সৰগ ভাঙি পৰে যুৱক কেইজনৰ। জানিব পৰা মতে নবীন নাথ, মৃগাংক কলিতা আৰু হেলিম ৰায় নামৰ তিনি যুৱকে উত্তৰ শালমাৰা চ'কত "মা মোবাইল চাৰ্ভিছ চেণ্টাৰ" নামৰ মোবাইল মেৰামতি কৰা দোকান এখন দিছিল। কিন্তু যোৱা নিশা চোৰে লুটি নিলে গ্ৰাহকে মেৰামতি কৰাবলৈ দিয়া ৬০ টাৰো অধিক মোবাইল ফোনৰ হেণ্ডছেট আৰু নগদ দহ হাজাৰ টকা। টিনপাত কাটি ভিতৰত প্ৰৱেশ কৰাৰ দৃশ্য চিচিটিভি কেমৰাত বন্দী হয়। ইতিমধ্যে উত্তৰ শালমাৰা আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰি।

# যোৰহাটত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা ড° বিজয়া ৰাহটকাৰৰ পৰ্যালোচনা বৈঠক সম্পন্ন

**অসম বাৰ্তা, যোৰহাট, ৭ জানুৱাৰী ঃ** ৰাষ্ট্ৰীয় মহিলা আয়োগৰ মাননিয়া অধ্যক্ষা ড° বিজয়া ৰাহটকাৰ মহোদয়া ৫ জানুৱাৰীত যোৰহাটত উপস্থিত হৈ আৱৰ্ত ভৱনৰ সভাকক্ষত জিলা প্ৰশাসনৰ বিষয়াসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত মিলিত হয়। বৈঠকত জিলাখনত মহিলাৰ কল্যাণ আৰু সুৰক্ষা সম্পৰ্কীয় আইন, নীতি, আঁচনি ৰূপায়ণৰ সম্পৰ্কত বুজ লৈ অধ্যক্ষাগৰাকীয়ে বিভিন্ন পদক্ষেপৰ অৱস্থা আৰু অভিযোগৰ নিৰাময় ব্যৱস্থাৰ পৰ্যালোচনা কৰাৰ উপৰিও আৰক্ষী প্ৰশাসনৰ সৈতেও এখন পৰ্যালোচনা বৈঠক সম্পন্ন কৰে। ৰাষ্ট্ৰীয় মহিলা আয়োগৰ মাননিয়া অধ্যক্ষা ড° বিজয়া ৰাহটকাৰে আজি যোৰহাট অভিযান্ত্ৰিক মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত পঞ্চায়তীৰাজ প্ৰতিষ্ঠানসমূহৰ নিৰ্বাচিত মহিলা প্ৰতিনিধিসকলৰ "তেওঁ এগৰাকী পৰিৱৰ্তনকাৰী" (She is a changemaker) শীৰ্ষক এদিনীয়া সামৰ্থ্য বিকাশ কৰ্মশালাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি অধ্যক্ষাগৰাকীয়ে বিকশিত ভাৰত নিৰ্মাণৰ ক্ষেত্ৰত মহিলাসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আৰু কৰণীয় সন্দৰ্ভত বিস্তৃত ব্যাখ্যা আগবঢ়ায়। সভাত ভাৰত চৰকাৰৰ মহিলা আয়োগৰ অতিৰিক্ত সচিব ড° ৰাধিকা চক্ৰৱৰ্তীয়েও ভাষণ প্ৰদান কৰি মহিলা উত্তৰণৰ ক্ষেত্ৰত সাৱলীল বক্তব্য আগবঢ়ায়। অতিৰিক্ত জিলা আয়ুক্ত চুলতানা আখতাৰা আহমেদ মহোদয়াই আদৰণি ভাষণ প্ৰদান কৰা অনুষ্ঠানত অসম মহিলা বিশ্ববিদ্যালয়ৰ অধ্যাপক আদিত্য বৰবৰা, অসম গ্ৰামীণ জীৱিকা মিছনৰ জিলা কাৰিকৰী বিশেষজ্ঞ অংকিতা ভৰালী, জিলা আইন সেৱা প্ৰাধিকৰণৰ অধিবক্তাই প্ৰশিক্ষণ প্ৰদান কৰে। অনুষ্ঠানত যোৰহাট পৌৰসভাৰ পৌৰপতি লক্ষিমী খাৰঘৰীয়া, অসম চৰকাৰৰ মহিলা আৰু শিশু বিকাশ উন্নয়ন বিভাগৰ অতিৰিক্ত সচিব অভিজিৎ সিনহা, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া প্ৰমুখ্যে ভালে সংখ্যক গণ্য মান্য লোক উপস্থিত থাকে। ইয়াৰোপৰিও যোৰহাট আৱৰ্ত ভৱনৰ সভাকক্ষত NAMO ড্ৰ'ন দিদি আৰু অন্যান্য কল্যাণমূলক আঁচনিৰ অধীনত মহিলা হিতাধিকাৰীৰ সৈতে মত বিনিময় কৰি গ্ৰাম্য মহিলাসকলক সবলীকৰণ, কৃষিৰ ক্ষেত্ৰত উন্নত প্ৰযুক্তিৰ প্ৰসাৰ, আয় বৃদ্ধি, আৰু কৃষি উৎপাদনশীলতা উন্নত কৰা আদি বিষয় সম্পৰ্কত আলোচনা কৰে।

## 'অসম বাৰ্তা'ৰো আছে সুকীয়া পৰিচয়

সময়ত নিয়মীয়া পাঠকৰ মাজত ব্যাপক ভাৱে প্ৰচাৰিত। যিখন বাতৰি কাকতে অসমত এক উচ্চ স্থান লাভ কৰিবলৈ সক্ষম হৈছে। যিখন বাতৰি কাকতত প্ৰকাশ পায় সমাজৰ বাস্তৱিক ধাৰা নীতি। অসম বাৰ্তা কেৱল এখন বাতৰি কাকতেই নহয় ই সমাজৰ ব্যক্তি সকলৰ প্ৰকাশৰ থল। অসম বাৰ্তাত যদিও সমাজৰ বাবে এক বাৰ্তা কিন্তু যুৱ প্ৰজন্মৰ লেখক লেখিকাক স্থান দিয়াৰ বাবে এই বাতৰি কাকতখন বৰ্তমান মোৰ লগতে অসমৰ হাজাৰজন যুৱ প্ৰজন্মৰ লেখকৰ বাবে অতি বেছি প্ৰিয়। অসম বাৰ্তাত প্ৰকাশিত হোৱা লেখা সমূহ ইমানেই সাৱলীল আৰু সমাজ কেন্দ্ৰিক যি বোৰ পঢ়িলেই জ্ঞান আহৰণ বাবে যচেষ্ট উপকাৰী। আন বাতৰি কাকতত সমূহৰ তুলনাত এই বাতৰি কাকতখন এই কাৰণে গুৰুত্ব পূৰ্ণ যে ইয়াত সমাজৰ প্ৰত্যেকজন ব্যক্তিকে লিখা মেলা কৰাৰ সুযোগ প্ৰদান কৰে। ময়ো বহু বাৰ লিখা মেলা কৰি অসম বাৰ্তা কাকতত লগত পৰিচয় হব পাৰিছিলো। মই প্ৰথম অৱস্থাত অসম বাৰ্তা কাকতখন যে এখন সাৱলীল আৰু জনপ্ৰিয় কাকত গম পোৱা নাছিলো, এই কাকতখন যে দৈনিক জনমভূমিৰ দৰেই এখন প্ৰতিষ্ঠিত বাতৰি কাকত সেইয়াও মই জনা নাছিলোঁ, এই বাতৰি কাকত খনৰ যে অসমত এক সুকীয়া পৰিচয় আছে সেইয়াও মই জনা নাছিলোঁ। মোৰ এজন অতি প্ৰিয় ব্যক্তিয়ে বাতৰি কাকত খনৰ সন্দ্ৰভত ব্যাখ্যা আগবঢ়াইছিল। এইক্ষেত্ৰত মই তেখেতক ধন্যবাদ জ্ঞাপন কৰিছো। তেখেতৰ অবিহনে আজি বাতৰি কাকতখন চিনাকি অচিনাকি ৰ মাজতে ৰৈ গল হয়।, যেতিয়া ব্যক্তি জনে বাতৰি কাকত খনৰ পৰিসৰৰ বিষয়ে বহলাই কৈছিল। তেতিয়া পৰাই বাতৰি কাকত খনৰ বিষয়ে অধিক জানিবলৈ পাৰিলোঁ, বাতৰি কাকত খনৰ বিষয়ে আলোকপাত কৰিলোঁ তেতিয়া পৰাই অধিক বেছি অসম বাৰ্তা কাকত খনৰ প্ৰতি আগ্ৰহী হৈ পৰিলোঁ। মোৰ সাহিত্য জগতৰ প্ৰথম লেখা কিন্তু অসম বাৰ্তাত প্ৰকাশ হৈছিল। আৰু অসম বাৰ্তাই এই সুযোগ প্ৰদান কৰিছিল। সেই হিচাপে অসম বাৰ্তা সদায় মোৰ বাবে প্ৰথম আৰু বিশেষ এখন বাতৰি কাকত। ভাল লাগে যেতিয়া এখন বাতৰি অসমৰ জনসাধাৰণৰ মাজত ইমান সাৱলীল ভাৱে জনপ্ৰিয় হোৱা দেখিলে। যেতিয়া বাতৰি কাকত খনৰ বিষয়ে তথ্য লাভ কৰিলো তেতিয়াৰ পৰাই আৰু বেছি অসম বাৰ্তাৰ প্ৰেমত পৰিবলৈ ললো। এতিয়া এনেকুৱা হৈছে মই এজন অসম বাৰ্তাৰ নিয়মীয়া পাঠক। দিনটোত যদি এবাৰ অসম বাৰ্তাত সম্পাদকীয় পৃষ্ঠাটো নপঢ়ো তেনেহলে মনটো ভালেই নালাগে। নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ, অসমীয়া প্ৰতিদিন, দৈনিক অসম, আদিৰ দৰে বহুখিনি বাতৰি কাকতে অসমত নিজৰ পৰিচয় দখল কৰি আছে। সঁচাকৈ অসমত বহু কেইখন বাতৰি কাকতেই আছে। কিন্তু সেই বাতৰি কাকত সমূহৰ লগত সমানেই ফেৰ মাৰিবলৈ সক্ষম হোৱা এখন গুৰুত্ব পূৰ্ণ অসমীয়া বাতৰি কাকত হল অসম বাৰ্তা। যিখন অসম বাৰ্তাত অসম খনক নতুনকৈ সজাই তোলা হৈছে। অসম খনক নতুন পৰিচয়ৰে দাঙি ধৰিবলৈ সক্ষম হৈছে। এটা কথাত কাকতখন ভাল লাগে অসম বাৰ্তা কেৱল এটা অঞ্চলৰ মাজত সীমাবদ্ধ হৈ থকা নাই, অসম বাৰ্তা অসমৰ ইমূৰৰ পৰা সিমূৰলৈ সকলোৰে মাজত জনপ্ৰিয়তা লাভ কৰিছে। মই লেখা মেলা কৰা জীৱনত এই অসম বাৰ্তাৰ যচেষ্ট অৰিহণা আছে। যিখন কাকতৰ যোগেদি মই বহুখিনি সমসাময়িক তথ্যৰ যোগান ধৰিব পাৰো। মোৰ বিশ্বাস এটা সময়ত এই কাকত খনে মাইলৰ খুঁটি হিচাপে পৰিচয় হব। জনসাধাৰণে এই বাতৰি কাকত খনকো সন্মানেৰে বিভূষিত কৰাব। অসমৰ পৰিচয় এটা ৰক্ষা কৰি এটা যুগৰ এটা সময়ৰ আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হ'ব। সদায় অসম বাৰ্তা জিলিকি উঠক তাৰে কামনা।

## এটি সফল যাত্ৰাৰ খতিয়ান আৰু সম্ভাৱনা

যাত্ৰাতে এক বলিষ্ঠ খোজ হিচাপে অহা ৯ জানুৱাৰী তাৰিখে আমাৰ মৰমৰ 'অসম বাৰ্তা' কাকতখনে ষষ্ঠ বৰ্ষ সফলতাৰে সম্পূৰ্ণ কৰি সপ্তম বৰ্ষত ভৰি দিব। এইয়া কেৱল এটা দিন বা এটা সংখ্যাৰ কথা নহয়, এয়া হ'ল যোৱা ছয়টা বছৰে সমাজৰ প্ৰতি দায়বদ্ধ থাকি কৰা এক নিৰৱচ্ছিন্ন সংগ্ৰামৰ জয়যাত্ৰা।

যিকোনো এটা সংবাদ প্ৰতিষ্ঠানৰ বাবে জন্মলগ্নৰ পৰা নিজক প্ৰতিষ্ঠা কৰালৈকে যি পথ, সেই পথটো অতিশয় প্ৰত্যাহ্বানমূলক। 'অসম বাৰ্তা'ই এই সময়ছোৱাত বহু ঘাট-প্ৰতিঘাট অতিক্ৰম কৰিছে। মাজুলীৰ দৰে সাংস্কৃতিক প্ৰাণকেন্দ্ৰৰ পৰা আৰম্ভ কৰি সমগ্ৰ অসমৰ চুকে-কোণে থকা মানুহৰ সমস্যা, দুখ-বেদনা আৰু সাফল্যৰ কাহিনীক এই কাকতখনে নিৰ্ভীকভাৱে প্ৰতিফলিত কৰিছে। আজিৰ এই সোণালী সময়ৰ সাক্ষী হৈ থকা প্ৰতিগৰাকী কৰ্মচাৰী আৰু সংবাদদাতাৰ ত্যাগ এই সফলতাৰ মূল ভেটি।

'অসম বাৰ্তা'ৰ বিশেষত্ব হ'ল ইয়াৰ তৃণমূল পৰ্যায়ৰ সৈতে থকা সম্পৰ্ক। কেৱল গ্লেমাৰাইজড্ নিউজ বা চাঞ্চল্যৰ পাছত দৌৰাতকৈ সমাজৰ একেবাৰে নিম্নবৰ্গৰ মানুহখিনিৰ কণ্ঠ হোৱাৰ যি প্ৰয়াস এই কাকতখনে কৰি আহিছে, সেয়া সঁচাকৈ শলাগিবলগীয়া। লেখক-লেখিকা সকলৰ চিন্তাশীল লেখা আৰু সংবাদদাতা সকলৰ সজাগ দৃষ্টিয়ে কাকতখনক এক বৌদ্ধিক মাত্ৰা প্ৰদান কৰিছে।

আজিৰ এই বিশেষ দিনটোত মই পোনপ্ৰথমে 'অসম বাৰ্তা' পৰিয়ালৰ কাৰ্যাধ্যক্ষৰ পৰা আৰম্ভ কৰি বিতৰকজনলৈকে সকলোকে আন্তৰিক অভিনন্দন জনাইছোঁ। লগতে কৃতজ্ঞতা জনাইছোঁ সেইসকল পাঠক আৰু শুভাকাংক্ষীক, যাৰ নিস্বাৰ্থ মৰম আৰু সঁহাৰি অবিহনে এই যাত্ৰা সম্ভৱ নহ'লহেঁতেন। এজন পঢ়াটো হিচাপে মই অনুভৱ কৰোঁ যে 'অসম বাৰ্তা'ই কেৱল খবৰেই নিদিয়ে, ই সমাজখনক ভাবিবলৈ খোৰাকো যোগায়।

সপ্তম বৰ্ষত ভৰি দিয়াৰ এই শুভ ক্ষণত আমাৰ আশা— 'অসম বাৰ্তা'ই অনাগত দিনত আৰু অধিক শক্তিশালী ৰূপত আত্মপ্ৰকাশ কৰক। তথ্য-প্ৰযুক্তিৰ এই যুগত বাতৰিৰ সত্যতা নিৰূপণ কৰাটো এক ডাঙৰ প্ৰত্যাহ্বান, আৰু বিশ্বাস কৰোঁ যে 'অসম বাৰ্তা'ই সত্য আৰু ন্যায়ৰ পক্ষত সদায় অটল থাকিব। কলমৰ ধাৰ তীব্ৰতৰ হওক আৰু ই সমাজৰ আন্ধাৰ দূৰ কৰি জ্ঞানৰ পোহৰ বিলাই যাওক।

'অসম বাৰ্তা'ৰ উত্তৰোত্তৰ শ্ৰীবৃদ্ধি কামনা কৰি পুনৰবাৰ সকলোকে হিয়াভৰা ওলগ জনালোঁ।

## সংবাদ জগতত সততাৰ ধ্ৰুৱতৰা

যিকোনো এটা সংবাদ প্ৰতিষ্ঠানৰ বাবে ছয়টা বছৰ কেৱল এটা সংখ্যা নহয়, ই হ'ল বহু ঘাত-প্ৰতিঘাত, নিৰন্তৰ সংগ্ৰাম আৰু পাঠকৰ বিশ্বাস অৰ্জনৰ এক দীঘলীয়া পৰিক্ৰমা। এই গৌৰৱোজ্জ্বল মুহূৰ্তত মই "অসম বাৰ্তা" পৰিয়ালৰ প্ৰতিগৰাকী কৰ্মচাৰী, নিষ্ঠাবান সংবাদদাতা, বৌদ্ধিক চিন্তাৰে পৰিপুষ্ট লেখক-লেখিকা আৰু অগণন শুভাকাংক্ষীলৈ মোৰ হিয়াভৰা অভিনন্দন কৰিছোঁ।

বৰ্তমানৰ এই দ্ৰুতবেগী ডিজিটেল যুগটোত সংবাদৰ ভিৰত 'সত্য'ক বিচাৰি উলিওৱাটো এটা কঠিন প্ৰত্যাহ্বান হৈ পৰিছে। এনে এক সন্ধিক্ষণত "অসম বাৰ্তা"ই যোৱা ছয় বছৰে যি নিৰপেক্ষতা আৰু সততাৰ পৰিচয় দি আহিছে, সেয়া সঁচাকৈয়ে অতুলনীয়। সমাজৰ তৃণমূল স্তৰৰ সমস্যাসমূহক অগ্ৰাধিকাৰ দিয়াৰ পৰা আৰম্ভ কৰি সাহিত্য-সংস্কৃতিৰ চৰ্চালৈকে, কাকতখনে প্ৰতিটো দিশতে নিজৰ বলিষ্ঠ স্থিতি প্ৰদৰ্শন কৰিছে। বিশেষকৈ মাজুলীৰ পৰা আৰম্ভ হোৱা এই যাত্ৰাই যিদৰে সমগ্ৰ অসমৰ বৌদ্ধিক সমাজক একত্ৰিত কৰিবলৈ সক্ষম হৈছে, সেয়া আমাৰ বাবে এক আশাৰ বতৰা।

এগৰাকী শুভাকাংক্ষী হিচাপে মই অনুভৱ কৰোঁ যে "অসম বাৰ্তা" কেৱল কাগজৰ কেইটামান পৃষ্ঠা নহয়, ই হ'ল জনসাধাৰণৰ কণ্ঠস্বৰ। নতুনকৈ কলম হাতত লোৱা প্ৰজন্মক উৎসাহিত কৰাৰ লগতে জ্যেষ্ঠসকলৰ অভিজ্ঞতাক সন্মানেৰে স্থান দি কাকতখনে এখন সুস্থ সমাজ গঢ়াৰ দিশত আগভাগ লৈছে। ৬ বছৰ অতিক্ৰম কৰি ৭ম বৰ্ষত পদাৰ্পণ কৰা এই সময়ছোৱাত কাকতখনৰ লগত জড়িত প্ৰতিগৰাকী ব্যক্তিৰ ত্যাগ আৰু শ্ৰমক মই শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

অনাগত দিনবোৰত "অসম বাৰ্তা"ৰ এই জয়যাত্ৰা অব্যাহত থাকক। আধুনিকতাৰ লগত খোজ মিলাই সংবাদ জগতত ই এক নতুন মাত্ৰা প্ৰদান কৰক আৰু সমাজৰ অন্ধকাৰ ফালি সত্যৰ পোহৰ বিলোৱাত সদায় অগ্ৰণী ভূমিকা পালন কৰক। "অসম বাৰ্তা"ৰ সপ্তম বৰ্ষৰ আৰম্ভণিয়ে কাকতখনক আৰু অধিক শক্তিশালী আৰু জনমুখী কৰি তোলক— তাকেই পৰমপিতা পৰমেশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছো।

## 'অসম বাৰ্তা'ৰ সাফল্যৰ ষষ্ঠ বৰ্ষপূৰ্তি উপলক্ষে শুভেচ্ছা

ছয় বছৰ সম্পূৰ্ণ কৰি ৬ষ্ঠ বছৰত ভৰি দিব বুলি জানিব পাৰি ভাল লাগিছে। এয়া নিঃ সন্দেহে সংবাদ-পত্ৰখনৰ সৈতে জড়িত ব্যক্তিসকলৰ আশাশুধীয়া চেষ্টা আৰু একাগ্ৰতাৰ ফল। আজিৰ বিজ্ঞান আৰু প্ৰযুক্তিৰ যুগত ডিজিটেল সংবাদ-পত্ৰ এখনৰ গুৰুত্ব কিমান সেয়া সকলোৰে জ্ঞাত। আমি দেখিছোঁ যে আশ্চৰ্যজনকভাৱে মোবাইল ফোনৰ জনপ্ৰিয়তা দিনক দিনে বৃদ্ধি পাই আহিছে। এই জনপ্ৰিয়তা বৃদ্ধিৰ কাৰণ মোবাইল কোম্পানীসমূহে আগবঢ়োৱা নতুন নতুন টেকন'ল'জি। আজি আমি মোবাইল ফোনৰ আধুনিক প্ৰযুক্তিয়ে প্ৰদান কৰা সুবিধাৰে বহু কাম থিতাতে কৰিব পাৰোঁ। তেনে এটি থিতাতে কৰিব পৰা কামৰ ভিতৰত উল্লেখযোগ্য কাম হৈছে - সংবাদ-পত্ৰৰ ডিজিটেল সংস্কৰণ। ডিজিটেল সংস্কৰণৰ সংবাদ-পত্ৰসমূহৰ পৰাও আমি দেশ-বিদেশৰ বা-বাতৰিসমূহ তৎমুহূৰ্ততে লাভ কৰিব পাৰোঁ।

ডিজিটেল সংবাদ-পত্ৰসমূহৰ জনপ্ৰিয়তা আজি যথেষ্ট বৃদ্ধি পাইছে। মাজুলীৰ পৰা আজিৰ পৰা প্ৰকাশ পোৱা ডিজিটেল সংবাদ-পত্ৰ 'অসম বাৰ্তা'ই এই জনপ্ৰিয়তাৰ বাবেই আজি গৌৰৱপূৰ্ণ পাঁচটা বছৰ অতিক্ৰম কৰিলে। সংবাদ-পত্ৰ এখন এনেদৰে চলাই নিয়াটো বৰ সহজ কথা নহয়। দেশ-বিদেশৰ বিভিন্ন অঞ্চলৰ বা-বাতৰিসমূহ দৈনিক সংগ্ৰহ কৰি প্ৰকাশ কৰাই কেৱল সংবাদ-পত্ৰ এখনৰ কাম নহয়, তাৰ লগে লগে সেই বাতৰিসমূহৰ সত্যাসত্য নিৰূপণ কৰা তথা বহু সময়ত প্ৰকাশিত বাতৰিসমূহৰ পৰিপ্ৰেক্ষিতত কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হোৱাটোও এটা ডাঙৰ কথা। সত্যৰ পক্ষত থাকি সংবাদ পৰিৱেশন কৰিবলৈ যাওঁতে সংবাদ-পত্ৰ এখনৰ সৈতে জড়িত লোকসকল বহু প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হয়। তদুপৰি বৃহৎসংখ্যক পাঠকৰ মন জয় কৰিব পৰাকৈ তিষ্ঠি থাকিবলৈ হ'লে সংবাদ-পত্ৰ এখনে সমসাময়িক অন্যান্য সংবাদ-পত্ৰসমূহৰ সৈতে বহুক্ষেত্ৰত প্ৰতিদ্বন্দ্বিতাও কৰিবলগীয়া হয়। উদাহৰণস্বৰূপে, ৰাজ্যখনৰ বিভিন্ন অঞ্চলৰ লগতে দেশ-বিদেশৰ শেহতীয়া খবৰলৈকে নিজক সংযুক্ত কৰি ৰখা, প্ৰতিক্ৰিয়াশীল চক্ৰৰ পৰা প্ৰভাৱমুক্ত হৈ নিৰপেক্ষতা বৰ্তাই ৰখা আদি। সকলো শ্ৰেণীৰ পাঠকৰ চাহিদা পূৰ্ণ কৰিব পৰাটো সংবাদ-পত্ৰ এখনৰ অন্যতম এক প্ৰয়োজনীয় বৈশিষ্ট্য। 'অসম বাৰ্তা'ই আজি সগৌৰৱেৰে পাঁচ বছৰ সম্পূৰ্ণ কৰাৰ অন্তৰালত এই দিশসমূহ জড়িত হৈ আছে। আমি সুখী হৈছোঁ এই কথাত যে 'অসম বাৰ্তা' সংবাদ-পত্ৰৰ প্ৰতিষ্ঠাকালৰে পৰা জড়িত হৈ থকা ব্যক্তিসকলে বহু আহুকাল আৰু প্ৰত্যাহ্বানকো নেওচি আজিলৈকে আশাশুধীয়া প্ৰচেষ্টাৰে ইয়াক জীয়াই ৰাখিছে। প্ৰকাশন আৰু সম্পাদনাৰ দায়িত্বত থকা সকলৰ লগতে 'অসম বাৰ্তা'ৰ সৈতে সংযুক্ত সংবাদ-কৰ্মীসকলো এই সাফল্যৰ সমানে অংশীদাৰ।

'অসম বাৰ্তা' কাকতৰ এটা তাৎপৰ্যপূৰ্ণ দিশ হৈছে এয়ে যে এই সংবাদ-পত্ৰখনে নতুন প্ৰজন্মক যথেষ্ট উৎসাহিত আৰু অনুপ্ৰাণিত কৰি আহিছে। নতুন প্ৰজন্মৰ বহুকেইগৰাকীয়ে সংবাদ-পত্ৰখনত সংবাদকৰ্মীৰূপে জড়িত হৈ পৰাৰ উপৰিও বহুকেইগৰাকীয়ে ইতিমধ্যে লেখকৰূপেও আত্মপ্ৰকাশ কৰিবলৈ সক্ষম হৈছে। বৰ্তমানে সম্পাদকৰ দায়িত্বত থকা যুৱ সাংবাদিক তনয় বৰাৰ দূৰদৃষ্টিসম্পন্ন এনে পদক্ষেপ নিঃ সন্দেহে প্ৰশংসনীয়। সেইদৰে বিশিষ্ট সাহিত্যিক শ্ৰদ্ধাৰ শৰৎ চন্দ্ৰ চিৰিংফুকন ছাৰে সংবাদ-পত্ৰখনৰ মুখ্য সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰি থকাটো অন্য এক অত্যন্ত যোগাত্মক কথা।

সংবাদ-পত্ৰখনৰ ষষ্ঠ প্ৰতিষ্ঠা দিৱস উপলক্ষে আন্তৰিক শুভকামনা জ্ঞাপন কৰিছোঁ। আশা ৰাখিছোঁ, আগন্তুক দিনবোৰত 'অসম বাৰ্তা'ই আৰু অধিক জনপ্ৰিয়তা অৰ্জন কৰিব। প্ৰয়োজন কেৱল আশাশুধীয়া প্ৰচেষ্টা, প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰা শক্তি তথা সৃজনশীল মানসিকতা। সৰ্বস্তৰৰ পাঠকৰ মানসিক চাহিদা পূৰ্ণ কৰিব পৰাকৈ সংবাদ-পত্ৰখনৰ প্ৰতিটো সংখ্যা নিতৌ নব্যৰূপত প্ৰস্তুত কৰি উলিয়াব পৰাতে ইয়াৰ উজ্জ্বল ভৱিষ্যৎ নিৰ্ভৰ কৰিব।

### মোহন মৰাণ

ডিজিটেল বাতৰি কাকতৰ চাহিদা ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে। ইয়াৰ কাৰণ হৈছে - ডিজিটেল কাকতৰ দ্ৰুত সম্প্ৰচাৰ। যিহেতু প্ৰত্যেকৰে হাতে হাতে মোবাইল ফোন থাকেই। বাতৰি প্ৰকাশ পোৱা লগে লগে নিমিষতে খবৰ হাতত পৰেহি। আজিকালি প্ৰযুক্তিবিদ্যা যিমানেই আগবাঢ়িছে সিমানেই মানুহ ব্যস্ত হৈ পৰিছে। তেনে ব্যস্ততাৰ মাজতো টৌতে খৰমাৰি বাতৰি কাকতখনত চকু ফুৰাব পাৰে। অসমৰ অন্যতম আগশাৰীৰ ডিজিটেল কাকত 'অসম বাৰ্তা'ই ইতিমধ্যে নিজাববীয়াকৈ পাঠকৰ মাজত ঠাই এডোখৰ উলিয়াই ল'ব পৰাতো কম গৌৰৱৰ কথা নহয়। 'অসম বাৰ্তা'ৰ ষষ্ঠ বৰ্ষপূৰ্তি উপলক্ষে মোৰ আন্তৰিক শুভকামনা যাচিলোঁ। অনাগত দিনবোৰত 'অসম বাৰ্তা'ৰ ডিজিটেল সংস্কৰণে আৰু অধিক প্ৰসাৰতা লাভ কৰি ৰাইজৰ অতন্দ্ৰ প্ৰহৰী হৈ আগুৱাই যাওক, তাৰ কামনাৰে দীৰ্ঘায়ু কামনা কৰিলোঁ।

জয়তু 'অসম বাৰ্তা' কাকত...

*জিলা প্ৰতিনিধি*
*অসম সাহিত্য সভা*

### অতুল চন্দ্ৰ শৰ্মা

দৃষ্টিত পাঠকৰ সকলো প্ৰকাৰৰ চাহিদা পূৰণ কৰিব পৰা ই এখন স্বয়ংসম্পূৰ্ণ বাতৰি কাকত।

'অসম-বাৰ্তা'ৰ ষষ্ঠ বৰ্ষপূৰ্তিৰ এই শুভক্ষণত ইয়াৰ সৈতে জড়িত কৰ্তৃপক্ষ, ব্যৱস্থাপকমণ্ডলী, সাংবাদিকসকল আৰু সমূহ পাঠক সতীৰ্থলৈ আমাৰ উষ্ণ অভিনন্দন আৰু হাৰ্দিক শুভকামনা জনাইছোঁ। আশাকৰোঁ, আহিব ধৰা দিনত 'অসম-বাৰ্তা'ই ইয়াৰ ধাৰাবাহিকতা ৰক্ষা কৰি অধিক দৃঢ়তা আৰু নিষ্ঠাৰে অসমৰ সংবাদ জগতলৈ সেৱা আগবঢ়াই যাবলৈ সক্ষম হ'ব।

*বৰদলৈ নগৰ, তিনিচুকীয়া*
*মো ঃ ৯৪৩৫১-১২০৭৯*

## আজি জাহাজত উঠিব 'জাতীয় দল অসম'

এই চামিলকৰণে দলটোক আৰু অধিক শক্তিশালী কৰিব বুলি মন্তব্য কৰে। উল্লেখ্য যে, ২০২০ চনত কংগ্ৰেছ, এআইইউডিএফ, চিপিআই আৰু নিৰ্দলীয় বিধায়কসকলৰ সমৰ্থনত অজিত ভূঞা ৰাজ্যসভালৈ নিৰ্বাচিত হৈছিল। চলিত ২০২৬ চনত তেওঁৰ কাৰ্যকালৰ অন্ত পৰিব। বৰ্তমান তেওঁ বিজেপিৰ বিৰুদ্ধে গঠিত বিৰোধী ঐক্যমঞ্চ 'অসম সন্মিলিত মৰ্চা (অসম)'ৰ সভাপতি হিচাপেও কাৰ্যনিৰ্বাহ কৰি আছে। এই বিলীনকৰণে অসমৰ বিৰোধী শিবিৰত নতুন গতি প্ৰদান কৰিব পাৰে বুলি ৰাজনৈতিক মহলত চৰ্চা হৈছে। তদুপৰি সাংসদ ভূঞাৰ ঘনিষ্ঠ সূত্ৰই প্ৰকাশ কৰা মতে, আগন্তুক বিধানসভা নিৰ্বাচনৰ পিছত তেওঁ প্ৰত্যক্ষ ৰাজনীতিৰ পৰা অব্যাহতি ল'ব পাৰে। যদিও এই বিষয়ত সাংসদগৰাকীয়ে এতিয়াও কোনো আনুষ্ঠানিক মন্তব্য কৰা নাই। অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈৰ নেতৃত্বত দলটোৱে আঞ্চলিকতাবাদী শক্তিৰ মাজত নিজৰ ভেটি মজবুত কৰি অহাৰ মাজতে এই চামিলকৰণে দলটোৰ সাংগঠনিক শক্তি বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ প্ৰেক্ষাপটত এই পদক্ষেপে অসমৰ ৰাজনৈতিক সমীকৰণত নতুন মাত্ৰা যোগ কৰিব পাৰে বুলি বিশেষজ্ঞসকলে মত প্ৰকাশ কৰিছে। অজিত ভূঞাৰ দলৰ এই বিলীনকৰণে বিৰোধী ঐক্যৰ প্ৰচেষ্টাকো গতি প্ৰদান কৰিব পাৰে যদিও সাংসদগৰাকীৰ ভৱিষ্যত ৰাজনৈতিক পদক্ষেপ লক্ষ্যণীয় হৈ পৰিছে।

## সাম্প্ৰতিক সময়ৰ শক্তিশালী কণ্ঠ 'অসম বাৰ্তা'

সময়োপযোগী আৰু বিশ্লেষণাত্মক লেখাৰে কম সময়তে পাঠকক আকৰ্ষণ কৰিবলৈ সক্ষম হোৱাটো কাকতখনৰ এক উল্লেখনীয় দিশ। বৰ্তমান ডিজিটেল যুগৰ লগত সমানে আগুৱাই যাব পৰাটোৱে কাকত গোষ্ঠীৰ দূৰদৰ্শিতাৰ কথাই সূচায়। যুৱ লেখক-লেখিকাৰ প্ৰতি কাকতখনৰ দৃষ্টিভংগী সঁচাই প্ৰশংসনীয়। সম্পাদকীয় পৃষ্ঠাত প্ৰকাশিত প্ৰবন্ধ আৰু নিবন্ধৰ মান অতি উচ্চ। "অসম বাৰ্তা" কাকতখনৰ প্ৰথম পৃষ্ঠাত নিয়মীয়াকৈ এটা প্ৰথম কলম সদৃশ বিশ্লেষণাত্মক লেখাৰ প্ৰয়োজন আছে। সম্প্ৰতি এই কাকতৰ জনপ্ৰিয়তাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰত্যেক সপ্তাহে "নিয়োগ বাতৰি" বুলি এটা শিতানৰ প্ৰয়োজন হৈছে। "অসম বাৰ্তা" কাকতখনে আজি অতি গৌৰৱেৰে ষষ্ঠ বছৰ সম্পূৰ্ণ কৰিবলৈ সক্ষম হোৱাৰ বাবে এজন যুৱ লেখক হিচাপে মোৰ ফালৰ পৰা আন্তৰিক ধন্যবাদ আৰু শুভ কামনা জনালোঁ। আগন্তুক দিনত "অসম বাৰ্তা" কাকতখনে সমাজৰ প্ৰত্যেকটো বিষয় নিঃস্বাৰ্থ ভাবে আগুৱাই লৈ যাওক, শোষিত-বঞ্চিত শ্ৰেণীৰ লোকৰ ওচৰত সদায় শক্তিশালীভাৱে থিয় দিয়ক তাকে কামনা কৰিলোঁ।

## 'অসম বাৰ্তা'লৈ অভিনন্দন

অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছো। তেখেত সকলোৰ অশেষ কষ্ট, সহিষ্ণুতা আৰু প্ৰচেষ্টাৰ বাবে আমি কাকতখনক নিয়মীয়াকৈ পঢ়িবলৈ সক্ষম হৈছে। নিৰ্ভীক, নিৰপেক্ষ দৃষ্টিভংগীৰে কাকত খনে অসমৰ সকলো পঢ়ুৱৈ সমাজ, ফেচবুক, ৱেবছাইট আদিত যথেষ্ট সংখ্যক সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। কাকত খনৰ নিয়মীয়া পঢ়ুৱৈ হোৱাৰ উপৰিও মই এগৰাকী নিয়মীয়া লেখক হিচাপে আজিৰ এই শুভ ক্ষণত থাকি শুভেচ্ছা জনাবলৈ পাই নিজকে ধন্য মানিছো।

বৰ্তমান সময়ত বিজ্ঞানৰ যুগত ফেচবুক, ৱেবছাইট, ইষ্টাগ্ৰাম আদিৰ দ্বাৰা মানুহে গোটেই বিশ্বখনকে হাতৰ মুঠিত ৰাখি দৈনন্দিন জীৱনৰ ঘটনাৱলীৰ খা খবৰ লোৱা দেখিবলৈ পোৱা যায়। মানুহে বিজ্ঞানৰ সৈতে হাজাৰ ব্যস্তা থাকক আনকি নাথাকক কাকতৰ পঢ়ুৱৈ সমাজৰ বাবে নিয়মীয়াকৈ পঢ়িবলৈ বাতৰি কাকত খনক লাগিবই। পঢ়ুৱৈ সমাজৰ বাবে বাতৰি কাকত খনে জীৱনৰ শ্ৰেষ্ঠ বন্ধু, য'ত হাল্লা, চিএৰ বাখৰ, মুখৰ মাত বিনে ইজনে সিজনে ফুচফুচাই মনৰ ভাৱ, দৈনন্দিন জীৱনৰ ঘটনাৱলীৰ সৈতে কথা পাতিব পাৰে। মই মোৰ দৃষ্টিভংগীৰে চাই অসম বাৰ্তা কাকতখনকে জীৱনৰ শ্ৰেষ্ঠ বন্ধু ৰূপে বিবেচিত কৰি লৈছোঁ আৰু নিয়মীয়াকৈ এই বন্ধুৰ কথা পাতিবলৈ যত্ন কৰোঁ। সেয়েহে মোৰ জীৱনৰ শ্ৰেষ্ঠ বন্ধু হিচাপে বাছনি কৰি দিয়াৰ বাবে অসম বাৰ্তাৰ সকলো কৰ্মকৰ্তালৈ পূণৰবাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জনাইছোঁ এই সুযোগতে। অসম বাৰ্তা কাকতখনৰ সৈতে জড়িত হৈ মই এগৰাকী নিয়মীয়া পঢ়ুৱৈ হোৱাৰ উপৰিও নিয়মীয়া লেখক হিচাপে আত্মপ্ৰকাশ কৰিবলৈ সুযোগ লাভ কৰিছোঁ। পুনৰবাৰ মই এই চেওগতে অসম বাৰ্তাৰ সকলো কৰ্মকৰ্তালৈ অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছো।

অনাগত দিনবোৰত অসম বাৰ্তাই পঢ়ুৱৈ সমাজৰ পৰা আৰু যথেষ্ট সমাদৰ লাভ কৰক তাৰ বাবে সকলো প্ৰকাৰৰ কাম কৰিব বুলি আশা ৰাখিলোঁ এই কাকতৰ যোগেদি। নতুন চিন্তা চৰ্চাৰে নতুন দিগন্তলৈ গতি কৰি অসমৰ এটা শ্ৰেষ্ঠ কাকত হিচাপে আত্মপ্ৰকাশ কৰক অসম বাৰ্তাই। আমি পঢ়ুৱৈ হিচাপে পূৰ্ণ সহায় সহযোগিতা আগবঢ়াম কাকতখন জনপ্ৰিয়তা বৃদ্ধিত। পঢ়ুৱৈ সমাজক বিজ্ঞানৰ ন ন সৃষ্টিৰাজীয়ে একো কৰিব পৰা নাই, এতিয়াও সমাজত গ্ৰন্থক আদৰ কৰাৰ মানসিকতা জীয়াই আছে। এই কাকতৰ সমাদৰ সমাজৰ সকলো শ্ৰেণীৰ লোক লৈ বিয়পি পৰক। স্কুল, কলেজৰ ছাত্ৰ ছাত্ৰীয়ে যিকোনো প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰয়োজন হোৱাকৈ বা বাতৰি পাওক এই অসম বাৰ্তা কাকতখনৰ যোগেদি। গ্ৰন্থ মানৱ জীৱনৰ অমূল্য সম্পদ। আজিৰ সমাজ ব্যৱস্থাত প্ৰতিটো খণ্ডতে ডিজিটেল ব্যৱস্থাই গা কৰি উঠিছে যদিও এনে ব্যৱস্থাৰ মাত্ৰাধিক ব্যৱহাৰে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। স্কুল কলেজৰ ছাত্ৰ ছাত্ৰীযসকলে গ্ৰন্থ অধ্যয়ন, বাতৰি কাকতৰ নিয়মীয়া পঢ়ুৱৈ হোৱাৰ পৰিবৰ্তে ৰাতিপুৱাৰ পৰা নিশা বিছনাত শুৱা লৈকে ম'বাইলৰ সৈতে নানান হেন তেন কৰি সময় অতিবাহিত কৰে। বিদ্যালয় মহাবিদ্যালয় সমূহত বাতৰি কাকত নিয়মীয়া পঢ়াৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে তেতিয়া হে আজিৰ প্ৰজন্মই মবাইলৰ পৰিৱৰ্তে নিয়মীয়াকৈ কাকত পঢ়িবলৈ অভ্যাসগত পৰিণত হ'ব। অসমৰ বিভিন্ন কাকতৰ বাতৰি সমূহেও মানৱ সভ্যতাৰ বিকাশৰ বাবে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব লাগে।

গ্ৰন্থই ৰচনা কৰে মানৱ সেতুবন্ধন। মানৱ সভ্যতাৰ সমাজত গ্ৰন্থই এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। কিতাপ নোহোৱা ঘৰএখনত খিৰিকী নথকা ঘৰৰ দৰে হয়। য'ত কিতাপ নাই, তাত ভাষা, গৱেষণা, বিকাশ একোই নাথাকে। কেৱল মানুহ থাকে, কিন্তু সেই মানুহক মানুহ হিচাপে গণ্য কৰিবলৈ কিতাপ, গ্ৰন্থই বাধা আৰোপ কৰিব। সপ্তম বাৰ্ষিক উপলক্ষে অসম বাৰ্তাই আজিৰ পৰাই এই প্ৰতিবন্ধকতাসমূহ আতৰ কৰাত অগ্ৰণী ভূমিকা পালন কৰক আৰু অসম বাৰ্তাৰ সকলো কৰ্মকৰ্তালৈ পূণৰবাৰ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰাৰ লগতে দীঘায়ু কামনা কৰিলো।

## "অসম বাৰ্তা" কাকতৰ ষষ্ঠ সংখ্যক প্ৰতিষ্ঠা দিৱসলৈ শুভেচ্ছা

বৰ্তমানৰ অৱস্থা পাইছেহি। বাতৰি কাকত হৈছে সাম্প্ৰতিক পৰিঘটনাৰ লিখিত তথ্য। যি ৰাজনীতি, ব্যৱসায়, ক্ৰীড়া, শিল্প, বিজ্ঞান ইত্যাদি মানৱ জীৱনৰ লগত জড়িত বিভিন্ন বিষয় বস্তুৰ লগতে পৃথিৱীৰ সকলো বিষয় বস্তুৰ প্ৰকৃত সত্য তথ্য যোগান ধৰে। ইয়াৰ উপৰি বিভিন্ন লিখনি, সাহিত্য চৰ্চা, কবিতা আদিৰ বাবে বাতৰি কাকত হৈছে এখন উপযুক্ত মঞ্চ। সংবাদৰ ক্ষেত্ৰখনত এতিয়ালৈকে দৈনিক, সাপ্তাহিক আৰু মাহেকীয়া ৰূপত বহুতো কাকত প্ৰকাশিত হ'ল। তাৰে মাজৰে বহু সংখ্যক কাকত আমাৰ মাজৰ পৰা নাইকিয়াও হল। বৰ্তমান যুগৰ পৰিবৰ্তন হল। সময়ৰ ধামখুমীয়াত আগৰ দৰে বাতৰি কাকতৰ প্ৰচলন যথেষ্ট কমি গ'ল। মোবাইল ফোন আৰু ইণ্টাৰনেটৰ প্ৰচলনে পৃথিৱীখন হাতৰ মুঠিত কৰি ললে। নিমিষতে পৃথিৱীৰ যিকোনো খবৰ মানুহে তৎক্ষণাৎ লাভ কৰিবলৈ ধৰিলে। তথাপিও কিন্তু সকলো প্ৰত্যাহ্বান নেওচি এতিয়াও বহু সংখ্যক বাতৰি কাকত প্ৰচলন হৈ আছে। এনে এটা দুৰ্যোগৰ সময়তে পৃথিৱীৰ সৰ্ববৃহৎ নদীদ্বীপ মাজুলীত জন্মগ্ৰহণ কৰা তনয় বৰা নামৰ এজন কমবয়সীয়া উচ্চাকাংক্ষী তথা শিক্ষিত যুৱকে মৰসাহ কৰি ২০২০ বৰ্ষৰ ৯জানুৱাৰী তাৰিখে "অসম বাৰ্তা" নামেৰে এখন সাপ্তাহিক বাতৰি কাকতৰ জন্ম দিলে। যিখন বাতৰি কাকতে খুউব কম সময়ৰ ভিতৰতে ৱেবছাইটত আৰু ই-সংস্কৰণ হিচাপে সমগ্ৰ অসমতে অধিক জনপ্ৰিয়তা লাভ কৰিবলৈ সক্ষম হল। ৰাইজৰ সঁহাৰি আৰু মৰমৰ ফলশ্ৰুতিত লাহে লাহে "অসম বাৰ্তা"ই সাপ্তাহিক পৰ্যায়ৰ পৰা যোৱা ২০২৪বৰ্ষৰ ৩১মাৰ্চ তাৰিখৰ পৰা দৈনিক কাকতৰ ই-সংস্কৰণ হিচাপে আত্মপ্ৰকাশ হৈ ৰাইজৰ কাষত থিয় হল আৰু সফলতাৰে ৬টা বছৰ অতিক্ৰম কৰিলে। এনে এখন মহান কাকতৰ লগত মই জন্মলগ্নৰে পৰা এজন সংবাদকৰ্মী হিচাপে জড়িত হবলৈ পাই গৌৰৱ অনুভৱ কৰিছোঁ। অসম বাৰ্তা মোৰ বাবে কেৱল এখন বাতৰি কাকতেই নহয়। মোৰ বাবে এক বুজাব নোৱাৰা আৱেগ। এই কাকতখনৰ বাবে মই নিজকে এজন "অসম বাৰ্তা" পৰিয়ালৰ সদস্য হিচাপে সমৰ্পিত কৰিলোঁ। "অসম বাৰ্তা" কাকতখনৰ এই গৌৰৱপূৰ্ণ ষষ্ঠ সংখ্যক প্ৰতিষ্ঠা দিৱসত কাকতখনৰ লগত জড়িত প্ৰতিষ্ঠাপক সম্পাদক তনয় বৰা আৰু মুখ্য সম্পাদক মহোদয়ৰ লগতে কাকতখনৰ লগত জড়িত প্ৰতিগৰাকী চিৰনমস্য ব্যক্তি তথা প্ৰত্যেকগৰাকী সংবাদকৰ্মী আৰু প্ৰতিগৰাকী প্ৰিয় পাঠকক মোৰ আন্তৰিক শুভকামনা, অভিনন্দন আৰু শ্ৰদ্ধা নিবেদিলো। লগতে "অসম বাৰ্তা" কাকতৰ ষষ্ঠ বৰ্ষপূৰ্তী অনুষ্ঠান ভাগৰ বাবেও হিয়াভৰা ওলগ জনালোঁ। এনদৰেই 'অসম বাৰ্তা' চিৰ প্ৰবাহিত হৈ থাকি বৰ অসমৰ ভেটিত জিলিকি থাকক। জয়তু অসম বাৰ্তা

*সংবাদদাতা, ধনশিৰি, গোলাঘাট*

## লক্ষ্যত অবিচল 'অসম বাৰ্তা'লৈ অভিনন্দন

লাভ কৰিছিল 'অসম বাৰ্তা' নামৰ সংবাদ পত্ৰখনে। ১৮৭১ চনত মাজুলিৰ বুকুৰ পৰা ঐতিহাসিক আউনিআটী সত্ৰৰ সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীৰ প্ৰচেষ্টাত জন্মগ্ৰহণ কৰিছিল- অসমৰ দ্বিতীয়খন তথা অসমীয়াই প্ৰকাশ কৰা প্ৰথমখন সংবাদপত্ৰ 'আসাম বিলাসিনী'য়ে। এই 'আসাম বিলাসিনী'ৰ জন্মভূমি বিশ্বৰ সৰ্ববৃহৎ নদীদ্বীপ মাজুলীৰ পৰাই অসম বাৰ্তাই সাপ্তাহিক ৰূপত প্ৰথম যাত্ৰা আৰম্ভ কৰি পিছলৈ সেই যাত্ৰাই দৈনিক ই কাকত হিচাপে সফলতাৰে ছয়টা বছৰ অতিক্ৰম কৰি আজি গৌৰৱপূৰ্ণ সপ্তম বছৰত ভৰি দিছে। প্ৰতিষ্ঠাপক তনয় বৰা আৰু প্ৰতিষ্ঠাপক মুখ্য সম্পাদক ড° জীতেন হাজৰিকাৰ বলিষ্ঠ নেতৃত্বত জন্ম লাভ কৰা এই কাকতখনে অতি কম দিনৰ ভিতৰতে পঢ়ুৱৈৰ মাজত এক সুকীয়া পৰিচয় গঢ়ি তুলিবলৈ সক্ষম হয়। যাৰ ফলশ্ৰুতিত ২০২৪ চনৰ ৩১ মাৰ্চ তাৰিখে 'অসম বাৰ্তা'ই সাপ্তাহিকৰ পৰা উত্তৰণ ঘটি দৈনিক ই-কাকত হিচাপে আত্মপ্ৰকাশৰে অসমৰ সংবাদ জগতত এক নতুন মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হৈছে।

দৰাচলতে এখন সফল কাকতৰ আঁৰত থাকে একো একোটা দক্ষ মন আৰু বলিষ্ঠ কলম। 'অসম বাৰ্তা'ৰ এই উত্তৰণত বিভিন্ন সময়ত বিশিষ্ট ব্যক্তি সকলে গুৰিবঠা ধৰি আহিছে যাৰ বাবে অসম বাৰ্তাই সহজতে জনপ্ৰিয়তা লাভ কৰিব পাৰিছে। পূৰ্বে মদন মোহন পাগবন্ধা আৰু ডং ৰুমী কলিতাই অবৈতনিকভাৱে সম্পাদকৰ দায়িত্ব পালন কৰি কাকতখনৰ বৌদ্ধিক গাম্ভীৰ্য ৰক্ষা কৰিছিল আৰু বৰ্তমান যুৱ সাংবাদিক তনয় বৰাই সম্পাদক হিচাপে অতি নিপুণতাৰে কাকতখনক গতিশীল কৰি তুলিছে। একেদৰে, মুখ্য সম্পাদকৰ আসনত বহি বিশিষ্ট লেখক তথা লোকসংস্কৃতিৰ গৱেষক লীলাধৰ হাজৰিকাই ২০২৪ চনৰ ২৯ ফেব্ৰুৱাৰীৰ পৰা যি মাৰ্গদৰ্শন কৰিছিল, তাক বৰ্তমান অধিক প্ৰাণৱন্ত কৰি তুলিছে অসম চৰকাৰৰ সাহিত্য বঁটা প্ৰাপক, বিশিষ্ট শিক্ষাবিদ তথা সাহিত্যিক শৰৎ চন্দ্ৰ চিৰিং ফুকন ডাঙৰীয়াই। তেখেতৰ দৰে এগৰাকী সাহিত্যিকৰ তত্ত্বাৱধানে কাকতখনক কেৱল খবৰৰ উৎসই নহয়, বৰঞ্চ এটা জ্ঞানৰ ভঁৰাললৈ ৰূপান্তৰিত কৰিছে।

বৰ্তমানৰ ডিজিটেল যুগত 'অসম বাৰ্তা'ই আধুনিক প্ৰযুক্তিৰ সৈতে খোজ মিলাই অসমীয়া পাঠকক দেশ আৰু বিশ্বৰ খবৰবোৰ খন্তেকতে যোগান ধৰি আহিছে। শুদ্ধ আৰু আপোচনহীন বাৰ্তাৰ প্ৰতীক হ'বলৈ সংকল্পবদ্ধ এই কাকত গোষ্ঠীটোৱে সাম্প্ৰতিক পৰিঘটনা সমূহ অতি সংক্ষিপ্ত আৰু সময়োপযোগী ভাৱে উপস্থাপন কৰাত গুৰুত্ব দিয়া দেখা গৈছে। ইয়াৰ ফলস্বৰূপেই শেহতীয়াকৈ 'অসম বাৰ্তা'ৰ ৱেবচাইটৰ ই-সংস্কৰণে প্ৰায় ৬ লাখ পঢ়ুৱৈৰ অভূতপূৰ্ব সঁহাৰি লাভ কৰি এক অভিলেখ সৃষ্টি কৰিছে। স্থানীয় সমস্যাৰ পৰা বিশ্বজনীন বিষয়লৈকে সকলোবোৰ কথা প্ৰতিদিনে পুৱাই পঢ়ুৱৈৰ হাতৰ মুঠিত তুলি দিয়া 'অসম বাৰ্তা' আজি প্ৰতিজন অসমীয়াৰ এক নিৰ্ভৰযোগ্য নাম হৈ পৰিছে। আমাৰ এই লেখাৰ জৰিয়তে সপ্তম বৰ্ষত পদাৰ্পণৰ শুভ ক্ষণত 'অসম বাৰ্তা'ৰ সমগ্ৰ পৰিয়াললৈ আন্তৰিক অভিনন্দন জনালোঁ যাতে- তেওঁলোকৰ এই যাত্ৰা সদায় সত্য আৰু নিষ্ঠাৰে আগুৱাই যাব পাৰে আৰু অসমবাসীৰ এক সাহস হিচাপে থিয় দিব পাৰে। সপ্তম বৰ্ষত খোজ থোৱাৰ এই শুভ মুহূৰ্তত 'অসম বাৰ্তা'ৰ দীৰ্ঘজীৱন কামনাৰে আমাৰ শুভেচ্ছা জ্ঞাপন কৰিলো।

## 'অসম বাৰ্তা' জাকত জিলিকা হওক

অনুসন্ধানমূলক সাংবাদিকতাৰ বাহক 'অসম বাৰ্তা'ই অনলাইন পাঠক সমাজক স্বদেশ-স্বৰাজ্যই নহয়, অন্তঃৰাষ্ট্ৰীয় ভাৱেও তথ্যৰ খোৰাক যোগাই আহিছে। জনামতে ৱেবচাইট যোগে উপলব্ধ কাকতখনৰ ই-সংস্কৰণে লক্ষ লক্ষ পঢ়ুৱৈৰ আদৰ লাভ কৰিবলৈকো সক্ষম হৈছে। আমি ভাৱোঁ, বিগত পাঁচটা বছৰে ধাৰাবাহিকভাৱে প্ৰকাশ পাই অহা কাকতখনৰ নেপথ্য ব্যক্তি তনয় বৰাৰ চিন্তাই যেন পূৰ্ণতা লাভ কৰিলে। প্ৰতিষ্ঠাপক মুখ্য সম্পাদক ডং জীতেন হাজৰিকাৰ পৰা শৰৎ চন্দ্ৰ চিৰিংফুকনলৈকে, এই পাঁচটা বছৰৰ দীঘলীয়া পৰিক্ৰমাত 'অসম বাৰ্তা' কাকতে সংবাদ জগতত নিজৰ নাম সোণালী আখৰে খুদিত কৰিবলৈ সক্ষম হোৱাটো সাধাৰণ কথা নহয়। ৯ জানুৱাৰী তাৰিখৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে প্ৰকাশিতব্য 'অসম বাৰ্তা'ৰ বিশেষ সংখ্যাটিত প্ৰকাশৰ বাবে আন ভিন্নজনৰ দৰেই আমিও প্ৰদান কৰিলো শুভাশিষৰ এই টোকা।

সভাপতি, 'আপকু'ৰ তিনিচুকীয়া জিলা সমিতি
আৰু মৰাণ সাহিত্য সভা

## নিৰ্বাচন আয়োগৰ সৈতে

ভোট চুৰিৰ এক গভীৰ ষড়যন্ত্ৰৰ অভিযোগ উত্থাপন কৰিছে। প্ৰাক্তন সভাপতি তথা প্ৰাক্তন সাংসদ ৰিপুণ বৰাই বৃহস্পতিবাৰে ৰাজীৱ ভৱনত অনুষ্ঠিত সংবাদমেলত কয় যে, নিৰ্বাচন আয়োগৰ স্বতন্ত্ৰতা আজি সম্পূৰ্ণৰূপে নাই আৰু বিজেপিয়ে ইয়াক এটা পুতলাত পৰিণত কৰিছে। ৰিপুণ বৰাই অভিযোগ কৰে যে, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই দলীয় বিধায়ক আৰু নেতাসকলক বিজেপিক ভোট নিদিয়াসকলক চিনাক্ত কৰি ১২ জানুৱাৰীৰ ভিতৰত তালিকা প্ৰস্তুত কৰিবলৈ নিৰ্দেশ দিছে। লগতে মন্ত্ৰী অশোক সিংঘলক ৬০খন সমষ্টিত ৫ৰ পৰা ১০ হাজাৰ লোকৰ নাম কৰ্তন কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তেওঁ প্ৰশ্ন উত্থাপন কৰে যে, এনে কাৰ্যত নিৰ্বাচন আয়োগ কিয় নীৰৱ হৈ আছে আৰু এই বিষয়ে উচ্চ পৰ্যায়ৰ তদন্তৰ দাবী জনায়। কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে, কিছুমান সমষ্টিত কাম কৰি থকা বুথ লেভেল অফিচাৰসকলক (বি এল অ') হঠাৎ বদলি কৰি নতুনকৈ নিযুক্তি দিয়া হৈছে, যি সম্পূৰ্ণ অবৈধ। বিশেষকৈ এটা বিশেষ সম্প্ৰদায়ৰ বি এল অ'সকলক সলনি কৰিবলৈ হেঁচা প্ৰয়োগ কৰা হৈছে বুলি অভিযোগ উত্থাপন কৰি তেওঁ কয় যে, শাসকীয় পক্ষৰ সৈতে মিলি নিৰ্বাচন আয়োগে এই কাৰ্যত লিপ্ত হৈছে। খচৰা ভোটাৰ তালিকাত নতুন ভোটাৰৰ নাম সুমুৱাই ভোট চুৰিৰ ষড়যন্ত্ৰ ৰচা হৈছে বুলিও তেওঁ দাবী কৰে। ২৭ ডিচেম্বৰত প্ৰকাশিত খচৰা ভোটাৰ তালিকাৰ বিষয়ে ৰিপুণ বৰাই কয় যে, ইয়াত ২০২৫ চনৰ ১ জানুৱাৰীৰ তালিকাৰ হুবহু নামহে আছে- কোনো নতুন সংযোজন বা কৰ্তন হোৱা নাই। চূড়ান্ত তালিকাতহে এনে পৰিৱৰ্তন হ'ব আৰু তেতিয়া অভিযোগ দিয়াৰ সময় নাথাকিব। সমষ্টিৰ পৰা সমষ্টিলৈ ৫-১০ হাজাৰ নতুন নাম সুমুৱাই ভোট চুৰিৰ পৰিকল্পনা কৰা হৈছে বুলি তেওঁ অভিযোগ কৰে। গুৱাহাটীৰ কেইটামান উদাহৰণ দাঙি ধৰি তেওঁ কয় যে, দিছপুৰ সমষ্টিৰ বিভিন্ন বুথত এখন ঘৰত ১৭ৰ পৰা ৩২টা পৰিয়ালৰ নাম অতিৰিক্তভাৱে সংযোজন হৈছে, যাৰ গৃহস্বামীয়ে নিজেও গম নাপায়। কিছুমান ক্ষেত্ৰত ঘৰৰ নম্বৰ নোহোৱাকৈয়ো নাম সুমুৱোৱা হৈছে। শুকুৰবাৰে সৰ্বদলীয় প্ৰতিনিধি দলৰে ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াৰ ওচৰত অভিযোগ দাখিল কৰাৰ লগতে দিল্লীতো প্ৰতিনিধি দল পঠোৱাৰ সিদ্ধান্ত লোৱা হৈছে বুলি ৰিপুণ বৰাই জানিবলৈ দিয়ে। সংবাদমেলত সাংসদ ৰকিবুল হুছেইনে কয় যে, বিজেপি চৰকাৰৰ সৈতে মিলি নিৰ্বাচন আয়োগে মহাৰাষ্ট্ৰ, হাৰিয়ানা, কৰ্ণাটকৰ দৰে অসমতো ভোট চুৰিৰ ষড়যন্ত্ৰত লিপ্ত হৈছে। আজি গণতন্ত্ৰ আৰু সংবিধান বিপন্ন হৈছে বুলি তেওঁ মন্তব্য কৰে। বি এল এসকলক অন্ধকাৰত ৰাখি খচৰা তালিকা প্ৰস্তুত কৰা হৈছে আৰু দাবী-আপত্তিৰ প্ৰক্ৰিয়াত ব্যাপক খেলিমেলি হৈছে বুলি অভিযোগ উত্থাপন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ অসমৰ ৰাইজৰ ওপৰত বিশ্বাস নাই বাবেই বাহিৰৰপৰা মানুহ অনাৰ চেষ্টা চলিছে বুলি ৰকিবুলে কয়। নিয়ম অনুসৰি প্ৰতি সপ্তাহত দাবী-আপত্তিৰ তথ্য ৰাজনৈতিক দলসমূহক জনোৱা উচিত আছিল, কিন্তু তেনে কৰা হোৱা নাই বুলি তেওঁ দাবী কৰে। সংবাদমেলত ৰাষ্ট্ৰীয় সম্পাদক মনোজ চৌহান, বিধায়ক আব্দুল ৰহিম আহমেদ আৰু মিডিয়া বিভাগৰ অধ্যক্ষ বেদব্ৰত বৰাকে ধৰি কেইবাগৰাকীও নেতা উপস্থিত আছিল। কংগ্ৰেছৰ এই অভিযোগে অসমৰ ৰাজনৈতিক মহলত নতুন বিতৰ্কৰ সৃষ্টি কৰিছে আৰু আগন্তুক নিৰ্বাচনৰ প্ৰেক্ষাপটত ভোটাৰ তালিকাৰ বিষয়টোক আৰু জটিল কৰি তুলিছে।

## অৰুণোদয় আঁচনি বন্ধ

লুৰীণজ্যোতি গগৈক কটাক্ষ কৰি কয় যে, “উচ্ছেদ হ’লে লুৰীণজ্যোতি গগৈয়ে খুব কান্দে। তেওঁ মিঞাৰ দুখত কান্দে, কিন্তু চাহ বাগিচাৰ মহিলাই মাটি নাপোৱাৰ দুখত কেতিয়াও কন্দা নাই।” খোৱাং সমষ্টিত অনুষ্ঠিত এখন ৰাজহুৱা সভাত মুখ্যমন্ত্ৰীয়ে লুৰীণজ্যোতি গগৈক তীব্ৰ ভাষাৰে সমালোচনা কৰে আৰু কয় যে, তেওঁ বিজেপিৰ বাবে কোনো প্ৰত্যাহ্বান নহয়। খোৱাংৰ ৰাংচালি ৰাজহুৱা খেলপথাৰত মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰিবলৈ উপস্থিত হৈ মুখ্যমন্ত্ৰীয়ে কয়, “লুৰীণজ্যোতি গগৈ এবাৰ দুলীয়াজানত উঠিছিল, এবাৰ নাহৰকটীয়াত আৰু এইবাৰ খোৱাংত পৰাজিত হ’লে ধুবুৰীলৈ গুচি যাব। তেওঁ কোনো এখন ঠাইত স্থিৰ হৈ থাকিব নোৱাৰে। আজিকালি তেওঁ কেৱল ‘মিঞা’ৰ স্বাৰ্থতহে কথা কয়, অসমীয়া মানুহৰ বাবে নহয়।” খোৱাং সমষ্টিত বিজেপিৰ প্ৰাৰ্থিত্বক লৈ উদ্ভৱ হোৱা জল্পনাৰ মাজতে মুখ্যমন্ত্ৰীয়ে আশ্বাস দিয়ে যে, দলৰ ৪-৫জন আকাংক্ষীৰ সৈতে আলোচনা কৰি এই সমস্যা সমাধান কৰা হ’ব। তেওঁ কয়, “আজিয়েই মঞ্চতে টিকট বিচৰা দুগৰাকীক নমাই দিলোঁ। বিজেপিৰ সকলো সদস্যৰ ওপৰত মোৰ ‘মৰমৰ অধিকাৰ’ আছে।” এই মন্তব্যই সমষ্টিটোত প্ৰাৰ্থী নিৰ্বাচনৰ প্ৰক্ৰিয়া শীঘ্ৰে সম্পূৰ্ণ হ’ব বুলি ইংগিত দিছে। উজনি অসমৰ ৰাস্তা-ঘাটৰ শোচনীয় অৱস্থাৰ সমালোচনাৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ বৰষুণপ্ৰধান জলবায়ুক দায়ী কৰে। তেওঁ কয়, “ডিব্ৰুগড় আৰু শিৱসাগৰৰ দৰে ঠাইত বছৰৰ চাৰি মাহ বৰষুণ হয়, যাৰ বাবে ৰাস্তা টিকাই ৰখা কঠিন। মেৰামতিৰ বাবে দিল্লীৰপৰা অধিক পুঁজিৰ দাবী জনাই আহিছোঁ।” পথ নিৰ্মাণত গাফিলতি কৰা ঠিকাদাৰৰ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে নৰম সুৰত কয়, “নাকী লগোৱা শব্দত মই বিশ্বাসী নহয়। ঠিকাদাৰসকল আমাৰেই অসমীয়া ল’ৰা। বিল নাপালে কাম লেহেমীয়া কৰে, পালে দ্ৰুতগতিত কৰে। মৰমেৰে বুজাই কাম কৰাই ল’ব লাগে।” খোৱাংত চলি থকা অবৈধ বালি মহলৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে জিলা আয়ুক্তক তদন্তৰ নিৰ্দেশ দিয়াৰ আশ্বাস দিয়ে। লগতে তেওঁ জানিবলৈ দিয়ে যে, খোৱাংৰ মৰাণত যুদ্ধ বিমান অৱতৰণৰ বাবে এডভান্সড লেণ্ডিং গ্ৰাউণ্ড সম্পূৰ্ণ হৈছে আৰু ফেব্ৰুৱাৰীত প্ৰধানমন্ত্ৰী বা প্ৰতিৰক্ষা মন্ত্ৰীৰ বিমান অৱতৰণৰ সম্ভাৱনা আছে। কংগ্ৰেছক কটাক্ষ কৰি মুখ্যমন্ত্ৰীয়ে কয়, “কংগ্ৰেছে কেৱল লুঙি-ধুতি দিছিল। অৰুণোদয় আঁচনি বন্ধ কৰিব নোৱাৰে, অসমৰ মহিলাই কংগ্ৰেছকে বন্ধ কৰি দিব।” এই সভাত মুখ্যমন্ত্ৰীয়ে খোৱাং সমষ্টিৰ ২৩ হাজাৰ মহিলাক মহিলা উদ্যমিতা আঁচনিৰ চেক প্ৰদান কৰে। তেওঁ কয় যে, এই আঁচনিৰ অধীনত প্ৰথম পৰ্যায়ত ১০ হাজাৰ টকা, দ্বিতীয় পৰ্যায়ত ২৫ হাজাৰ আৰু তৃতীয় পৰ্যায়ত ৫০ হাজাৰ টকা পৰ্যায়ক্ৰমে প্ৰদান কৰা হ’ব। এইটো তেওঁৰ ৬০খন এনে সভাত অংশগ্ৰহণ। সভাত মন্ত্ৰী প্ৰশান্ত ফুকন, যোগেন মহন, সাংসদ ৰামেশ্বৰ তেলী, বিধায়ক চক্ৰধৰ গগৈ, তেৰছ গোৱালা, তৰংগ গগৈকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত আছিল। সভাস্থলীত মহিলাসকলৰ ব্যাপক উৎসাহ পৰিলক্ষিত হয়। মুখ্যমন্ত্ৰীৰ এই তীব্ৰ সমালোচনাই ২০২৬ৰ নিৰ্বাচনী প্ৰচাৰৰ গতি ত্বৰান্বিত কৰিছে।

## ১১ জানুৱাৰীলৈ ৩ দিনীয়া

সংহত ন্যায়িক চৌহদৰ আধাৰশিলা স্থাপনৰ কাৰ্যসূচীৰ পূৰ্বে বৃহস্পতিবাৰে উচ্চ ন্যায়ালয়ৰ পুৰণি ভৱনৰ সন্মুখত অনশনত বহে অধিবক্তা সমাজে। বাৰ এছ’চিয়েশ্যনে ৮, ৯ আৰু ১১ জানুৱাৰীত তিনিদিনীয়া প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে। এই কাৰ্যসূচীৰ অংশ হিচাপে অধিবক্তাসকলে আধাৰশিলা স্থাপনৰ অনুষ্ঠানত উপস্থিত নাথাকিব বুলি সিদ্ধান্ত লৈছে আৰু সকলো সদস্যকো তেনে কৰিবলৈ আহ্বান জনাইছে। প্ৰয়োজন হ’লে আইনী কাষ চপাৰো হুংকাৰ দিছে প্ৰতিবাদী অধিবক্তাসকলে। জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰে কয়, “১১ জানুৱাৰীৰ অনুষ্ঠানত আমি উপস্থিত নাথাকো। এই চৰকাৰে কোনো প্ৰতিবাদৰে ভ্ৰূক্ষেপ নকৰে আৰু ন্যায়পালিকাকো অৱজ্ঞা কৰে। তথাপি আমি প্ৰতিবাদ অব্যাহত ৰাখিম।” তেওঁ উল্লেখ কৰে যে, ১২০০গৰাকী অধিবক্তাই স্থানান্তৰৰ বিপক্ষে ভোট দিছিল, মাত্ৰ ১৫৪গৰাকীয়েহে সপক্ষে। অধিকাংশ চৰকাৰী অধিবক্তায়ো বিপক্ষে ভোট দিছিল বুলি তেওঁ দাবী কৰে। আন এগৰাকী জ্যেষ্ঠ অধিবক্তাই কয়, “স্থানান্তৰ হ’লে কেৱল অধিবক্তাৰে নহয়, ছুইপাৰ, পিয়নকে ধৰি তৃতীয়-চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলৰো বহু অসুবিধা হ’ব। বহুদূৰৰপৰা চাইকেল মাৰি অহাসকল বিপদত পৰিব। মহিলা আৰু কনিষ্ঠ অধিবক্তাসকলে প্ৰেকটিচ আধাতে সামৰিব লাগিব পাৰে। উচ্চ ন্যায়ালয়লৈ অহা মোকৰ্দমাকাৰীসকলৰো অসুবিধা হ’ব, কাৰণ বৰ্তমানৰ ঠাইতে থকা-খোৱাৰ সকলো সুবিধা আছে। চৰকাৰে এই বিষয়ে এবাৰ গভীৰভাৱে ভাবি চোৱা উচিত আছিল।” অধিবক্তা সমাজে দাবী কৰে যে, চৰকাৰে অধিবক্তাৰ মতামতক গুৰুত্ব নিদি একপক্ষীয় সিদ্ধান্ত লৈছে। উচ্চ ন্যায়ালয়ৰ কৰ্তৃপক্ষইও এই প্ৰতিবাদক গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন কৰি তেওঁলোকে কয় যে, অনুষ্ঠানত সহযোগিতা নকৰিব। এই প্ৰতিবাদে অসমৰ ন্যায়িক মহলত নতুন বিতৰ্কৰ সৃষ্টি কৰিছে। অধিবক্তাসকলে ঘোষণা কৰিছে যে, ১১ জানুৱাৰীতো প্ৰতিবাদ অব্যাহত থাকিব আৰু প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হ’ব। চৰকাৰৰ এই সিদ্ধান্তৰ ফলত ন্যায়িক সেৱাৰ মানদণ্ডত প্ৰভাৱ পৰিব বুলি অধিবক্তাসকলে আশংকা প্ৰকাশ কৰিছে।

## চাৰি সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী ঘোষণা মুখ্যমন্ত্ৰী

ঘোষণা কৰিছে। লখিমপুৰত বৰ্তমানৰ বিধায়ক মানৱ ডেকা আৰু ঢকুৱাখনাত নৱ কুমাৰ দলেৰ নাম স্পষ্টভাৱে উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে দুয়োগৰাকীক প্ৰাৰ্থী হিচাপে নিশ্চিত কৰিছে। এই ঘোষণাই বিজেপিৰ ভিতৰচ’ৰাত নতুন চৰ্চাৰ সূত্ৰপাত কৰিছে। মুখ্যমন্ত্ৰী শৰ্মাই বিভিন্ন ৰাজহুৱা সভাত প্ৰাৰ্থী নিৰ্বাচনৰ ক্ষেত্ৰত নতুন মুখ আৰু মহিলাক প্ৰাধান্য দিয়াৰ কথা বাৰে বাৰে উল্লেখ কৰি আহিছে। তেওঁ কয় যে, বহু বৰ্তমান বিধায়কে এইবাৰ টিকট নাপাবও পাৰে। কিন্তু তাৰ মাজতে কেইবাগৰাকীকৈ বিধায়কৰ নাম স্পষ্টভাৱে ঘোষণা কৰি দলৰ ভিতৰত এক মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। বৃহস্পতিবাৰে লখিমপুৰত অনুষ্ঠিত এখন সভাত সাংবাদিকৰ প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰীয়ে কয়, “মই কোনো ইংগিত দিয়াৰ স্বভাৱৰ নহয়। য’ত স্পষ্টকৈ ক’ব পাৰো, তাত পোনপটীয়াকৈ কওঁ। ঢকুৱাখনাত নৱ কুমাৰ দলে আৰু লখিমপুৰত মানৱ ডেকাৰ নাম মই স্পষ্টভাৱে ঘোষণা কৰিছো।” এই মন্তব্যই দুয়োখন সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী নিশ্চিত হোৱাৰ সংকেত দিছে। উল্লেখ্য যে, বুধবাৰে ঢকুৱাখনাত অনুষ্ঠিত সভাতো মুখ্যমন্ত্ৰীয়ে নৱ কুমাৰ দলেৰ নাম উল্লেখ কৰি ২০২৬ত তেওঁক বিপুল ভোটত জয়যুক্ত কৰিবলৈ ৰাইজক আহ্বান জনাইছিল। সমষ্টিটোত প্ৰাৰ্থিত্বকেন্দ্ৰিক কোনো সংঘাত নাই বুলিও তেওঁ মন্তব্য কৰিছিল। ইয়াৰ পিছতে লখিমপুৰত মানৱ ডেকাৰ নাম ঘোষণা কৰাটোৱে এই দুয়োগৰাকী বৰ্তমান বিধায়কৰ টিকট নিশ্চিত হোৱাৰ ইংগিত দিছে। মুখ্যমন্ত্ৰীয়ে লখিমপুৰ-ধেমাজি জিলাত দুদিনীয়া কাৰ্যসূচীৰে ‘মুখ্যমন্ত্ৰীৰ উদ্যমিতা আঁচনি’ৰ ধনৰ চেক বিতৰণ কৰি আহিছে। এতিয়ালৈকে ৭১খন সমষ্টিত এই আঁচনিৰ ধন বিতৰণ কৰা হৈছে, যাৰ ভিতৰত মুখ্যমন্ত্ৰীয়ে নিজে ৬০খনত অংশগ্ৰহণ কৰিছে। এনে সভাসমূহতে প্ৰাৰ্থী নিৰ্বাচনৰ বিষয়ে চৰ্চা উঠিছে। ইয়াৰ পূৰ্বে ধেমাজিত মন্ত্ৰী তথা বিধায়ক ৰণোজ পেগু আৰু নগাঁৱত ৰূপক শৰ্মাৰ নামো মুখ্যমন্ত্ৰীয়ে ৰাজহুৱা সভাত উল্লেখ কৰি সমৰ্থন বিচাৰিছিল। এই ধাৰাবাহিকতাত লখিমপুৰ আৰু ঢকুৱাখনাৰ প্ৰাৰ্থী ঘোষণাই বিজেপিৰ নিৰ্বাচনী কৌশলৰ এক অংশ বুলি ৰাজনৈতিক মহলত চৰ্চা হৈছে। বিজেপিৰ প্ৰাৰ্থী তালিকা প্ৰকাশৰ আগতে মুখ্যমন্ত্ৰীৰ এনে স্পষ্ট ঘোষণাই দলৰ কৰ্মীসকলৰ মাজত উৎসাহৰ লগতে কিছু অসন্তোষৰো সৃষ্টি কৰিব পাৰে বুলি বিশে-যকসকলে মত প্ৰকাশ কৰিছে। আগন্তুক দিনত আৰু কেইখনমান সমষ্টিৰ প্ৰাৰ্থীৰ নাম এনেদৰে ঘোষণা হ’ব পাৰে বুলিও অনুমান কৰা হৈছে। ২০২৬ৰ নিৰ্বাচনী যুঁজৰ বাবে বিজেপিৰ এই প্ৰস্তুতিয়ে অসমৰ ৰাজনীতিত নতুন গতি প্ৰদান কৰিছে।

## জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ তদন্তৰ দাবীত

চিংঙ্গাপুৰত হোৱা ৰহস্যজনক মৃত্যুক লৈ ৰাজ্যত সামাজিক আৰু ৰাজনৈতিক বিতৰ্ক অব্যাহত আছে। আসাম পাব্লিক ৱৰ্কছ (APWA) আৰু অসমীয়া যুৱ মঞ্চকে ধৰি কেইবাটাও সংগঠনে এই মৃত্যুক কেৱল স্বাভাৱিক বা দুৰ্ঘটনাজনিত বুলি মানি ল’বলৈ অস্বীকাৰ কৰি বাহ্যিক ষড়যন্ত্ৰৰ সন্দেহ প্ৰকাশ কৰিছে। সংগঠনসমূহে এই ঘটনাত উচ্চস্তৰীয় তদন্তৰ দাবী উত্থাপন কৰিছে। APWAৰ সভাপতি আভিজিৎ শৰ্মাই সংবাদ মাধ্যমলৈ প্ৰেৰণ কৰা এক বিবৃতিত গুৰুতৰ অভিযোগ উত্থাপন কৰি কয় যে, “জুবিন গাৰ্গ কেৱল এজন শিল্পী নাছিল, তেওঁ আছিল অসমৰ আত্মা আৰু পৰিচয়। এনে এগৰাকী ব্যক্তিৰ মৃত্যু যদি ৰহস্যময় হয়, তেন্তে ই কেৱল এটা সাধাৰণ ঘটনা নহয়, বৰঞ্চ এটা গভীৰ ষড়যন্ত্ৰ হ’ব পাৰে।” তেওঁ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পূৰ্বৰ মন্তব্যৰ উল্লেখ কৰি ঘটনাটোৰ উচ্চস্তৰীয় আৰু নিৰপেক্ষ তদন্তৰ দাবী জনায়। সংগঠনটোৱে অভিযোগ উত্থাপন কৰে যে, বাহ্যিক শক্তিয়ে কিছুমান বিশেষ ব্যক্তি আৰু প্ৰবাসী অসমীয়াৰ সৈতে মিলি অসমক অশান্ত কৰাৰ এটা সুপৰিকল্পিত ষড়যন্ত্ৰ ৰচিছিল। বাংলাদেশত সাম্প্ৰতিক ৰাজনৈতিক পৰিৱৰ্তনৰ পিছত ভাৰতবিৰোধী শক্তিৰ সক্ৰিয়তা, ‘চিকেন নেক’ সন্দৰ্ভত হোৱা বিতৰ্কিত মন্তব্য আদিয়ে এই সন্দেহক আৰু গভীৰ কৰিছে বুলি APWAৰ মত। উল্লেখ্য যে, গুৱাহাটী উচ্চ ন্যায়ালয়ত APWAৰ সভাপতি আভিজিৎ শৰ্মা আৰু পলাশৰঞ্জন বৰুৱাই PIL 46/2025 নম্বৰত জুবিন গাৰ্গৰ মৃত্যুক লৈ এখন ৰাজহুৱা স্বাৰ্থজনিত আৱেদন দাখিল কৰিছে। আৱেদনখনত দাবী কৰা হৈছে যে, ১৯ ছেপ্তেম্বৰত সিঙ্গাপুৰত জুবিনৰ সৈতে য়টত উপস্থিত থকা সকলোকে কেৱল সাধাৰণ সোধ-পোছৰ মাজতে সীমাবদ্ধ ৰখাৰ পৰিৱৰ্তে গভীৰ তদন্তৰ আওতালৈ অনা উচিত। বিশেষকৈ প্ৰবাসী অসমীয়া অভিমন্যু তালুকদাৰ, সুস্মিতা গোস্বামী, অনুজ বৰুৱা, তন্ময় ফুকন, দিব্যজ্যোতি হাজৰিকা, সিদ্ধাৰ্থ বৰা, পৰিক্ষিত শৰ্মা, ভাস্কৰ দত্ত, প্ৰীতম ভূঞা, জয় লংচাত নাৰ্জাৰী, ৰূপ কমল কলিতা আৰু বাজিদ আহমেদকে তদন্তৰ অংশ কৰাৰ দাবী জনোৱা হৈছে। লগতে জুবিনৰ মেনেজাৰ টাৰ্ছেম মিট্টা আৰু শ্যামকানু মহন্তৰ পত্নী অনিতা ডেকা মহন্তকে ধৰি ট্ৰেণ্ড এম এম এছৰ সঞ্চালিকাকো উচ্চস্তৰীয় তদন্তৰ আওতালৈ অনাৰ আহ্বান জনাইছে সংগঠনটোৱে। একে সময়তে অসমীয়া যুৱ মঞ্চই বিষয়টোক গুৰুত্ব সহকাৰে লৈ পুংখানুপুংখ থ্ৰ দাবী উত্থাপন কৰিছে। সংগঠনটোৰ নেতৃবৰ্গই হুংকাৰ দি কয় যে, সম্পূৰ্ণ মৃত্যুক লৈ উদ্ভৱ হোৱা সামাজিক আন্দোলনক আৰু তীব্ৰতৰ কৰি তুলিল্টছে। জুবিন গাৰ্গৰ মৃত্যুৱে অসমৰ সাংস্কৃতিক জগতত এক অপূৰণীয় শূন্যতাৰ সৃষ্টি কৰিছে আৰু এই বিতৰ্কই আগন্তুক দিনত কি ৰূপ লয়, সেয়া লক্ষণীয় হৈ পৰিছে।

## সোণাপুৰৰ দিচাং ৰিজৰ্টত ৰাইজৰ দলৰ পঞ্চম

মুখ্য কাৰ্যসূচী দুদিনীয়াকৈ সোণাপুৰৰ দিছাং ৰিজৰ্টত অনুষ্ঠিত হৈছে। এই অনুষ্ঠানত দলৰ ভৱিষ্যৎ ৰণনীতি, বিশেষকৈ ২০২৬ চনৰ অসম বিধানসভা নিৰ্বাচনক লৈ গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হৈছে বুলি সভাপতি অখিল গগৈয়ে সংবাদ মাধ্যমৰ আগত প্ৰকাশ কৰিছে। অখিল গগৈয়ে কয়, “ৰাইজৰ দলে ২০২৬ বৰ্ষক ‘অসমীয়া জাতীয়তাবাদৰ প্ৰতিষ্ঠা বৰ্ষ’ হিচাপে পালন কৰাৰ সংকল্প লৈছে। এই প্ৰতিষ্ঠা দিৱসতে আমি নিৰ্বাচনত কিমানখন আসনত প্ৰতিদ্বন্দ্বিতা কৰিম আৰু বিজেপিক কেনেকৈ পৰাজিত কৰিম, তাৰ মূল ৰণনীতি চূড়ান্ত কৰিম।” তেওঁ লগতে কয় যে দলটোৱে অসমৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে এক শক্তিশালী বিকল্প হিচাপে নিজকে গঢ়ি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। পৰ্যটন খণ্ডক অসমৰ অৰ্থনীতিৰ মেৰুদণ্ড হিচাপে গঢ়ি তোলাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি অখিল গগৈয়ে কয়, “অসমত ৯৭টা জাতি-জনগোষ্ঠীৰ বৈচিত্ৰ্যপূৰ্ণ সংস্কৃতি, ৰীতি-নীতি, খাদ্য আৰু প্ৰাকৃতিক সৌন্দৰ্য আছে। এইসমূহক ভাৰত তথা বিশ্বৰ পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু কৰি তুলিলে অসমৰ অৰ্থনীতি যথেষ্ট শক্তিশালী হ’ব। গোৱাই সাগৰৰ জৰিয়তে আৰু ছিকিমে পাহাৰৰ জৰিয়তে পৰ্যটনৰে অৰ্থনীতি শক্তিশালী কৰিব পাৰিলে, ব্ৰহ্মপুত্ৰ-বৰাক উপত্যকা আৰু কাৰ্বি আংলঙ-ডিমা হাছাওৰ দৰে সম্পদ থকা অসমেও তেনেকুৱাই কৰিব পাৰিব।” তেওঁ উদ্বেগ প্ৰকাশ কৰি কয় যে গোৱাত এজন ব্যক্তিৰ গড় বাৰ্ষিক আয় প্ৰায় ৭ লাখ টকা হোৱাৰ বিপৰীতে অসমত সেয়া মাত্ৰ ১ লাখ ৫৬ হাজাৰ টকা। পৰ্যটনৰ বিকাশৰ জৰিয়তে অসমৰ জনসাধাৰণৰ আয় বৃদ্ধি কৰাটো ৰাইজৰ দলৰ অন্যতম প্ৰধান লক্ষ্য বুলি তেওঁ ঘোষণা কৰে। ইপিনে, ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াক পুনৰ আক্ৰমণ কৰি অখিল গগৈয়ে কয়, “মই দিলীপ দাক বহুবাৰ ফোন কৰিছোঁ। তেওঁ মোক মিছলীয়া বুলি কৈছে যদি, তেন্তে আমি দুয়ো কামাখ্যা মন্দিৰত সেৱা লৈ নিজৰ নিজৰ কথা কওঁ।” তেওঁ স্পষ্ট কৰি দিয়ে যে শংকৰদেৱৰ উপদেশ অনুসৰি ভগৱানক লাভ কৰিবলৈ কেৱল তেওঁৰ নাম লোৱাই যথেষ্ট, মন্দিৰলৈ যোৱাৰ প্ৰয়োজন নাই বুলি তেওঁ কেতিয়াও কোৱা নাই। প্ৰতিষ্ঠা দিৱসৰ এই অনুষ্ঠানত দলৰ কেন্দ্ৰীয় আৰু জিলা পৰ্যায়ৰ বহু নেতা-কৰ্মী উপস্থিত আছিল। আগন্তুক দিনত ৰাইজৰ দলে আঞ্চলিক শক্তিসমূহক একত্ৰিত কৰি কেনেকৈ আগবাঢ়ি যায়, সেয়া লক্ষণীয় হ’ব বুলি ৰাজনৈতিক মহলে মন্তব্য কৰিছে।

## বিহুৰ পিছতেই NDA ত্যাগৰ সম্ভাৱনা

সম্ভাৱনাৰ স্পষ্ট ইংগিত দিছে। চিৰাং জিলাৰ কাজলগাঁৱত এটা দলীয় যোগদান সভাত সংবাদ মাধ্যমৰ আগত মন্তব্য কৰি তেওঁ কয় যে, ভোগালী বিহুৰ পিছত দলৰ কেন্দ্ৰীয় অধিবেশন আৰু চিন্তন বৈঠকত এই বিষয়ে চূড়ান্ত সিদ্ধান্ত লোৱা হ’ব। প্ৰমোদ বড়োৱে সদৰি কৰে যে, আগন্তুক বিধানসভা নিৰ্বাচনত ইউপিপিএলে বিটিচি অঞ্চলত ১৫খন আৰু বিটিচিৰ বাহিৰত ৮ৰ পৰা ১০খন সমষ্টিত প্ৰাৰ্থী দাঙি ধৰিব। কংগ্ৰেছৰ সৈতে মিত্ৰতাৰ সম্ভাৱনা সন্দৰ্ভত প্ৰশ্ন কৰাত তেওঁ কয়, “আমি এতিয়াও এনডিএ চৰকাৰৰ অংশীদাৰ। দলৰ ভিতৰত বিভিন্ন বিষয়ত আলোচনা চলি আছে, কিন্তু কোনো একক ৰাজনৈতিক দলৰ সৈতে আমাৰ কোনো আনুষ্ঠানিক আলোচনা হোৱা নাই। কিছুদিনৰ পিছত দলৰ চিন্তন বৈঠক আৰু কেন্দ্ৰীয় অধিবেশন অনুষ্ঠিত হ’ব, তাৰ পিছতহে ৰাজনৈতিক সিদ্ধান্তসমূহ গ্ৰহণ কৰা হ’ব।” তেওঁ আৰু উল্লেখ কৰে যে, দলে ২৬টা জাতি-জনগোষ্ঠীৰ ভাষা, সংস্কৃতি, পৰিচয় আৰু স্ব-ভূমিৰ সমস্যাক কেন্দ্ৰ কৰি এটা ৰাজনৈতিক ৰোডমেপ প্ৰস্তুত কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। বিটিচিৰ শাসন ব্যৱস্থাৰ সমালোচনা কৰি প্ৰমোদ বড়োৱে কয় যে, হাগ্ৰামা মহিলাৰীৰ নেতৃত্বত শাসনভাৰ গ্ৰহণ কৰাৰ মাত্ৰ দুমাহৰ ভিতৰতে বিটিআৰ অঞ্চলত মেলাৰ নামত মুকলি জুৱা, অবৈধ লটাৰী আৰু হত্যা-হিংসাৰ দৰে অসামাজিক কাৰ্যকলাপ বৃদ্ধি পাইছে। ইউপিপিএলৰ পাঁচ বছৰীয়া শাসনকালত এনে কাৰ্যকলাপ সম্পূৰ্ণৰূপে বন্ধ আছিল বুলি দাবী কৰি তেওঁ কয় যে, অঞ্চলৰ ৰাইজে এই পৰিৱৰ্তন নিজে উপলব্ধি কৰিছে। উল্লেখ্য যে, চিৰাং জিলা ইউপিপিএল কাৰ্যালয়ত অনুষ্ঠিত এই যোগদান সভাত চিৰাং জিলা কংগ্ৰেছ আৰু ধৰ্মীয় সংখ্যালঘু পৰিষদৰ (আৰএমচি) প্ৰাক্তন নেতাসহ প্ৰায় ৫০গৰাকী সদস্যই আনুষ্ঠানিকভাৱে ইউপিপিএলত যোগদান কৰে। যোগদানকাৰী নেতাসকলে কয় যে, ইউপিপিএলৰ নীতি-আদৰ্শত আকৃষ্ট হৈ আৰু শাসকীয় দলৰ পৰা অসন্তুষ্ট হৈ তেওঁলোকে এই সিদ্ধান্ত লৈছে। প্ৰমোদ বড়োৱে এই যোগদানক স্বাগতম জনাই কয় যে, ই দলৰ সাংগঠনিক শক্তি বৃদ্ধিৰ এক ইংগিত। বিটিচি নিৰ্বাচনত পৰাজয়ৰ পিছতো দলে সংগঠন মজবুত কৰি আগবাঢ়ি যাব বুলি তেওঁ আশা প্ৰকাশ কৰে। এই মন্তব্যই অসমৰ ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে, বিশেষকৈ বিৰোধী শিবিৰত মিত্ৰতাৰ সম্ভাৱনাৰ প্ৰেক্ষাপটত।

## ডিমৌত ৫ বছৰীয়া ছাত্ৰীক যৌন নিৰ্যাতনৰ অভিযোগত এজাহাৰ

**অসম বাৰ্তা, ডিমৌ, ৭ জানুৱাৰী ঃ** শিৱসাগৰ জিলাৰ ডিমৌ থানাৰ অন্তৰ্গত ১ নং মাছৈ প্ৰাথমিক বিদ্যালয়ত এগৰাকী শিক্ষকৰ কৰ্মকাণ্ডই সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। বিদ্যালয়খনৰ শিক্ষক শ্ৰী শ্যাম বৰকটকীৰ বিৰুদ্ধে ৫ বছৰীয়া এগৰাকী ছাত্ৰী আৰু তাইৰ সহপাঠীসকলক যৌন উৎপীড়ন চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰি আজি ডিমৌ থানাত এখন এজাহাৰ দাখিল কৰা হয়। এজাহাৰৰ তথ্য অনুসৰি, যোৱা প্ৰায় তিনি মাহ ধৰি অভিযুক্ত শিক্ষকজনে ৫ বছৰীয়া ছাত্ৰীগৰাকীৰ লগতে তাইৰ প্ৰায় ৪-৫ গৰাকী সহপাঠীক বিদ্যালয়ৰ প্ৰস্ৰাৱাগাৰৰ দৰ্জা বন্ধ কৰি বিভিন্ন সময়ত যৌন নিৰ্যাতন চলাই আহিছিল। যোৱা ৬ জানুৱাৰী মঙলবাৰে ভুক্তভোগী ছাত্ৰীগৰাকীয়ে ঘৰত সমগ্ৰ ঘটনাটো সদৰী কৰাৰ পিছতে পৰিয়ালৰ মাজত হাহাকাৰ লাগে। অভিযোগকাৰী মাতৃয়ে জানিবলৈ দিয়া মতে, তেওঁ এই সন্দৰ্ভত শিক্ষকজনক সোধ-পোচ কৰাত শিক্ষকজনে ওলোটাই তেওঁক এই বিষয়ে আনক অৱগত নকৰিবলৈ অনুৰোধ জনায়। কেৱল এয়াই নহয়, একেখন বিদ্যালয়ৰে তৃতীয় শ্ৰেণীৰ আন এগৰাকী ছাত্ৰীকো শিক্ষকজনে টকাৰ লোভ দেখুৱাই অশ্লীল ইংগিত দিয়া বুলি আন এক ভয়ংকৰ অভিযোগ উত্থাপন হৈছে। এগৰাকী শিক্ষকৰ এনে লম্পট স্বভাৱৰ বিৰুদ্ধে এতিয়া সচেতন ৰাইজৰ মাজত তীব্ৰ ক্ষোভৰ সৃষ্টি হৈছে। ভুক্তভোগীৰ পৰিয়ালে উক্ত বিষয়টো গুৰুত্বসহকাৰে লৈ এক উচিত তদন্ত কৰিবলৈ আৰু দোষীক কঠোৰতম শাস্তি প্ৰদান কৰি ন্যায় প্ৰদান কৰিবলৈ আৰক্ষীৰ ওচৰত কাতৰ প্ৰাৰ্থনা জনাইছে।

## ৩১ জানুৱাৰী অখিল গগৈৰ পুনৰ ‘ডেডলাইন’

কৰিছে যে, ৩১ জানুৱাৰীৰ ভিতৰত বিৰোধী দলসমূহৰ মাজত মিত্ৰতাৰ বিষয়ে চূড়ান্ত সিদ্ধান্ত লোৱা নহ’লে ৰাইজৰ দলে অকলে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব। অখিল গগৈয়ে সদৰি কৰিছে যে, বৰ্তমানলৈকে দলটোৰ পৰা টিকট বিচৰা প্ৰাৰ্থীৰ সংখ্যা ৪৪গৰাকীলৈ বৃদ্ধি পাইছে। ইয়াৰ মাজত কেইবাগৰাকীও জনপ্ৰিয় শিল্পী অন্তৰ্ভুক্ত হৈছে, যিয়ে দলটোৰ প্ৰতি ৰাইজৰ আকৰ্ষণৰ এক ইংগিত বহন কৰে। যদি মিত্ৰতাৰ কোনো চুক্তি নহয়, তেন্তে ৰাইজৰ দলে এই ৪৪খন আসনত নিজাববীয়াকৈ প্ৰাৰ্থী দাঙি ধৰিব বুলি তেওঁ স্পষ্ট কৰিছে। ৰাইজৰ দলৰ সভাপতিগৰাকীয়ে আৰু কয় যে, বিৰোধী ঐক্যৰ ক্ষেত্ৰত দলটোক সন্মানজনক সংখ্যক আসন আবণ্টন দিয়া উচিত। অন্যথা, বিৰোধী মিত্ৰজোঁটত অংশগ্ৰহণ নকৰি দলে স্বতন্ত্ৰভাৱে নিৰ্বাচনী যুঁজত নামিব। এই সিদ্ধান্তই অসমৰ ৰাজনৈতিক মহলত নতুন চৰ্চাৰ সৃষ্টি কৰিছে, কিয়নো বিৰোধী শিবিৰত ইতিমধ্যে আসন ভাগ-বতৰাৰ বিষয়ত মতানৈক্যৰ খবৰ ওলাইছে। উল্লেখ্য যে, অসমত বিজেপি নেতৃত্বাধীন চৰকাৰৰ বিৰুদ্ধে এটা শক্তিশালী বিৰোধী আ ঐক্য গঠনৰ প্ৰচেষ্টা চলি আছে। কংগ্ৰেছকে ধৰি অন্যান্য আঞ্চলিক দলসমূহৰ সৈতে আলোচনা অব্যাহত আছে যদিও আসন সংখ্যাৰ বিষয়ত এতিয়াও স্পষ্টতা অহা নাই। অখিল গগৈৰ এই ‘ডেডলাইন’ৰ ঘোষণাই বিৰোধী শিবিৰত আলোচনাৰ গতি ত্বৰান্বিত কৰিব পাৰে বুলি ৰাজনৈতিক বিশ্লেষকসকলে মত প্ৰকাশ কৰিছে। ৰাইজৰ দলৰ এই সিদ্ধান্তই আগন্তুক নিৰ্বাচনত বিৰোধী ভোটৰ বিভাজনৰ সম্ভাৱনা বৃদ্ধি কৰিব পাৰে, যিয়ে শাসকীয় দলক লাভান্বিত কৰিব বুলি কিছুমানৰ আশংকা। তথাপি অখিল গগৈয়ে জোৰ দি কয় যে, দলটোৰ মৰ্যাদা আৰু ৰাইজৰ স্বাৰ্থক প্ৰাধান্য দিয়াটোহে তেওঁলোকৰ মূল লক্ষ্য। এই পৰিপ্ৰেক্ষিতত আগন্তুক দিনকেইটাত বিৰোধী দলসমূহৰ মাজত তীব্ৰ আলোচনাৰ সম্ভাৱনা আছে।

## শোকাকুল পৰিৱেশত জানাজা সম্পন্ন চামধৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য গিয়াছ উদ্দিন আকন্দৰ দেহাৱসান

**অসমবাৰ্তা, তেজপুৰ সদৰ, ৮ জানুৱাৰী ঃ** বৰঘাট অঞ্চলৰ জ্যেষ্ঠ নাগৰিক, ৰঙাপাৰা সমষ্টিৰ চামধৰা গাঁও পঞ্চায়তৰ প্ৰাক্তন আঞ্চলিক সদস্য, মদিনাতুল উলুম ডিক্ৰাইজান ইছলামীয়া মাদ্ৰাছাৰ প্ৰতিষ্ঠাপক সভাপতি, বৰঘাট ফখৰ উদ্দিন উচ্চ মাধ্যমিক বিদ্যালয়ৰ প্ৰতিষ্ঠা কালৰ সম্পাদক, পাঁচমাইল মৰ্কজ মছজিদ নিৰ্মাণ ক্ষেত্ৰত অক্লান্ত কৰ্মী, তাবলীগ জামাতৰ দায়িত্বশীল আমিৰ তথা সমাজ কৰ্মী গিয়াছ উদ্দিন আকন্দৰ ৭ জানুৱাৰীৰ নিশা গুৱাহাটীৰ পৰা বাৰ্ধক্যজনিত কাৰণত চিকিৎসা কৰাই ঘৰলৈ অহাৰ বাটত ভোজখোৱা চাপৰিৰ কাষত নিশা ১১-৫৫ বজাত শেষ নিশ্বাস ত্যাগ কৰে। হজ্ব ক্ৰিয়া সম্পন্ন কৰা গিয়াছ উদ্দিন আকন্দ মৃত্যুৰ সময়ত ৮৭ বছৰ বয়সত সোমাইছিল। উল্লেখ্য যে, পাঁচমাইল হাইস্কুলৰ প্ৰতিষ্ঠা কালৰ ছাত্ৰ গিয়াছ উদ্দিন আকন্দ ক্ৰীড়াৰ ক্ষেত্ৰতো বৰ আগ্ৰহী যুৱক হিচাপে পৰিচিত আছিল। এসময়ৰ গ্ৰাম্য নাটক যাত্ৰাত অভিনয় কৰি দৰ্শকৰ প্ৰশংসা বুলিবলৈ সক্ষম হৈছিল। জলসিঞ্চন আৰু গড়কাপ্তানী বিভাগৰ ঠিকাদাৰ হিচাপে বিশেষ ভাৱে পৰিচয় থকা গিয়াছ উদ্দিন আকন্দই বৰঘাট অঞ্চলৰ ঐক্য সংহতিৰ ক্ষেত্ৰত আগভাগ লৈছিল। তেওঁৰ মৃত্যুৰ সংবাদ পাই বিভিন্ন সংগঠনৰ উপৰিও জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে গুণমুগ্ধ লোক আহি শেষ শ্ৰদ্ধা নিবেদন কৰে। তেজপুৰ সাংবাদিক সন্থাৰ সাধাৰণ সম্পাদক তথা যুৱ সাংবাদিক ছাইদুল ইছলামেও শোক প্ৰকাশ কৰি শোক সন্তপ্ত পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে। বিয়লি ২ বজাত ডিক্ৰাইজান মাদ্ৰাছা প্ৰাংগনত প্ৰায় সহস্ৰাধিক লোকৰ উপস্থিতিত জানাজা সম্পন্ন হয়। ৬ গৰাকী পুত্ৰ, দুগৰাকী কন্যা সন্তানৰ লগতে আত্মীয় স্বজন আৰু বহুতো গুণমুগ্ধ ইহ সংসাৰত এৰি থৈ যায়। ধৰ্ম প্ৰাণ বৰ্ষীয়ান সমাজ কৰ্মী গৰাকীৰ মৃত্যুত এলেকাটোত গভীৰ শোকৰ ছাঁ পেলায়।

## মাৰ্ঘেৰিটাৰ বিধায়ক ভাস্কৰ শৰ্মাৰ জন্মদিনৰ দিনাই পৌৰসভাৰ আঠত্ৰিশটা কামৰ শুভ উদ্বোধন

**অসম বাৰ্তা, মাৰ্ঘেৰিটা, ৮ জানুৱাৰী ঃ** আজি ৮ জানুৱাৰী, মাৰ্ঘেৰিটা বিধানসভা সমষ্টিৰ বিধায়ক ভাস্কৰ শৰ্মাৰ ওপজা দিন। পুৱাৰ পৰাই তেখেতৰ ব্যক্তিগত কাৰ্যালয়ত শুভাকাংক্ষী আৰু দলীয় কৰ্মকৰ্তা সকলে ওপজা দিনৰ শুভেচ্ছা জ্ঞাপন কৰিবলৈ ভিৰ কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে এই বিশেষ দিনটোত সংহতি ৰাখি মাৰ্ঘেৰিটা পৌৰসভাই বিভিন্ন উন্নয়নমূলক কাম সমূহৰ শুভ উদ্বোধনী অনুষ্ঠান আয়োজন কৰে। প্ৰথমে কেক কাটি বিধায়ক গৰাকীক শুভেচ্ছা জনায় আৰু তাৰ পিছতেই বিধায়ক গৰাকীৰ হাতেৰে আঠত্ৰিশটা কামৰ শুভ উদ্বোধন কৰে। ফিফটিন ফাইনেন্সৰ ২৩-২৪ প্ৰথম আৰু দ্বিতীয় কিস্তি, ২৪-২৫ প্ৰথম কিস্তিৰ অনুমোদিত পুঁজিৰ পৌৰসভাৰ ১০টা ৱাৰ্ডৰ বিভিন্ন কাম যেনে নলা নৰ্দমা, ৰাজহুৱা অনুষ্ঠানৰ পকী দেৱাল, পকী পথ ইত্যাদি। মাৰ্ঘেৰিটা পৌৰসভাৰ কাৰ্যালয়ত বিধায়ক শৰ্মাৰ বিশেষ দিনটোৰ উপলক্ষে আয়োজিত অনুষ্ঠানত পৌৰাহিত্য কৰে মাৰ্ঘেৰিটা পৌৰসভাৰ পৌৰপতি আনন্দ কুমাৰ শৰ্মাই। লগতে পৌৰসভাৰ কাৰ্যবাহী বিষয়া ধীৰাজ ভট্টাচাৰ্য, উপ পৌৰপতি ৰাজলক্ষ্মী দেৱী গগৈ, অভিযন্তা জিতুল নাথ এই শুভ ক্ষণত উপস্থিত থাকে।

### এআইইউডিএফৰ প্ৰাৰ্থী হ’ব পাৰে আব্দুল আজিজ

## চামগুৰিত সংখ্যালঘু দৰদী নেতা আব্দুল আজিজৰ ব্যাপক তৎপৰতা

**অসম বাৰ্তা, ৰূপহীহাট, ৮ জানুৱাৰী ঃ** আগন্তুক ২০২৬ৰ বিধানসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপি আহিছে সিমানেই তৎপৰতা আৰম্ভ কৰিছে প্ৰতিটো ৰাজনৈতিক দলে। চামগুৰি সমষ্টিও ইয়াৰ ব্যাতিক্ৰম নহয়। এইবাৰ চামগুৰি সমষ্টিত আছে ৯০ শতাংশ সংখ্যালঘু ভোটাৰ। এই সংখ্যালঘু ভোটাৰেই এইবাৰ চামগুৰি সমষ্টিত প্ৰাৰ্থীৰ ভাগ্য নিৰ্ণয় কৰিব। নগাঁও জিলাত সকলোৰে দৃষ্টি আকৰ্ষণ আছে চামগুৰিক লৈ। সকলোৱে অপেক্ষা কৰি আছে চামগুৰিৰ ৰাজনৈতিক লৈ। চামগুৰি সমষ্টি বুলি কলেই সকলোৰে ৰকিবুল হুছেইনৰ পৰিয়াল কেন্দ্ৰিক ৰাজনীতিৰ কথা মনত পৰে। য়োৱা উপ নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী দিপ্লুৰঞ্জন শৰ্মা বিজয়ী হ’লেও বৰ্তমান নতুন চামগুৰি সমষ্টি বিজেপি দলৰ বাবে সহজ হৈ থকা নাই। চামগুৰিত কংগ্ৰেছৰ ভেঁটি শক্তিশালী যদিও বৰ্তমান চামগুৰিত কংগ্ৰেছ দুটা ভাগত বিভক্ত হৈ পৰিছে। যাৰ বাবে ৰকিবুল হুছেইনৰ পুত্ৰ তাঞ্জিল হুছেইনৰ বাবেও সহজ হৈ থকা নাই। চামগুৰিত যদি কংগ্ৰেছৰ টিকট তাঞ্জিল হুছেইনে লাভ কৰে তেতিয়া হলে চামগুৰিত আৰম্ভ হব কংগ্ৰেছ দল ত্যাগ কৰাৰ জোৱাৰ। আনপিনে চামগুৰিত এআইইউডিএফ দলৰ প্ৰাৰ্থী কোন হব সেয়া এতিয়াও জানিব পৰা হোৱা নাই। এক বিশেষ সূত্ৰৰ পৰা জানিব পৰা গৈছে য়ে চামগুৰিত বদৰ উদ্দিন আজমলে ধুবুৰীৰ লোকসভা নিৰ্বাচনৰ পোতক তুলিবলৈ এজন শক্তিশালী প্ৰাৰ্থী চামগুৰিত প্ৰক্ষেপ কৰিব। চামগুৰিত যদি শক্তিশালী সংখ্যালঘু নেতা প্ৰাৰ্থী হিচাপে আজমলে প্ৰক্ষেপ কৰে তেনেহলে কংগ্ৰেছৰ অংকত আউল লগাটো এক প্ৰকাৰ নিশ্চিত। চামগুৰি সমষ্টিত এতিয়া দিনে নিশাই এজন সংখ্যালঘু দৰদী নেতা প্ৰচাৰত ব্যস্ত হৈ থকা পৰিলক্ষিত হৈছে। সেই নেতাজন হৈছে সংখ্যালঘু দৰদী নেতা তথা অগ্নিবক্তা হিচাপে পৰিচিত প্ৰাক্তন বিধায়ক আব্দুল আজিজ। আব্দুল আজিজক আজমলে চামগুৰিত প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰি ৰকিবুল হুছেইনৰ লগত পোতক তুলিব বুলি সমষ্টিটোত ব্যাপক চৰ্চা চলিছে। সংখ্যালঘু দৰদী নেতা হিচাপে পৰিচিত আব্দুল আজিজৰ সমষ্টিটোত আছে ব্যাপক জনপ্ৰিয়তা। আজিজৰ প্ৰতি আজমলৰ গোপন সংকেত আছে বুলি সমষ্টিটোত প্ৰচাৰত নামিছে বুলি সমষ্টিটোত চৰ্চা চলিছে। আব্দুল আজিজে সমষ্টিটোৰ চোকে-কোণে প্ৰতিদিন সভা সমিতিত ব্যস্ত হৈ পৰিছে। য়োৱাকালি চামগুৰি সমষ্টিত এখন ধৰ্মীয় সভাত একেখন মঞ্চতে দেখা গৈছে ধিংৰ এআইইউডিএফৰ বিধায়ক আমিনুল ইছলাম আৰু আব্দুল আজিজক। একেখন মঞ্চত আমিনুল ইছলাম আৰু আব্দুল আজিজক দেখা পাই চামগুৰিৰ ৰাইজ প্ৰায় নিশ্চিত হৈ পৰিছে যে আব্দুল আজিজে হব চামগুৰিত এআইইউডিএফ দলৰ প্ৰাৰ্থী। চামগুৰিত যদি আজমলে আব্দুল আজিজক প্ৰাৰ্থী হিচাপে প্ৰক্ষেপ কৰে তেনেহলে কংগ্ৰেছৰ অংকত আউল লগাটো নিশ্চিত।

### ❑ ঢেকীয়াজুলি সম-জিলা আৰক্ষীৰ অভিনন্দন ❑

## শোণিতপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থক অসম আৰক্ষী শিশু মিত্ৰ নেতৃত্ব বঁটা ২০২৫ৰ বাবে নিৰ্বাচিত

**অসম বাৰ্তা, ঢেকীয়াজুলি, ৮ জানুৱাৰী ঃ** শোণিতপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক (IPS) বৰুণ পুৰকায়স্থক অসম আৰক্ষী শিশু মিত্ৰ নেতৃত্ব বঁটা ২০২৫ ৰ বাবে নিৰ্বাচিত কৰা হৈছে। উল্লেখ্য যে অসমত শিশুৰ অধিকাৰ আৰু শিশুৰ সৰ্বাংগীণ উন্নয়নৰ ক্ষেত্ৰত বৰুণ পুৰকায়স্থ দেৱে আগবঢ়োৱা অৱদানৰ স্বীকৃতি হিচাপে অসম আৰক্ষীয়ে তেখেতলৈ আগবঢ়াব অসম আৰক্ষী শিশু মিত্ৰ নেতৃত্ব বঁটা-২০২৫। শিশুৰ অধিকাৰক বাস্তৱ ৰূপত প্ৰতিফলন কৰাৰ ক্ষেত্ৰত নিষ্ঠা, সততা আৰু দায়বদ্ধতাৰ প্ৰতি সন্মান হিচাপে আগন্তুক ৯ জানুৱাৰী তাৰিখে দিনৰ অনুমানিক ১ বাজি ৩০ মিনিটত গুৱাহাটীৰ উলুবাৰীত অনুষ্ঠিত এক বঁটা বিতৰণী অনুষ্ঠানত এই বঁটা প্ৰদান কৰা হ’ব শোণিতপুৰ জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক বৰুণ পুৰকায়স্থ দেৱক। উক্ত দিনা আৰক্ষী বিষয়া বৰুণ পুৰকায়স্থক এই বঁটা প্ৰদান কৰিব অসম আৰক্ষীৰ মহানিৰ্দেশক (IPS) হৰমীত সিং দেৱে। এক পত্ৰ যোগে এই কথা সদৰি কৰিলে অসম আৰক্ষীৰ এআই জিপি (ৱেলফেয়াৰ) আৰু নডেল বিষয়া (APS)শৰ্মিষ্ঠা বৰুৱাই। (IPS)বিষয়া বৰুন পুৰকায়স্থ দেৱ এই স্বীকৃতিৰ বাবে নিৰ্বাচিত হোৱাত তেখেতলৈ অভিবাদন জ্ঞাপন কৰি ঢেকীয়াজুলি সম-জিলাৰ আৰক্ষী অধীক্ষক ভাৰ্গৱ মুণি দাসৰ লগতে ঢেকীয়াজুলি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দীপক দাসে।

# দুদিনীয়া কাৰ্যসূচীৰে কুঁৱৰীটোলত অসম নাট্য সন্মিলনৰ ৬৪ সংখ্যক দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশন

**অসম বাৰ্তা, কলিয়াবৰ, ৮ জানুৱাৰী ঃ** অহা ২১ জানুৱাৰী পৰা ২৫ জানুৱাৰী তাৰিখলৈকে পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে কলিয়াবৰৰ কুঁৱৰীটোলত অনুষ্ঠিত হ'ব অসম নাট্য সন্মিলনৰ ৬৪ সংখ্যক দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশন। কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সুদক্ষ নেতৃত্বত ১৯৫৯ চনত গঠিত অসম নাট্য সন্মিলনে জন্মলগ্নৰে পৰা নাট্য চৰ্চাক গতিশীল কৰাৰ লগতে নাট্যকলা আৰু নাট্য সাহিত্যৰ বিকাশত নিৰালস্য ভাবে কাম কৰি আছে। সমসাময়িক ভাবে নটসূৰ্য ফণী শৰ্মাকে ধৰি বিশিষ্ট নাট্যশিল্পীসকল জড়িত হৈ পৰা অসম নাট্য সন্মিলনৰ ৬৪ সংখ্যক দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনৰ ব্যাপক প্ৰস্তুতি ইতিমধ্যে আৰম্ভ হৈছে কলিয়াবৰৰ কুঁৱৰীটোলত। সেই উদ্দেশ্যে আজি কলিয়াবৰৰ ন-পুৰণি নাট্য শিল্পী আৰু নাট্যকৰ্মী সকলক লৈ এখন আলোচনা সভা কলিয়াবৰ শিক্ষা মহাবিদ্যালয়ৰ সভাগৃহত অনুষ্ঠিত হয়। অসম নাট্য সন্মিলনৰ ৬৪ সংখ্যক দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনৰ আদৰণি সমিতিৰ কাৰ্যকৰী সভাপতি মহেন্দ্ৰ কাকতিৰ সভাপতিত্বত অনুষ্ঠিত আলোচনা সভাখনত আগন্তুক নাট্য সন্মিলনৰ কাৰ্যসূচী সন্দৰ্ভত বিশদ আলোচনা কৰা হয়। আজিৰ এই নাট্য কৰ্মীসকলৰ আলোচনা সভাতে অসম নাট্য সন্মিলনৰ ৬৪ সংখ্যক দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনৰ আদৰণি সমিতিৰ সমন্বয়ক মনি মাধৱ মহন্তই অধিবেশনৰ প্ৰস্তুতি আৰু পৰিকল্পনা সন্দৰ্ভত অৱগত কৰে। মূল সমিতিৰ উপৰিও ১৩খন উপ-সমিতিয়ে অধিবেশনৰ কাম-কাজ পৰিচালনা কৰিছে বুলি মুখ্য সমন্বয়ক মনি মাধৱ মহন্তই সভাত অৱগত কৰে। নাট্যকাৰ প্ৰয়াত প্ৰশান্ত বৰাৰ নাটক সমূহ অধিবেশনত প্ৰকাশ কৰি উলিওৱাৰ পৰিকল্পনা আদৰণি সমিতিয়ে লোৱা হৈছে বুলি সভাত অৱগত কৰে মুখ্য সমন্বয়ক গৰাকীয়ে। কাৰ্যসূচী অনুসৰি ২১ জানুৱাৰী তাৰিখে বিয়লি প্ৰতিনিধি শিবিৰ মুকলি কৰাৰ পিছতে সন্ধিয়া কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হ'ব। ২২ জানুৱাৰী তাৰিখে পুৱা পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু স্মৃতি তৰ্পণৰ লগতে সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ প্ৰতিমূৰ্তিত মাল্যাৰ্পণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। ইয়াৰ পিছতে নৱ-নিৰ্বাচিত সভাপতিক সাংস্কৃতিক অভিবাদন আৰু বিয়লি অসম নাট্য সন্মিলনৰ অন্তৰ্গত শাখা সমূহৰ পৰা অংশগ্ৰহণ কৰা প্ৰতিযোগী সকলৰ মাজত কবিতা আবৃত্তি প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। মুকলি মঞ্চ উদ্বোধনৰ পিছতে শিশু নাট "ভোকাতুৰ পৃথিৱীৰ চকুলো" পৰিৱেশন কৰিব লক্ষিমপুৰ জিলাৰ লালুক শাখাই। সন্ধিয়া আদৰণি সমিতিয়ে "কেনা" নাট প্ৰদৰ্শনৰ জৰিয়তে নাটক প্ৰতিযোগিতা শুভাৰম্ভ কৰা হ'ব। অসম নাট্য সন্মিলনৰ অন্তৰ্গত চাৰিটা মণ্ডলত অনুষ্ঠিত হৈ যোৱা নাটক প্ৰতিযোগিতাত শ্ৰেষ্ঠ নাট্যদল হিচাপে পুৰস্কৃত হোৱা ৯ টাকৈ নাট্যদলে নাটক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিব। ইয়াৰ উপৰিও অসম নাট্য সন্মিলন দ্বি-বাৰ্ষিক পূৰ্ণাংগ অধিৱেশনৰ প্ৰতিটো দিনতে শিশু নাট মঞ্চস্থ কৰিব শিশু নাট্য দল সমূহে। ২৫ জানুৱাৰী তাৰিখে দিনৰ ১১ বজাত অনুষ্ঠিত হ'ব লগা মুকলি সভাত বঁটা প্ৰদান অনুষ্ঠানৰ লগতে কেন্দ্ৰীয় সম্বৰ্ধনা অনুষ্ঠান, নাট্য সন্মিলনৰ ছমহীয়া পত্ৰিকা "ৰংগমঞ্চ" উন্মোচনৰ লগতে ১৫০ বছৰীয়া নাট্য সংকলন চতুৰ্থ সংস্কৰণ উন্মোচন অনুষ্ঠান অনুষ্ঠিত হ'ব। অসম নাট্য সন্মিলনৰ সভাপতি কুমাৰ দীপক দাসৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভাতে নৱ-নিৰ্বাচিত সভাপতি জীতেন শৰ্মাই আগন্তুক দুটা বৰ্ষৰ কাৰ্যকালৰ বাবে সভাপতিৰ দায়িত্ব গ্ৰহণ কৰিব। আদৰণি সমিতিৰ সভাপতি তথা স্থানীয় বিধায়ক, ৰাজহ মন্ত্ৰী কেশৱ মহন্তই আদৰণি ভাষণ প্ৰদান কৰিব লগীয়া মুকলি সভাত মুখ্য মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাকে ধৰি ৰাজ্য চৰকাৰৰ কেইবাগৰাকীকৈ জেষ্ঠ মন্ত্ৰীয়ে অংশগ্ৰহণ কৰাৰ কথা। নতুন দিল্লীৰ ৰাষ্ট্ৰীয় নাট্য বিদ্যালয়ৰ মুখ্য উৎসৱ নিয়ন্ত্ৰক সুমন বৈদ্যই আমন্ত্ৰিত অতিথি হিচাপে মুকলি সভাত অংশগ্ৰহণ কৰিব। অসম নাট্য সন্মিলনৰ তৰফৰ পৰা আগবঢ়োৱা বঁটা সমূহ ক্ৰমে জি এল আগৰৱালা সোঁৱৰণি বঁটা, নাজিম আহমেদ সোঁৱৰণি নাট্য সংগঠক বঁটা, সত্যপ্ৰসাদ বৰুৱা নাট্য সমালোচক বঁটা, মহেন্দ্ৰ বৰঠাকুৰ বঁটা আৰু অসম নাট্য সন্মিলনৰ সৰ্বোচ্চ সন্মান "অসম নাট্য সন্মিলন বঁটা"।

# ১৯-২১ জানুৱাৰীলৈ যোৰহাটত প্ৰথম বিজ্ঞান মহোৎসৱ

**অসম বাৰ্তা, যোৰহাট, ৮ জানুৱাৰী ঃ** অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাই যোৰহাট জিলা প্ৰশাসন, অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ, অসম বিজ্ঞান-প্ৰযুক্তিবিদ্যা আৰু পৰিৱেশ পৰিষদ, যোৰহাট জিলা আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ, ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ, যোৰহাট বিজ্ঞান কেন্দ্ৰ আৰু তাৰকাগৃহ, যোৰহাট পৰিৱেশ মঞ্চ, অসম শৈক্ষিক কেন্দ্ৰ আৰু এছপীৰ সহযোগত ১৯-২১ জানুৱাৰীলৈ বিস্তৃত কাৰ্যসূচীৰে প্ৰথম বাৰ্ষিক বিজ্ঞান মহোৎসৱৰ আয়োজন কৰিছে। যোৰহাটৰ বৰভেটাত অৱস্থিত যোৰহাট বিজ্ঞান সমিতিৰ স্থায়ী চৌহদৰ বিশিষ্ট বিজ্ঞানী ড° যোগেন্দ্ৰ নাথ বৰুৱা স্মৃতিক্ষেত্ৰত আয়োজিত মহোৎসৱৰ প্ৰথম দিনা পুৱা পতাকা উত্তোলন কৰিব যোৰহাট বিজ্ঞান সমিতিৰ উপদেষ্টা উমেশ চন্দ্ৰ বৰা আৰু সভাপতি ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰে। ইয়াৰ পাছতে বিজ্ঞান ক্ষেত্ৰ উন্মোচন কৰিব বিধায়ক হিতেন্দ্ৰ নাথ গোস্বামীয়ে আৰু মহোৎসৱৰ উদ্বোধন কৰিব অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষ ড° অৰূপ কুমাৰ মিশ্ৰই। উদ্বোধনী অনুষ্ঠানত জিলা আয়ুক্ত জয় শিৱানী, বিজ্ঞানী ড° চৌধুৰী নাথ শইকীয়া, ডাঃ মানস প্ৰতিম বৰুৱাই অংশগ্ৰহণ কৰিব। অসম চৰকাৰৰ বিজ্ঞান, প্ৰযুক্তি আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মন্ত্ৰী কেশৱ মহন্তই মুখ্য অতিথি ৰূপে অংশগ্ৰহণ কৰিব লগীয়া অনুষ্ঠানত এছটেকৰ সঞ্চালক ড° জয়দীপ বৰুৱাই স্মৃতিগ্ৰন্থ উন্মোচন, নেইষ্টৰ সঞ্চালক ড° ভি. এম.তিৱাৰীয়ে প্ৰদৰ্শনীৰ দ্বাৰ উদঘাটন কৰিব। অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ উদ্যোগত মহোৎসৱৰ প্ৰথমখন কাৰিকৰী সত্ৰ সঞ্চালনা কৰিব পৰিষদৰ সদস্য সচিব ড° গৌতম কৃষ্ণ মিশ্ৰই। প্ৰথম দিনা হ'ব লগীয়া বিজ্ঞান মডেল, আকস্মিক বক্তৃতা প্ৰতিযোগিতা উদ্বোধন কৰিব বিদ্যালয় পৰিদৰ্শক বুলি গগৈ ভূএগ্ৰাই, সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব নাট্যকাৰ প্ৰশান্ত কুমাৰ দাসে আৰু আকাশ নিৰীক্ষণ কৰাব যোৰহাট বিজ্ঞান কেন্দ্ৰৰ শৈক্ষিক বিষয়া পূৰৱী দেৱীয়ে। দ্বিতীয় দিনা অসম বিজ্ঞান সমিতিৰ উদ্যোগত হ'ব লগীয়া কাৰিকৰী সত্ৰ সঞ্চালনা কৰিব যোৰহাট বিজ্ঞান সমিতিৰ উপদেষ্টা ড° ৰমেশ চন্দ্ৰ বৰুৱাই আৰু কেন্দ্ৰীয় এৰী মুগা গৱেষণা কেন্দ্ৰৰ উদ্যোগত হ'ব লগীয়া কাৰিকৰী সত্ৰ সঞ্চালনা কৰিব টোকোলাই চাহ গৱেষণা কেন্দ্ৰৰ সঞ্চালক ড° ভেংকটেশ্বন চেলভাৰাজে। ইয়াৰ পাছতে কুইজ আৰু থলীতে সংবাদ লেখন প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। অসম বিজ্ঞান সমিতিৰ উদ্যোগত হ'ব শেষৰখন কাৰিকৰী সত্ৰ সঞ্চালনা কৰিব কৃষি বিজ্ঞানী ড° কুশল কুমাৰ বৰুৱাই। বিয়লি ধেমালিৰ চলেৰে বিজ্ঞান অনুষ্ঠান প্ৰদৰ্শন হ'ব। অন্তিম দিনা বিজ্ঞানীৰ সৈতে মুখা মুখী অনুষ্ঠান সঞ্চালনা কৰিব মৌচাক মামা শান্তনু তামোলীয়ে। ইয়াৰ পাছতে কেৰিয়াৰ পৰামৰ্শদান অনুষ্ঠান পৰিচালনা কৰিব অসম শৈক্ষিক কেন্দ্ৰৰ উপসভাপতি ড° প্ৰশান্ত কুমাৰ বৰদলৈয়ে আৰু ৰবটি' প্ৰদৰ্শন কৰিব যোৰহাট বিজ্ঞান কেন্দ্ৰৰ ড° দুষ্যন্ত দত্তই। বিয়লি হ'ব লগীয়া মহোৎসৱৰ সামৰণী অনুষ্ঠানত বৰ্ষাৰণ্য গৱেষণা প্ৰতিষ্ঠানৰ সঞ্চালক ড° নীতিন কুলকাৰ্ণী আৰু অসম মহিলা বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড° অজন্তা বৰগোহাঁই ৰাজকোঁৱৰে অংশ গ্ৰহণ কৰিব। মহোৎসৱৰ বঁটা বিতৰণী অনুষ্ঠানত সভাপতিত্ব কৰিব ড° বিচিত্ৰ কুমাৰ বৰঠাকুৰে। ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশৰ বাবে আয়োজিত মহোৎসৱত বিজ্ঞান প্ৰেমীৰ উপস্থিতি অসম বিজ্ঞান সমিতিৰ যোৰহাট শাখাৰ সম্পাদক ৰমেন গগৈ আৰু আয়োজক সমিতিৰ সম্পাদক ড° দণ্ডেশ্বৰ দত্তই কামনা কৰিছে।

## ডিব্ৰুগড়ত ১৫০ শিক্ষাৰ্থীক লায়ন্স ক্লাবৰ স্কুল বেগ বিতৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৮ জানুৱাৰী ঃ** ডিব্ৰুগড় ডিষ্ট্ৰিক্ট লায়ন্স ইণ্টাৰনেচনেল ৰ উদ্যোগত আৰু লায়ন্স ক্লাব ডিব্ৰুগড়ৰ সহযোগত ডিব্ৰুগড়ৰ মাৰোৱাৰী হিন্দী হাইস্কুলত ১৫০ গৰাকী ছাত্ৰ-ছাত্ৰীক স্কুল বেগ, পেঞ্চিল আৰু পানীৰ বটল বিতৰণ কৰা হয়। এই উপলক্ষে বিদ্যালয়খনৰ কক্ষত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ সভাত সংগঠনটোৰ হৈ উপস্থিত থকা কেবিনেট সদস্য ৰাজেশ সিং, ৰিজ'ন চেয়াৰমেন চন্দন শ্বাহ আৰু জ'ন চেয়াৰমেন ৰক্তিম গগৈ উপস্থিত থাকি ইংৰাজী নৱবৰ্ষৰ শুভেচ্ছা জ্ঞাপন কৰি লায়ন্স ক্লাবৰ কাম-কাজ সম্পৰ্কত চমুকৈ আলোকপাত কৰি সকলো শিক্ষাৰ্থীৰে মংগল কামনা কৰে। শিক্ষাগুৰু সকলো উপস্থিত থকা অনুষ্ঠানটিত শিক্ষানুষ্ঠানখনি নিৰ্বাচন কৰাৰ বাবে লায়ন্স ক্লাবক ধন্যবাদ জ্ঞাপন কৰি প্ৰধান শিক্ষক আনন্দ শ্বাহে দুখীয়া ছাত্ৰ-ছাত্ৰী সকল ইয়াৰ দ্বাৰা যথেষ্ট উপকৃত হোৱা বুলি নিজৰ ভাষণত উল্লেখ কৰে।

পঞ্জীয়ন প্ৰক্ৰিয়া শুভাৰম্ভ কৰিলে মন্ত্ৰী ৰূপেশ গোৱালাই

# অসম চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগৰ দ্বাৰা শিক্ষিত ছাত্ৰ-ছাত্ৰীৰ বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৮ জানুৱাৰী ঃ** ৰাজ্য চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগৰ উদ্যোগত ৰাজ্যত আৰম্ভ হৈছে বিভিন্ন প্ৰতিযোগিতামূলক পৰীক্ষা আৰু দক্ষতা বিকাশ পাঠ্যক্ৰমৰ বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা।



শিক্ষিত ছাত্ৰ-ছাত্ৰীক APSC, NEET, JEE, Aviation Tourism ও Hospitality Management, আদিৰ বিনামূলীয়া প্ৰশিক্ষণ প্ৰদান কৰিবলৈ ইতিমধ্যে বাছনি প্ৰক্ৰিয়া আৰম্ভ কৰিছে ৰাজ্য চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগে। আজি ডুমডুমাত উক্ত বাছনি প্ৰক্ৰিয়াৰ প্ৰথম পৰ্যায়ত ইচ্ছুক শিক্ষাৰ্থীসকলৰ পঞ্জীয়ন প্ৰক্ৰিয়া আনুষ্ঠানিকভাৱে উদ্বোধন কৰে অসম চৰকাৰৰ শ্ৰমিক কল্যাণ বিভাগৰ মন্ত্ৰী তথা ডুমডুমাৰ বিধায়ক ৰূপেশ গোৱালাই। এই উপলক্ষে দিয়া ভাষণত মন্ত্ৰী গোৱালাই এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ শিক্ষিত যুৱক-যুৱতীসকলক উপকৃত হ'ব বুলি আশা প্ৰকাশ কৰে। ডুমডুমাৰ সমান্তৰালভাৱে সমগ্ৰ অসমতে এইদৰে শিক্ষিত ছাত্ৰ-ছাত্ৰীসকলক বিশেষ বাছনি পৰীক্ষাৰ জৰিয়তে উক্ত বিনামূলীয়া প্ৰশিক্ষণৰ ব্যৱস্থা কৰা বুলি জানিব পৰা গৈছে। অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু বিভাগীয় মন্ত্ৰী ৰূপেশ গোৱালাৰ এনে প্ৰচেষ্টাক শলাগ লৈছে সচেতন ৰাইজ তথা ছাত্ৰ-ছাত্ৰীয়ে।

সমষ্টি উন্নয়নত ব্যয় ৪০০০ কোটি টকা

# মঙলদৈ সমষ্টিৰ বিধায়ক বসন্ত দাসে দাঙি ধৰিলে চাৰি বছৰ সাত মাহৰ খতিয়ান



**অসম বাৰ্তা বিশেষ, মঙলদৈ, ৮ জানুৱাৰী ঃ** কংগ্ৰেছ দলৰ প্ৰাৰ্থী হিচাপে মঙলদৈ বিধানসভা সমষ্টিৰ পৰা জয়ী হৈ বিজেপি নেতৃত্বাধীন চৰকাৰৰ প্ৰতি মুকলিকৈ সমৰ্থন দিয়া বিধায়ক বসন্ত দাসে ৫ জানুৱাৰীত পুস্তিকা আকাৰে প্ৰায় চাৰি বছৰ সাত মাহৰ খতিয়ান দাঙি ধৰে। এই পুস্তিকাখন মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই উন্মোচন কৰে। এই পুস্তিকাত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বত আৰু সাংসদ তথা ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়াৰ পূৰ্ণ সহযোগত ২০২১-২৬ বৰ্ষৰ কাৰ্যকালত মঙলদৈ বিধানসভা সমষ্টিত প্ৰায় ৪,০০০ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন অভিলাষী প্ৰকল্প আৰু আঁচনি ৰূপায়ণ হৈছে বুলি বসন্ত দাসে উল্লেখ কৰিছে। নিৰ্মীয়মাণ দৰং মেডিকেল কলেজৰ চৌহদত প্ৰায় ৪০ হেজাৰ জনতাৰ উপস্থিতিত অনুষ্ঠিত এক জনসভাত পুস্তিকা উন্মোচনী অনুষ্ঠানত সাংসদ তথা ভাৰতীয় জনতা পাৰ্টি, অসম প্ৰদেশৰ সভাপতি দিলীপ শইকীয়া, ছিপাঝাৰৰ বিধায়ক ডম্পৰমানন্দ ৰাজবংশী, মঙলদৈৰ প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাস সমন্বিতে ব্যক্তিসকল উপস্থিত থাকে। পুস্তিকা আকাৰে কামৰ খতিয়ান দিয়া, বিজেপিৰ লগত সু-সম্পৰ্ক বজাই ৰখা প্ৰাক্তন মন্ত্ৰী তথা বৰ্তমানৰ বিধায়ক বসন্ত দাসে নিৰ্বাচনৰ প্ৰাকমুহূৰ্তত আনুষ্ঠানিকভাৱে বিজেপিত যোগদান কৰিব বুলি গুণাগথা চলিছে। অৱশ্যে সংৰক্ষণমুক্ত হোৱা মঙলদৈ সমষ্টিতেই বিধায়ক বসন্ত দাসক বিজেপিয়ে টিকট দিবনে অইন সমষ্টিলে নিব-তাক লৈও প্ৰশ্ন উত্থাপন হৈছে।

# চিকিৎসকৰ সময়োচিত পদক্ষেপে ডুমডুমা এফ আৰ ইউ চিকিৎসালয়ত প্ৰাণ ৰক্ষা কৰিলে এগৰাকী সংকটজনক অৱস্থাত থকা প্ৰসূতিৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৮ জানুৱাৰী ঃ** ডুমডুমাৰ ফাৰ্ষ্ট ৰেফাৰেল ইউনিট (এফ আৰ ইউ) চিকিৎসালয়ৰ সীমিত সম্পদৰ মাজতে সময়োচিতভাৱে লোৱা চিকিৎসা পদক্ষেপে শেহতীয়াকৈ এগৰাকী সংকটজনক অৱস্থাত থকা ৩০ বছৰীয়া গৰ্ভৱতী মহিলাৰ প্ৰাণ ৰক্ষা কৰিবলৈ সক্ষম হৈছে। এই ঘটনাই কঠিন পৰিস্থিতিত কৰ্তব্যৰত চিকিৎসকসকলৰ দায়বদ্ধতা আৰু পেছাগত দক্ষতাৰ উজ্জ্বল নিদৰ্শন দাঙি ধৰিছে। উক্ত ৰোগীগৰাকীক যোৱা ২৩ ডিচেম্বৰত তৃতীয়বাৰৰ বাবে গৰ্ভৱতী হোৱা অৱস্থাত অসম্পূৰ্ণ গৰ্ভাশয় ফাটৰ সৈতে অৱৰুদ্ধ প্ৰসৱজনিত অতি সংকটজনক অৱস্থাত ডুমডুমা এফ আৰ ইউত ভৰ্তি কৰোৱা হৈছিল। ৰোগীৰ অৱস্থা অত্যন্ত গুৰুতৰ হোৱাৰ বাবে তেওঁক আন কোনো চিকিৎসালয়লৈ প্ৰেৰণ কৰা সম্ভৱ নাছিল, কিয়নো পথতে তেওঁৰ জীৱন সংকটত পৰাৰ সম্ভাৱনা আছিল। পৰিস্থিতিৰ গুৰুত্ব উপলব্ধি কৰি ডুমডুমা এফ আৰ ইউৰ স্ত্ৰীৰোগ বিশেষজ্ঞ ডাঃ প্ৰভাত বৰাই তৎক্ষণাত ডুমডুমাৰ প্ৰখ্যাত স্ত্ৰীৰোগ বিশেষজ্ঞ তথা এখন ব্যক্তিগত নাৰ্ছিং হোমৰ স্বত্বাধিকাৰ আৰু ডুমডুমা এফ আৰ ইউ চিকিৎসালয়ৰ ব্যৱস্থাপনা সমিতিৰ সদস্য ডাঃ প্ৰণৱ জ্যোতি ডেকাৰ সৈতে যোগাযোগ কৰে। বিলম্ব নকৰাকৈ ডাঃ ডেকাই এফ আৰ ইউৰ চিকিৎসালয়ত উপস্থিত হয় আৰু এফ আৰ ইউ চিকিৎসালয়ৰ চিকিৎসকসকলৰ সৈতে মিলি ততাতৈয়াকৈ অস্ত্ৰোপচাৰৰ ব্যৱস্থা কৰে এফ আৰ ইউৰ সীমিত পৰিকাঠামো আৰু সম্পদৰ মাজতে, লগতে তৎক্ষণাৎ ৰক্তৰ ব্যৱস্থা নথকাৰ পাছতো, ইয়াক এক প্ৰকৃত প্ৰসূতি জৰুৰী অৱস্থা বুলি বিবেচনা কৰি চিকিৎসকৰ দলটোৱে জৰুৰী অস্ত্ৰোপচাৰ কৰাৰ সিদ্ধান্ত লয়। ডাঃ প্ৰভাত বৰা আৰু এফ আৰ ইউৰ এনেছ্থেছিষ্ট ডাঃ ৰঞ্জিত ভৰালীৰ সহযোগত ডাঃ ডেকাই অস্ত্ৰোপচাৰৰ নেতৃত্ব দিয়ে আৰু অত্যন্ত দক্ষতা, অভিজ্ঞতা তথা ক্ষিপ্ৰ সিদ্ধান্তগ্ৰহণৰ জৰিয়তে জটিল 'চিজেৰিয়ান হিষ্টেৰেক্টমি' সফলতাৰে সম্পন্ন কৰে, লগতে ৰক্তক্ষৰণো ন্যূনতমভাৱে নিয়ন্ত্ৰণ কৰে। পৰৱৰ্তী সময়ত ৰক্তদানৰ ব্যৱস্থা কৰা হয় আৰু অস্ত্ৰোপচাৰোত্তৰ সময়ছোৱাত ৰোগীৰ কোনো জটিলতা দেখা নাযায়। সম্পূৰ্ণ সুস্থ হৈ উঠাৰ পাছত তেওঁক ৭ জানুৱাৰীত ডুমডুমা এফ আৰ ইউ চিকিৎসালয়ৰ পৰা ছুটি দিয়া হয়। এই সফলতাটো ডুমডুমা এফ আৰ ইউৰ সম্পূৰ্ণ অপাৰেচন থিয়েটাৰ দলৰ নিষ্ঠা আৰু সমন্বিত প্ৰচেষ্টাৰ ফল। সীমিত সম্পদৰ মাজতো পেছাগত দক্ষতা, তৎক্ষণাত সিদ্ধান্তগ্ৰহণ আৰু দলগত কামে কেনেদৰে জীৱন ৰক্ষা কৰিব পাৰে, এই ঘটনাই তাৰ এক শক্তিশালী উদাহৰণ হিচাপে থিয় দিছে। তদুপৰি ডাঃ প্ৰণৱ জ্যোতি ডেকাই এই ক্ষেত্ৰত যি মানৱীয়তাৰ উৎকৃষ্ট নিদৰ্শন দাঙি ধৰিলে সেয়া নিঃসন্দেহে প্ৰশংসনীয়। এই সাহসী আৰু প্ৰশংসনীয় কামৰ বাবে ডাঃ প্ৰণৱ জ্যোতি ডেকা সহ ডুমডুমা এফ আৰ ইউ চিকিৎসালয়ৰ সমগ্ৰ দলটোক ৰাইজে উচ্চ প্ৰশংসা কৰিছে।

# স্মৃতি গ্ৰন্থৰ বাবে লেখা বিচাৰি আহ্বান চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাৰোহলৈ প্ৰস্তুতি তীব্ৰতৰ

**অসম বাৰ্তা, আমগুৰি, ৮ জানুৱাৰী ঃ** যোৰহাট জিলাৰ ভিতৰতে এখন পুৰণি ঐতিহ্যমণ্ডিত শিক্ষা প্ৰতিষ্ঠান চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, শিক্ষক শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী সমাৰোহৰ প্ৰস্তুতি পূৰ্ণ গতিত চলি আছে। অহা মাৰ্চ মাহৰ শেষৰ ফালে বিস্তৃত কাৰ্যসূচীৰে সমাৰোহখন অনুষ্ঠিত হ'ব। এই উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতি গ্ৰন্থৰ বাবে অসম তথা দেশে বিদেশে থকা প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সকলৰ লগতে শিক্ষক-শিক্ষয়িত্ৰী আৰু কৰ্মচাৰী সকলৰ পৰা লেখা আহ্বান কৰা হৈছে। ইতিমধ্যে চেলেংহাট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰী আৰু বৰ্তমানৰ অধ্যক্ষা তথা বিশিষ্ট লেখিকা নৱনীতা গগৈক স্মৃতি গ্ৰন্থৰ সম্পাদক ৰূপে লৈ এখন সম্পাদনা সমিতি গঠন কৰা হৈছে। nabanita.gogoi9@gmail.com ইমেইল যোগে আৰু ৭91 91 0 1275 244 নম্বৰৰ হোৱাটচএপ যোগে লেখা প্ৰেৰণ কৰিব পাৰিব।

# পোৱালিক এৰি মাকসহ তিনিটা গৰু লৈ চম্পত চোৰৰ দল বইটামাৰীত চোৰৰ সন্ত্ৰাস; গোৱালৰ পৰা নিশা চুৰি কৰি নিলে তিনিটাকৈ গৰু

**অসম বাৰ্তা, বইটামাৰী, ৮ জানুৱাৰী ঃ** বঙাইগাঁও জিলাৰ বইটামাৰী আৰক্ষী থানাৰ অন্তৰ্গত শালবাৰী মুছলিমপাৰাত যোৱা নিশা এক চাঞ্চল্যকৰ গৰু চুৰিৰ ঘটনা সংঘটিত হয়। চোৰে এজন ব্যক্তিৰ গোহালীৰ পৰা একেলগে তিনিটাকৈ গৰু চুৰি কৰি লৈ যোৱাত অঞ্চলটোৰ পশুপালকসকলৰ মাজত এতিয়া তীব্ৰ আতংকই বিৰাজ কৰিছে। প্ৰাপ্ত বাতৰি অনুসৰি, শালবাৰী মুছলিমপাৰাৰ নিবাসী গিয়াজ উদ্দিন আহমেদৰ বাসগৃহৰ গোহালীৰ পৰা নিশা গভীৰ হোৱাৰ সুযোগ লৈ চোৰৰ এটা দলে এই কাণ্ড সংঘটিত কৰে। নিশা গৃহস্থই গভীৰ নিদ্ৰাত লালকাল দি থকাৰ সময়তে চোৰে গোহালীৰ দুৱাৰ ভাঙি মাকজনীসহ মুঠ তিনিটাকৈ গৰু লৈ চম্পত দিয়ে। অত্যন্ত হৃদয়বিদাৰক কথা এই যে, চোৰৰ দলটোৱে এটা মাত্ৰ দুমহীয়া পোৱালি গৰুক গোহালীত এৰি থৈ মাকজনী আৰু আন দুটা গৰু লৈ যায়। আজি পুৱা গৃহস্থই গোহালীত গৰুকেইটা নেদেখি হতভম্ব হৈ পৰে আৰু পোৱালিটোৱে মাকৰ বাবে কান্দি থকা দৃশ্যই পৰিয়ালটোক শোকাকুল কৰি তোলে। ঘটনা সন্দৰ্ভত স্থানীয় আৰক্ষীক অৱগত কৰা হৈছে। উল্লেখযোগ্য যে, বইটামাৰীৰ বিভিন্ন প্ৰান্তত শেহতীয়াকৈ বৃদ্ধি পোৱা এনে ধৰণৰ গৰু চুৰিৰ ঘটনাই সাধাৰণ লোকক চিন্তিত কৰি তুলিছে। আৰক্ষীৰ তহলদাৰী ব্যৱস্থা অধিক কটকটীয়া কৰিবলৈ স্থানীয় ৰাইজে দাবী জনাইছে।

অসমীয়া উদ্যোগী মহিলাৰ কৰ্ম-নিদৰ্শন

# গোপালপুৰত বিস্মিতাচ এম্পৰিয়ামৰ শুভাৰম্ভ

**অসম বাৰ্তা, গহপুৰ, ৮ জানুৱাৰী ঃ** বিভিন্ন প্ৰকাৰৰ সুস্বাদু কেক, কেক তৈয়াৰ কৰাৰ সামগ্ৰী, ঘৰতে তৈয়াৰী বিবিধ বিস্কুত, বিহুৰ পিঠা পনা, মহিলাৰ সাজ পাৰৰ লগতে ড্ৰয়িং ৰুম সজোৱা সামগ্ৰীৰ এখন বিপণি আজি গোপালপুৰত শুভাৰম্ভ কৰা হয়। গহপুৰৰ সমজিলাৰ পুৱ প্ৰান্তৰ গোপালপুৰৰ খাৰণিজানত তথা ১৫নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত শুভাৰম্ভ কৰা হয় বিশ্মিতাচ এম্পৰিয়াম নামৰ বিপনীখন। উল্লেখ্য যে সস্বাদু কেক, বিস্কুত তৈয়াৰ কৰাৰ লগতে বহু যুৱতী মহিলাক কেক বিস্কুত তৈয়াৰৰ প্ৰশিক্ষণ প্ৰদানেৰে গহপুৰ সমজিলাতে এক সুকীয়া পৰিচয় লাভ কৰা বিশ্মিতা শইকীয়াই নিজাববীয়া প্ৰচেষ্টাৰে আৰম্ভ কৰিছে উক্ত বিপণিখন। বিশ্মিতাচ এম্পৰিয়ামত গ্ৰাহক সকলে ক্ৰয় কৰিব পাৰিব বিশ্মিতা শইকীয়াই নিজ হাতেৰে তৈয়াৰ কৰা বিভিন্ন প্ৰকাৰৰ সুস্বাদু কেক, বিস্কুত, পিজ্জাকে ধৰি খাদ্য সামগ্ৰী। কেক বিস্কুত তৈয়াৰৰ বাবে প্ৰয়োজন হোৱা সকলো ধৰণৰ সামগ্ৰীও উপলব্ধ কৰা হৈছে বিশ্মিতাচ এম্পৰিয়ামত। ইয়াৰ উপৰিও যুৱতী মহিলা সকলে নিজৰ পচণ্ড অনুসৰি এক মাৰ্জিত দৰত বিভিন্ন ধৰণৰ সাজপাৰ ক্ৰয় কৰিব পাৰিব উক্ত বিপণিখনতে। চাহ, কফি, গাখীৰৰ খোৱাদ লোৱা গ্ৰাহক সকলৰ বাবে এটি "টি পইণ্ট"ও সংযোজন থকা বিশ্মিতাচ এম্পৰিয়াম স্বাস্থ্য জনিত বিভিন্ন বীমা অৰ্থাৎ হেল্থ ইনচিয়োৰেঞ্চৰ সেৱাও লাভ কৰিব ৰাইজে। বিশ্মিতাচ এম্পৰিয়ামত কেক, বিস্কুত অথবা বিভিন্ন সামগ্ৰী ক্ৰয় কৰাৰ ক্ষেত্ৰত বিশ্মিতা শইকীয়াক ৬০০১৮৩৫৮১৪ এই নম্বৰত যোগাযোগ কৰিব পাৰিব।

# "ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ"; "জাতি বচাওক, মাটি বচাওক" শীৰ্ষক কাৰ্যসূচীৰে নাজিৰাত যুৱ কংগ্ৰেছৰ বৃহৎ পদযাত্ৰা



**অসম বাৰ্তা, নামতি, ৮ জানুৱাৰী ঃ** "বৰ্তমান সমগ্ৰ দেশ তথা অসমৰ জাতিৰ অস্তিত্বৰ প্ৰতি চৰম ভাবুকি কঢ়িয়াই আনিছে বিজেপি নেতৃত্বাধীন চৰকাৰে। আদানি, আমবানি, ৰামদেৱক তথা পুঁজিপতি গোষ্ঠীক অসমৰ ভূমি গতাই দি অসমীয়া জাতিৰ ভূমিৰ অধিকাৰ খৰ্ব কৰিছে। তদুপৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই নিজৰ পত্নী, পুত্ৰৰ নামত নীতি বৰ্হিভূত ভাৱেও চাহ বাগিচা আৰু বনাঞ্চলৰ হাজাৰ হাজাৰ বিঘা ভূমিৰে অগাধ সম্পত্তিৰ মালিক কৰি তুলিছে। অনাগত সময়ত অসমীয়া জাতিক ৰক্ষা কৰিবৰ বাবে আৰু ভূমিৰ অধিকাৰ পুনৰ হস্তগত কৰিবৰ বাবে আগন্তুক বিধান সভা নিৰ্বাচনত হিমন্ত বিশ্ব শৰ্মা তথা বি জে পি দলক প্ৰত্যাখ্যান কৰাৰ বাহিৰে গত্যন্তৰ নাথাকিব। নাজিৰাত "ৰাইজৰ পদূলিত ৰাইজৰ কংগ্ৰেছ "জাতি বচাওক, মাটি বচাওক" শীৰ্ষক অসম প্ৰদেশ যুৱ কংগ্ৰেছে শদিয়াৰ পৰা আৰম্ভ কৰা পদযাত্ৰাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰি সৰ্ব ভাৰতীয় কংগ্ৰেছ দলৰ সাধাৰণ সম্পাদক বিকাশ উপাধ্যায়ে এইদৰে বক্তব্য দাঙি ধৰি বি জে পি দলৰ নেতৃত্বত থকা অপশাসনৰ পৰা মুক্ত কৰিবলৈ ৰাইজৰ প্ৰতি আহ্বান জনায়। নাজিৰা নগৰৰ বৰতলা খেল পথাৰৰ পৰা ঐতিহাসিক গড়গাঁও কাৰেংঘৰ বাকৰিলৈকে যোৱা এই পদযাত্ৰাৰ প্ৰাকমূহুৰ্তত নাজিৰা গ্ৰাম্য ব্লক কংগ্ৰেছ কমিটীৰ সাধাৰণ সম্পাদক অপূৰ্ব বৰুৱাই আঁতধৰা অনুষ্ঠানত সৰ্ব ভাৰতীয় যুৱ কংগ্ৰেছৰ সভাপতি উদয় ভানু শিৱ, অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সভাপতি জুবেৰ এলাম মজুমদাৰ, প্ৰদেশ যুৱ কংগ্ৰেছৰ সম্পাদিকা প্ৰতীমা তাছা, জাহ্নৱী কোঁৱৰ, প্ৰতীভা ৰাভা, ভাস্কৰ কলিতা, সাগৰীকা বড়া, প্ৰদেশ কংগ্ৰেছৰ সম্পাদক আব্দুৰ ৰহমান, শুভ্ৰমিত্ৰ গগৈ, নীলকমল ভূএগ্ৰা, শিৱসাগৰ জিলা কংগ্ৰেছৰ সভাপতি অজয় গগৈ আদিকে ধৰি ভালেকেইজন ৰাষ্ট্ৰীয় আৰু প্ৰদেশ কংগ্ৰেছৰ বিষয়ববীয়াই অংশগ্ৰহণ কৰি বক্তব্যৰ প্ৰসংগত বিজেপি নেতৃত্বাধীন চৰকাৰক ভ্ৰষ্টাচাৰী আখ্যা দি কঠোৰ ভাৱে সমালোচনা কৰে। পিছত বৰতলা খেল পথাৰৰ পৰা ঐতিহাসিক কাৰেঙঘৰ বাকৰিলৈকে সহস্ৰাধিক কংগ্ৰেছ কৰ্মীয়ে পদযাত্ৰা কৰি সমাগত নিৰ্বাচনত "যুঁজ এখন হ'ব" শীৰ্ষক গীতেৰে বৃহৎ সমদল বাহিৰ কৰে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ☎ ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
◀ Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta •
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন